# ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সময়ছোৱাত জিলা পৰ্যায়ৰ যুৱ সংসদ অনুষ্ঠিত কৰাৰ বাবে নীতি নিৰ্দেশনা আৰু মূলনীতি

**সংসদীয় পৰিক্ৰমা বিভাগ, দিশপুৰ**

Signed by
Ananta Ram Das
Date: 18-12-2024 17:10:22

# অধ্যায়-১
# অসম ৰাজ্য
# নীতি নিৰ্দেশনা আৰু মূলনীতি

***সংসদীয় পৰিক্ৰমা বিভাগ, অসম চৰকাৰ, দিশপুৰ, গুৱাহাটী-৭৮১০০৬***

**১। যুৱ সংসদৰ উদ্দেশ্য**

গণতন্ত্ৰৰ শিপা শক্তিশালী কৰাৰ লক্ষ্যৰে, অনুশাসনৰ সুস্থ অভ্যাস গঢ়া, আনৰ দৃষ্টিভংগীৰ প্ৰতি সহনশীলতা জগাই তোলা আৰু ছাত্ৰ সমাজে সংসদৰ কাম-কাজৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাৰ লক্ষ্যৰে অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগে পথ নিৰ্দেশনা অনুসৰি অসমৰ স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানসমূহত যুৱ সংসদ নামৰ এক অনুষ্ঠান প্ৰতিবছৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে।

**২। প্ৰতিযোগিতাত প্ৰৱেশৰ যোগ্যতা**

চৰকাৰ, পৌৰসভা, স্থানীয় নিকায় বা ন্যাস আৰু ব্যক্তিগত দাতব্য সংস্থাৰ দ্বাৰা পৰিচালিত সকলো স্বীকৃতিপ্ৰাপ্ত উচ্চতৰ মাধ্যমিক ছোৱালীৰ লগতে লৰাৰ শিক্ষানুষ্ঠানে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব পাৰিব।

**৩। যুৱ সংসদৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সময়**

প্ৰতিবছৰে জিলাসমূহত যুৱ সংসদৰ এই অনুষ্ঠান অনুষ্ঠিত হ'ব। বিশদ কাৰ্যসূচী অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগে প্ৰস্তুত কৰি জিলাসমূহৰ জিলা আয়ুক্ত আৰু শিক্ষা বিভাগক প্ৰদান কৰিব।

**৪। যুৱ সংসদত অংশগ্ৰহণকাৰীৰ সংখ্যা**

যুৱ সংসদ গঠন কৰা ব্যক্তিৰ সংখ্যা সীমিত নহ'লেও এই কাৰ্যসূচীৰ বাবে ১০০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰী থকাটো বাঞ্চনীয় নহয়।

**৫। যুৱ সংসদ অধিৱেশনৰ সময়সীমা**

জিলা পৰ্যায়ত যুৱ সংসদৰ সময়সীমা পুৱা ৯ বজাৰ পৰা আৰম্ভ হ'ব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সকলো মৌলিক সুবিধাৰ লগতে দুপৰীয়াৰ আহাৰ গ্ৰহণৰ ব্যৱস্থা থাকিব আৰু বিয়লি ৩ বজাৰ আগতে সমাপ্ত হোৱা উচিত। ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ অধীনত বাজেট আবণ্টন অনুসৰি সংসদীয় পৰিক্ৰমা বিভাগে পুঁজি প্ৰদান কৰিব।

**৬। যুৱ সংসদত আলোচনাৰ বিষয়**

প্ৰশ্নোত্তৰৰ বাবে বা আন আলোচনাৰ বাবে কোনো বিশেষ বিষয় নিৰ্ধাৰণ কৰাৰ প্ৰস্তাৱ কৰা হোৱা নাই। কিন্তু যুৱ সংসদত উত্থাপিত বিষয়সমূহ কল্যাণমূলক কাম-কাজ, দেশৰ প্ৰতিৰক্ষা, সামাজিক ন্যায়, সামাজিক সংস্কাৰ, অৰ্থনৈতিক উন্নয়ন, সাম্প্ৰদায়িক সম্প্ৰীতি, স্বাস্থ্য, শিক্ষা, ছাত্ৰ অনুশাসন আদি বিষয়ৰ সৈতে জড়িত হোৱাটো বাঞ্চনীয়।

**৭। ভাষা**

জিলা আয়ুক্ত/জিলা ৰূপায়ণ সমিতিৰ অধ্যক্ষৰ সিদ্ধান্ত অনুসৰি অংশগ্ৰহণকাৰীসকলে ইংৰাজী, অসমীয়া, বাংলা বা ভাৰতৰ সংবিধানৰ স্বীকৃতিপ্ৰাপ্ত যিকোনো ভাষাত কথা ক'ব পাৰিব।

**৮। যুৱ সংসদৰ স্থান**

জিলা পৰ্যায়ৰ ৰূপায়ণ সমিতিয়ে অনুষ্ঠান অনুষ্ঠিত কৰাৰ স্থান/ভৱন নিৰ্বাচন কৰিব আৰু অনুষ্ঠানটো এদিনীয়া অনুষ্ঠান হ'ব।

**৯। জিলা পৰ্য্যায়ৰ ৰূপায়ণ সমিতি**

তলত উল্লেখ কৰা বিষয়াসকলৰ সৈতে অনুষ্ঠান পৰিচালনাৰ বাবে জিলাত জিলা পৰ্য্যায়ৰ ৰূপায়ণ সমিতি গঠন কৰা হ'ব।

(ক) অধ্যক্ষ – জিলা আয়ুক্ত অথবা তেওঁক কৰ্তৃত্ব প্ৰদান কৰা বিষয়া যিগৰাকীৰ পদবী অতিৰিক্ত জিলা আয়ুক্তৰ তলৰ নহয়।

(খ) সদস্য সচিব – জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক।

(গ) সদস্যসকল –

(i) জিলা প্ৰাথমিক শিক্ষা বিষয়া।

(ii) জিলা আয়ুক্তৰ দ্বাৰা মনোনীত কৰা যিকোনো চৰকাৰী/প্ৰাদেশিকৃত মহাবিদ্যালয়ৰ অধ্যক্ষ (২ গৰাকী)।

(iii) জিলা আয়ুক্তৰ দ্বাৰা মনোনীত কৰা প্ৰখ্যাত মহাবিদ্যালয়ৰ (দুখন মহাবিদ্যালয়ৰ) ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক।

(iv) জিলাৰ আইন মহাবিদ্যালয়ৰ অধ্যক্ষ।

(v) জিলাৰ কোষাগাৰ বিষয়া।

**১০। বিত্তীয় চৰ্ত (Norms) :**

(ক) এই আঁচনি ৰূপায়ণ আৰু বিত্তীয় ব্যয় কৰাৰ ক্ষেত্ৰত জিলা ৰূপায়ণ সমিতিয়ে সকলোবোৰ চৰকাৰী বিধি বিধান/বিত্তীয় চৰ্তাৱলী আৰু প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগিব।

(খ) জিলাৰ জিলা আয়ুক্তই অতিৰিক্ত জিলা আয়ুক্তৰ সমপৰ্য্যায়ৰ বিষয়াৰ নেতৃত্বত জিলা পৰ্য্যায়ত এখন বিত্তীয় নিৰীক্ষণ সমিতি গঠন কৰিব লাগিব।

(গ) যুৱ সংসদ অনুষ্ঠিত কৰাৰ বাবে সংসদীয় পৰিক্ৰমা বিভাগৰ দ্বাৰা ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ অধীনত জিলাসমূহক পুঁজি প্ৰদান কৰা হ'ব। **এই সংক্ৰান্তত এটা কিস্তিত পুঁজি প্ৰদান কৰা হ'ব আৰু জিলাৰ আয়ুক্তৰ দ্বাৰা ৩১/১২/২০২৪ৰ ভিতৰত পুঁজিৰ ব্যৱহাৰৰ প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব। পৰিশিষ্ট-ঘ** ত পুঁজি ব্যৱহাৰৰ প্ৰতিলিপি সনিবিষ্ট কৰা হৈছে।

(ঘ) পৰিশিষ্ট-ক ত যুৱ সংসদ আয়োজন কৰাৰ বাবে জিলা ভিত্তিক সম্ভাব্য আৰু বিস্তৃত এক ব্যয়ৰ গণনাৰ প্ৰস্তুত কৰি সন্নিবিষ্ট কৰা হৈছে। অৱশ্যে জিলা আয়ুক্তই স্থানীয় বাস্তৱিকতা অনুসৰি প্ৰতিটো- এদিনীয়া কাৰ্য্যসূচীৰ বাবে ১ লাখলৈ বিভিন্ন উপাদান/সুবিধাৰ ব্যৱস্থাপনাৰ বাবে পুঁজি আবণ্টন আৰু ব্যয় কৰিব পাৰিব।

**১১। পুৰস্কাৰ/প্ৰমাণ পত্ৰ**

**পৰিশিষ্ট-খ আৰু গ** ত একাদিক্ৰমে প্ৰদৰ্শন কৰা প্ৰমাণ-পত্ৰৰ আৰ্হিত জিলা পৰ্য্যায়ৰ ৰূপায়ণ সমিতিয়ে অংশগ্ৰহণকাৰী শিক্ষানুষ্ঠান/অংশগ্ৰহণকাৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰাটো নিশ্চিত কৰিব লাগিব।

**১২।** নিম্নোক্ত বিষয়াসকলক লৈ অসমত যুৱ সংসদ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক পৰ্য্যায়ৰ ৰূপায়ণ সমিতিৰ জাননী ৰাজ্য চৰকাৰে জাৰি কৰিব লাগিব-

(১) অধ্যক্ষ – ৰাজ্য চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগৰ সচিব।

(২) সদস্য সচিব – ৰাজ্য চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব।

(৩) সদস্য – বিদ্যালয় শিক্ষা বিভাগৰ আটাইতকৈ জ্যেষ্ঠ সচিবৰ দ্বাৰা মনোনীত কৰা বিদ্যালয় শিক্ষা বিভাগৰ এগৰাকী বিষয়া, যাৰ পদবী যুটীয়া সচিবৰ কম হ'ব নালাগিব।

(৪) সদস্য – উচ্চ শিক্ষা বিভাগৰ আটাইতকৈ জ্যেষ্ঠ সচিবৰ দ্বাৰা মনোনীত কৰা এগৰাকী বিষয়া যাৰ পদবী উচ্চ শিক্ষা বিভাগৰ যুটীয়া সচিবৰ তলৰ নহয়।

(৫) সদস্য – মাধ্যমিক শিক্ষা, অসমৰ সঞ্চালক।

(৬) সদস্য – সংসদীয় পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ বিত্ত উপদেষ্টা।

**১৩।** ৰাজ্যিক পৰ্য্যায়ৰ ৰূপায়ণ সমিতিয়ে ৰাজ্যিক পৰ্য্যায় আৰু জিলা পৰ্য্যায়ত অনুষ্ঠান অনুষ্ঠিত কৰাৰ বিস্তৃত পথ নিৰ্দেশনা, কৰ্ম পৰিকল্পনা আৰু প্ৰাককলন প্ৰস্তুত কৰিব।

**১৪।** যুৱ সংসদত সংসদৰ কাম-কাজৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশসমূহ প্ৰতিফলিত হ'ব।

**১৫।** জিলাসমূহৰ জিলা আয়ুক্তৰ নেতৃত্বত গঠিত জিলা ৰূপায়ণ সমিতিৰ দ্বাৰা ছপা আৰু বৈদ্যুতিক মাধ্যমৰ জৰিয়তে ব্যাপক প্ৰচাৰ চলাব লাগিব।

**১৬।** যুৱ সংসদৰ জিলা পৰ্য্যায়ৰ অনুষ্ঠান পৰিচালনাৰ বাবে জিলা পৰ্য্যায়ৰ সমিতিয়ে জিলাৰ মাননীয় বিধায়ক/সাংসদ সকলোকো জড়িত কৰিব পাৰে।

**১৭।** জিলাখনৰ অভিভাৱক মন্ত্ৰীকো বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানটোৰ শোভাবৰ্দ্ধন কৰিবলৈ আমন্ত্ৰন জনাব পাৰে।

**১৮।** ৰাজ্যিক পৰ্য্যায়ত অনুষ্ঠানটো অনুষ্ঠিত কৰাৰ বাবে অংশগ্ৰহণকাৰী আৰু সমল ব্যক্তিৰ সংখ্যা ৰাজ্যিক পৰ্য্যায়ৰ ৰূপায়ণ সমিতিয়ে চূড়ান্ত কৰিব।

**১৯। যুৱ সংসদ প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলৰ কৰণীয় আৰু অকৰণীয় কাম-কাজ :**

(১) যুৱ সংসদৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা শৈক্ষিক প্ৰতিষ্ঠান আৰু ছাত্ৰ-ছাত্ৰীসকলে এই কথা মনত ৰখা উচিত যে এই আঁচনিখন এক অনন্য আঁচনি। এই সংসদক ভৱিষ্যতৰ সংসদৰ প্ৰাথমিক স্তৰ হিচাপে গঢ়ি তোলাই হ'ল ইয়াৰ লক্ষ্য। কৰ্তব্যবোধ আৰু নিষ্ঠাৰে ইয়াক যদি সঠিকভাৱে ৰূপায়ণ কৰা হ'ব, অসমৰ জাতীয় চৰিত্ৰ আৰু দৃষ্টিভংগীৰ সৰ্বাংগীন উন্নীতকৰণৰ ইয়ে এক আশাপ্ৰদ ফলাফল কঢ়িয়াই অনাৰ আশা কৰিব পাৰি। শিক্ষা প্ৰতিষ্ঠান সমূহে উৎসৰ্গিতভাৱে ইয়াত অংশগ্ৰহণ কৰাৰ সময়ত এই দিনটোৰ প্ৰতি সদায় সচেষ্ট হ'ব লাগিব।

(২) এইটো পাহৰি যোৱা উচিত নহয় যে গণতন্ত্ৰই এনে ৰাজনৈতিক পদ্ধতি আগবঢ়াই যাৰ দ্বাৰা প্ৰতিজন নাগৰিকে সামগ্ৰিকভাৱে সমাজৰ মংগলৰ বাবে কি কৰিব লাগে সেই সম্পৰ্কে স্বেচ্ছামূলক বুজাবুজিত উপনীত হোৱাৰ প্ৰয়াসত আলোচনা আৰু বিতৰ্কৰ জৰিয়তে অংশগ্ৰহণ কৰাৰ সুযোগ পায়। এইদৰে যুৱ সংসদৰ আঁচনিখনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তেওঁলোকৰ শক্তিক সুস্থ আৰু গঠনমূলক কাৰ্য্যকলাপত পৰিণত কৰাৰ আন্দোলন আৰম্ভ কৰাত সহায় কৰিব যাতে তেওঁলোকে নিজকে ভৱিষ্যতৰ উপযোগী আৰু সফল নাগৰিক হিচাপে গঢ় দিব পাৰে।

(৩) এই যুৱ সংসদ সমূহত আলোচনাৰ বাবে নিৰ্বাচিত হ'বলগীয়া বিষয়টো যিমান পাৰি বিতৰ্কহীন হ'ব লাগে। শিক্ষানুষ্ঠানসমূহৰ সন্মুখত থকা সমস্যা আৰু তেওঁলোকৰ দৈনন্দিন সমস্যাৰ সৈতে তেওঁলোকে বহুলাংশে মোকাবিলা কৰা উচিত। বিষয়সমূহত কল্যাণমূলক কাম-কাজ, দেশৰ প্ৰতিৰক্ষা, সামাজিক ন্যায় আৰু সামাজিক সংস্কাৰ, অৰ্থনৈতিক বিকাশ, সাম্প্ৰদায়িক সম্প্ৰীতি, অনুশাসন, ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য, মানৱ অধিকাৰ আদিৰ সৈতে জড়িত হ'ব লাগে।

(৪) অংশগ্ৰহণকাৰীসকলে দেশৰ বৰ্তমানৰ ৰাজনৈতিক দল আৰু ৰাজনৈতিক ব্যক্তিত্বৰ কথা উল্লেখ কৰাটো এৰাই চলিব লাগে। তেওঁলোকে দল আৰু ব্যক্তিৰ কাল্পনিক নাম প্ৰদান কৰিব লাগিব। যিকোনো ৰাজনৈতিক দল অথবা ইয়াৰ দৰ্শনৰ প্ৰতি আকৃষ্ট অথবা অনাকৃষ্টৰ বিষয়ে তেওঁলোকে প্ৰতিফলিত কৰিব নালাগে।

(৫) অংশগ্ৰহণকাৰী সকলে অধ্যক্ষৰ প্ৰতি অত্যন্ত সন্মান প্ৰদৰ্শন কৰিব লাগিব। তেওঁলোকে অধ্যক্ষৰ সিদ্ধান্ত মানি চলিব লাগিব আৰু তেওঁৰ নিৰপেক্ষতা আৰু বিচাৰৰ ওপৰত বিশ্বাস ৰাখিব লাগিব।

(৬) প্ৰতিগৰাকী সদস্যই সদনলৈ অহাৰ সময়ত অধ্যক্ষক প্ৰণাম জনাব লাগিব আৰু একেদৰে সদন এৰাৰ সময়তো অধ্যক্ষক প্ৰণাম জনাব লাগিব।

(৭) সদস্যসকলে সদনৰ মজিয়াত এনে কোনো কথা ক'ব বা কৰিব নালাগে যিটো কাৰ্যবিধিৰ নিয়ম বা ৰায় বা অগ্ৰাধিকাৰৰ দ্বাৰা বা সদনৰ গ্ৰহণযোগ্য আৰু প্ৰতিষ্ঠিত ৰীতি-নীতিৰ দ্বাৰা পৰিচালিত নহয়।

(৮) আমাৰ দেশৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকা দেশৰ সম্বন্ধত প্ৰভাৱ পেলাব পৰা তথা বৰ্তমানৰ চৰকাৰ বা দেশক ব্যতিব্যস্ত কৰিব পৰা কোনো স্পৰ্শকাতৰ নীতি বা বিষয়বস্তুৰ ওপৰত কোনো আলোচনা বিলোচনা হ'ব নালাগে।

(৯) সদনত বহি থকাৰ সময়ত এজন সদস্যই কেতিয়াও মজিয়া পাৰ হ'ব নালাগে অৰ্থাৎ তেওঁ কেতিয়াও অধ্যক্ষ আৰু বক্তব্য প্ৰদান কৰা যিকোনো সদস্যৰ মাজেৰে পাৰ হ'ব নালাগে। এই নিয়ম উলংঘা কৰাটো সংসদীয় শিষ্টাচাৰ ভংগ কৰা বুলি গণ্য কৰা হয়।

(১০) সদস্য সকলে অধ্যক্ষক পিঠি দি বহিব নালাগে। যদি কোনো সদস্যই বক্তব্য ৰাখিব বিচাৰে, অধ্যক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ তেওঁ হাত দাঙিব লাগে। কোনো সদস্যই অধ্যক্ষৰ দৃষ্টি আকৰ্ষণ অবিহনে অথবা অধ্যক্ষই নাম অথবা ইংগিতেৰে বক্তিতা প্ৰদান কৰিবলৈ অনুমতি নিদিয়া পৰ্য্যন্ত বক্তব্য ৰাখিব নালাগে।

(১১) অধ্যক্ষই কথা ক'বলৈ উঠিলে বা 'অৰ্ডাৰ' বুলি মাতিলে আৰু লগতে যেতিয়া আন কোনো সদস্যৰ মজিয়াৰ দখল থাকে তেতিয়াও প্ৰতিজন সদস্যই নিজৰ আসন পুনৰ উপৱিষ্ট কৰিব লাগে। দুজন বা তাতকৈ অধিক সদস্য একে সময়তে থিয় হৈ থাকিব নালাগে।

(১২) অধ্যক্ষই সদনক সম্বোধন কৰাৰ সময়ত কোনো সদস্যই সদনৰ পৰা উঠিব বা ওলাই যাব নালাগে। অধ্যক্ষৰ বক্তব্য সদায়ে নীৰৱে শুনিব লাগে।

(১৩) কোনো সদস্যই লিখিত ভাষণ পঢ়িব নালাগে। কিন্তু কোনো সদস্যই যেতিয়া নিজৰ প্ৰস্তুত কৰা ভাষণ বা লিখাৰ আঁত হেৰুৱাই তেতিয়া তেওঁৰ টোকাসমূহ চাব পাৰে।

(১৪) কোনো সদস্যৰ সত্যতাৰ বিৰুদ্ধে অভিযোগ বা প্ৰশ্নৰ জৰিয়তে ব্যক্তিগত উল্লেখৰ আশ্ৰয় লোৱা উচিত নহয়। এজন সদস্যই সদনত ব্যক্তিগত সদস্যক সম্বোধন কৰিব নালাগে। তেওঁ সদায় অধ্যক্ষক সম্বোধন কৰি অধ্যক্ষৰ জৰিয়তে আন সদস্যসকলক মন্তব্য দিব লাগে।

(১৫) সদস্য সকলে সদনৰ চৌহদৰ ভিতৰত বা বিধায়িনী দলৰ ভিতৰত সদনৰ ব্যৱসায়ৰ সৈতে জড়িত নোহোৱা প্ৰশ্নাৱলী বা পুস্তিকা বিতৰণ কৰিব নালাগে।

(১৬) আলোচনাত অংশগ্ৰহণৰ সময়ত সদস্যই ইংৰাজী/অসমীয়া/বাংলা ভাষা ব্যৱহাৰ কৰিব পাৰিব। কিন্তু কোনো সদস্যই যদি আন কোনো ভাষাত বক্তব্য দিব বিচাৰে তেন্তে তেওঁ অধ্যক্ষৰ অনুমতি লৈ বক্তব্য ৰাখিব পাৰিব। কিন্তু বক্তব্য ৰখাৰ পূৰ্বে তেওঁ নিজৰ ভাষণৰ অনুবাদৰ প্ৰতিলিপি আগতীয়াকৈ যোগান ধৰিব লাগিব।

(১৭) মুঠতে এই যুৱ সংসদসমূহত অংশগ্ৰহণ কৰা সকলো ব্যক্তিয়ে এনে আচৰণ কৰিব লাগিব যাতে সংসদ আৰু সংসদীয় প্ৰতিষ্ঠানৰ প্ৰতি সন্মানৰ উন্মেষ সাধন হ'ব পাৰে।

**পৰিশিষ্ট-ক**

**সংসদীয় পৰিক্ৰমা বিভাগ, অসম চৰকাৰ**

**২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে যুৱ সংসদ অনুষ্ঠিত কৰাৰ কাৰণে জিলাভিত্তিত সাম্ভব্য হিচাপ**

মুঠ অংশগ্ৰহণকাৰীৰ সংখ্যা

(i) ছাত্ৰ-ছাত্ৰী – ১০০

(ii) সমল ব্যক্তি আৰু বিষয়া-কৰ্মচাৰী

ৰাতিপুৱাৰ আহাৰ : পুৱা ৮.৩০ ৰ পৰা ৮.৪৫ লৈ।

অধিৱেশন : ৰাতিপুৱা ৯ বজাৰ পৰা দুপৰীয়া ১ বজালৈ।

দুপৰীয়াৰ আহাৰ : দুপৰীয়া ১ বজাৰ পৰা ১.৩০ লৈ

আহাৰৰ পিছৰ অধিৱেশন : দুপৰীয়া ১.৩০ বজাৰ পৰা ২.৪৫ বজালৈ

চাহ বিৰতি : বিয়লি ২.৪৫ বজাৰ পৰা ৩ বজালৈ আৰু অধিৱেশনৰ শেষলৈ।

<u>অনুষ্ঠানটো অনুষ্ঠিত কৰাৰ বাবে সাম্ভাব্য প্ৰাককলিত ধনৰাশি :</u>

ৰাতিপুৱাৰ আহাৰ : ১০০x১০০ = ১০০০০ টকা

দুপৰীয়াৰ আহাৰ : ২০০x১০০ = ২০০০০ টকা

বাহন : POL সহ অনুষ্ঠানটোৰ বাবে ১ নং = ৩০০০ টকা

কোঠাভাড়া : ১০,০০০ টকা (অডিঅ'/ভিডিঅ' সুবিধা সহঃ)

বেনাৰ/প্ৰচাৰ/আই ই চি উপদান : ৮০০০ টকা

অন্যান্য আকস্মিক খৰচ : ১২৫০০ টকা

বিস্কুটৰ সৈতে চাহ : ২৫x১০০ = ২৫০০ টকা

অংশগ্ৰহণ/প্ৰশংসাৰ প্ৰমাণ পত্ৰ : ১০০x১০০ = ১০,০০০ টকা

ষ্টেচনাৰী (ফ'ল্ডাৰ/কলম/ৰাইটিং পেড ইত্যাদি): ১০০x১০০ = ১০,০০০ টকা

পানী : ১০x২০০ বটল : ২০০০ টকা

বক্তিতা দিয়া অতিথি/সমল ব্যক্তি

সকলৰ বাবে মাননি : ৩০০০x৪ = ১২,০০০ টকা

সমগ্ৰ অনুষ্ঠানটোৰ বাবে

**প্ৰতিখন জিলা মুঠ ধনৰ পৰিমাণ : ১০০০০০.০০ টকা**

টোকা : ওপৰত হিচাপ কৰা ব্যয় সাম্ভাব্য আৰু প্ৰকৃত ব্যয় জিলাখনত অনুষ্ঠিত হোৱাৰ সময়ত স্থানীয় অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি সলনি হ'ব পাৰে।

**পৰিশিষ্ট-খ**

**অসম চৰকাৰ**
**জিলা আয়ুক্তৰ কাৰ্যালয় ............ জিলা**
**যুৱ সংসদ**

নং তাৰিখঃ

প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ল যে .................. (শৈক্ষিক প্ৰতিষ্ঠান) অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগৰ দ্বাৰা প্ৰদান কৰা নিৰ্দেশনা আৰু চৰ্তাৱলী অনুসৰি ..................... ত অনুষ্ঠিত হোৱা ২০২৪ বৰ্ষৰ যুৱ সংসদত অংশ গ্ৰহণ কৰিছে।

স্বাক্ষৰ

স্বাক্ষৰ জিলাৰ জিলা আয়ুক্ত

জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক

**পৰিশিষ্ট-গ**

**অসম চৰকাৰ**
**জিলা আয়ুক্তৰ কাৰ্যালয় ............ জিলা**
**যুৱ সংসদ**

নং তাৰিখঃ

প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ল যে .................. (ছাত্ৰ-ছাত্ৰী) শ্ৰেণী ............., ............. (শৈক্ষিক প্ৰতিষ্ঠান) ............... ২০২৪ বৰ্ষৰ ................. (দিনাংক/মাহ)ত .............. (স্থানত) অনুষ্ঠিত যুৱ সংসদ অনুষ্ঠানত অংশ গ্ৰহণ কৰিছে।

আপোনাৰ উজ্বল ভৱিষ্যত কামনা কৰা হ'ল।

স্বাক্ষৰ

স্বাক্ষৰ জিলাৰ জিলা আয়ুক্ত

জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক

**পৰিশিষ্ট-ঘ**

## জিলা আয়ুক্তৰ কাৰ্যালয়

**.................................................................................................**

## জিলা এফ আৰ ১২-গ

## ২৩৯ বিধি দ্ৰষ্টব্য

## ব্যৱহাৰিক প্ৰমাণ পত্ৰৰ প্ৰ-পত্ৰ (ৰাজ্য চৰকাৰৰ বাবে) (য'ত মাত্ৰ চৰকাৰী সংস্থা বোৰেহে ব্যয় কৰিব)

<table>
<tr><td>ক্ৰমিক নং</td><td>চিঠিৰ নম্বৰ আৰু তাৰিখ</td><td>পৰিমাণ</td><td rowspan="2">প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ল যে মাৰ্জিনত উল্লেখ কৰা চিঠি নং অনুসৰি মন্ত্ৰালয়/বিভাগৰ অধীনত .......ৰ বাবে ........ বৰ্ষৰ অনুদান ............ টকাৰ ভিতৰত ...... পূৰ্বৰ বৰ্ষৰ ......... টকাৰ ব্যয় নকৰা পুঁজিকে ধৰি ........ উদ্দেশ্যৰ বাবে আবন্তিত টকা ব্যয় কৰা হৈছে আৰু ....... টকা ব্যয় নকৰা বৰ্ষৰ শেষত ............. (নং চিঠি, দিনাংক অনুসৰি চৰকাৰক ঘুৰাই দিয়া হৈছে। এই পৰিমাণটো আগন্তুক ........ বৰ্ষৰ অনুদানৰ সৈতে মিলাই দিয়া হ'ব।</td></tr>
<tr><td></td><td>মুঠ</td><td></td></tr>
</table>

২। প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ল যে এই ধনৰাশি যি উদ্দেশ্যৰে মঞ্জুৰি প্ৰদান কৰা হৈছিল সেই উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছে বুলি মই সন্তুষ্টি প্ৰকাশ কৰিছো। মই নিযুক্তি পৰীক্ষা কৰি প্ৰতীয়মান গৈছো যে মঞ্জুৰি প্ৰদান কৰা ধনৰাশি উদ্দেশ্যৰ বাবে আচলতে ব্যয় কৰা হৈছে।

পৰীক্ষা কৰা নথি

১।

২।

৩।

৪।

৫।

স্বাক্ষৰ .....................

পদবী ......................

তাৰিখ ....................

**পি এচ :** ব্যৱহাৰিক প্ৰমাণ পত্ৰত আচল ব্যয় ঋণ আৰু ষ্টোৰ আৰু সামগ্ৰী যোগনিয়াৰ, নিৰ্মাণ সংস্থাক অগ্ৰিম ধন প্ৰদান আদিৰ বিষয়সমূহত সন্নিবিষ্ট হ'ব লাগিব। ইয়াত ব্যৱহাৰ কৰা অনুদান বুলি ধৰা হ'ব কিন্তু অনুমতি সাপেক্ষে হ'ব লাগিব।

# অধ্যায় – ২

# পাতনি – যুৱ সংসদ কিয়

আইন প্ৰণয়ন সংস্থা সমূহে বিভিন্ন স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় বিষয়সমূহ আলোচনা কৰি সেইবোৰৰ ওপৰত উপযুক্ত আইন প্ৰণয়ন কৰা প্ৰয়োজন, এই সংস্থাসমূহৰ সদস্য সকলে সকলো মতামত উত্থাপন কৰি আৰু এই সমস্যাৰ সৈতে জড়িত সকলো ধৰণৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰিবৰ বাবে চেষ্টা কৰে। অৱশেষত বিভিন্ন স্বাৰ্থৰ ব্যৱস্থাপনাৰে এক আপোচমূলক সিদ্ধান্ত লোৱা হয়। সংসদৰ সিদ্ধান্তসমূহ গুৰুত্বপূৰ্ণ, কিয়নো এই সিদ্ধান্তসমূহে সমগ্ৰ দেশকে প্ৰভাৱিত কৰে। এই সিদ্ধান্তসমূহ দিঘলীয়া বিতৰ্কৰ মাজেৰে লোৱা হয়। সংসদত বিতৰ্ক অনুষ্ঠিত কৰাৰ বাবে এক বিস্তৃতত্ব নীতি-নিয়ম আৰু প্ৰক্ৰিয়া অনুসৰণ কৰা হয়। এই নিয়মসমূহ গণতান্ত্ৰিক পৰম্পৰাৰ আধাৰত প্ৰস্তুত কৰা হয়। এই নিয়মৰ দ্বাৰা সকলোৰে বক্তব্য শুনা আৰু সংসদত আলোচনা চলি থকা সময়ত সঠিক শিষ্টাচাৰ বজায় ৰখাটো নিশ্চিত কৰা হয়।

১৯৫০ চনৰ ২৬ জানুৱাৰীত বলবৎ কৰা ভাৰতীয় সংবিধানে গণতান্ত্ৰিক আৰ্হিৰ চৰকাৰ গঠন কৰিছে। গণতান্ত্ৰিক চৰকাৰৰ অৰ্থ হ'ল- শাসিত সকলৰ সন্মতিত অতিষ্ঠ হোৱা এখন চৰকাৰ। ই এনে এক ব্যৱস্থা য'ত মুক্ত জনমত হ'ল আইনৰ উৎস, য'ত চৰকাৰ এখন জনমতৰ ওপৰত নিৰ্ভৰশীল আৰু জনমতৰ পৰিৱৰ্তনৰ প্ৰতি সঁহাৰিশীল।

গণতন্ত্ৰৰ এক সবল যুক্তি হ'ল- যে ইয়াত সকলোৱে কথা শুনাৰ সুবিধা লাভ কৰে। ইয়াত সকলো নাগৰিকৰে মুক্তভাৱে সকলোৰে নিজৰ মতামত প্ৰকাশৰ অধিকাৰ থাকে আৰু ইয়াৰ জৰিয়তে দেশক শাসন কৰা ভাল আইন প্ৰণয়ন আৰু শুদ্ধ সিদ্ধান্ত লোৱাত অৰিহণা যোগোৱা হয়। আমাৰ নাগৰিক আৰু ৰাজনৈতিক প্ৰতিষ্ঠান সমূহৰ গণতান্ত্ৰিক কাম-কাজসমূহত সক্ৰিয় আৰু অৰ্থবহভাৱে অংশগ্ৰহণৰ বাবে নাগৰিকসকলৰ কিছুসংখ্যক দক্ষতা থকাটো প্ৰয়োজন। কিছুক্ষেত্ৰত আমি লক্ষ্য কৰো যে নাগৰিক আৰু ৰাজনৈতিক অনুষ্ঠান পৰিচালনা কৰা ব্যক্তিয়ে স্বাভাৱিক আলোচনাৰ নীতি-নিয়ম ভংগ কৰে। যিকোনো আলোচনা অৰ্থবহ কৰি তোলাৰ বাবে প্ৰয়োজন হোৱা শিষ্টাচাৰ ভংগ কৰি অংশগ্ৰহণকাৰীসকলে কেৱল আবেগক প্ৰাধান্য দিয়াটো পৰিলক্ষিত হয়। বহুত সময় এই আলোচনা একপক্ষীয় হোৱা দেখা যায়। কিয়নো উপস্থিত থকা এগৰাকী বহুবল্কী লোকে কেৱল নিজৰ মত প্ৰকাশ কৰে আৰু বাকীসকলে নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰে। ইয়াৰ ফলশ্ৰুতিত এটা সমস্যাৰ বিভিন্ন দিশ উপযুক্তভাৱে উত্থাপন নহয় আৰু ইয়াৰ ফলশ্ৰুতিতে উপযুক্ত সিদ্ধান্ত লোৱা নহয়।

সেয়েহে গণতন্ত্ৰত নাগৰিক হিচাপে তেওঁলোকৰ ভূমিকাৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ বিদ্যালয় পৰ্য্যায়ত এক ফলপ্ৰসু অনুষ্ঠানৰ প্ৰয়োজন। শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলক ৰাজহুৱা বিষয় সমূহৰ সৈতে জড়িত আৰু গ্ৰহণযোগ্য মতামত প্ৰদানৰ দিশত দক্ষ কৰি তোলা উচিত। যুৱ কাল হ'ল আশা আৰু প্ৰত্যাশাৰ সমাহাৰৰ এক সময়। সেয়েহে এই সময়ছোৱাতে যুৱ ছাত্ৰ-ছাত্ৰী সকলক নাগৰিকৰ দক্ষতা আহৰণৰ দিশত সজাগ কৰি তোলা উচিত। এগৰাকী ভাল নাগৰিকক মানবীয় সম্বন্ধ বজাই ৰখাৰ পাৰদৰ্শি হিচাপে ধাৰণা কৰা হয়। নাগৰিকৰ অৰ্থ কেৱল অধিকাৰ আৰু কৰ্তব্যতে সীমাবদ্ধ নাথাকে, ইয়াৰ পৰিসৰ মানবীয় আচৰণৰ সীমনালৈ ব্যপ্ত হৈ থাকে। মানবীয় আচৰণৰ দিশত আমাৰ ছাত্ৰী-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদানৰ নিমিত্তে আমাৰ ফলপ্ৰসু কাৰ্যসূচী থাকিব লাগিব।

**<u>যুৱ সংসদৰ কিয় প্ৰয়োজন</u>**

যুৱ সংসদ হৈছে এনে এক কাৰ্যসূচী য'ত গোট আলোচনা আৰু ভূমিকাৰ কৌশল উপযুক্তভাৱে প্ৰয়োগ কৰিব পৰা যায়।

ভাৰতীয় সংবিধান প্ৰণেতা সকলে সংসদীয় গণতন্ত্ৰ নিৰ্বাচন কৰিছিল য'ত সংসদ হ'ল সৰ্বোচ্চ আইন প্ৰণয়ণ প্ৰতিষ্ঠান আৰু চৰকাৰৰ বিত্তীয় আৰু প্ৰশাসনিক ক্ষমতা প্ৰয়োগ কৰিব পাৰে। সংসদীয় গণতন্ত্ৰ পৰিচালনা কৰাটো তেনেই উজু আৰু জনসাধাৰণে ইয়াক সহজে বুজিব পাৰে। কাৰণ তেওঁলোক ইয়াৰ কামকাজৰ সৈতে পৰিচিত।-

সংবিধানে সংসদীয় ব্যৱস্থাৰ লগতে সাধাৰণ জনতাৰ ওপৰত অগাধ বিশ্বাস প্ৰদৰ্শণ কৰি প্ৰাপ্তবয়স্ক ভোটাধিকাৰ নীতি গ্ৰহণ কৰিছিল। প্ৰাপ্তবয়স্ক ভোটাধিকাৰ ভিত্তিত সংসদীয় চৰকাৰৰ প্ৰৱৰ্তনে প্ৰগতিৰ আভা কঢ়িয়াই আনে আৰু সাধাৰণ জনতাৰ কল্যাণ সাধে। প্ৰাপ্তবয়স্ক

ভোটাধিকাৰ নীতি গ্ৰহণে ভাৰতৰ লাখ লাখ লোকক মতামত প্ৰকাশ কৰাৰ অধিকাৰ দিয়াৰ লগতে সবলীকৃত কৰিছে। এই ব্যৱস্থাৰ অধীনত দুখীয়া আৰু ধনী, শিক্ষিত আৰু অশিক্ষিত সকলোৱে ভোটাধিকাৰৰ লগতে সংসদলৈ নিৰ্বাচিত হোৱাৰ অধিকাৰ লাভ কৰে।

বছৰৰ পিছত বছৰ পাৰ হোৱাৰ সমান্তৰালকৈ আইন প্ৰণয়নৰ পদ্ধতি জটিলতৰ হৈ পৰিছে আৰু সেয়েহে ইয়াৰ বিষয়ে জানিবলৈ প্ৰশিক্ষণ আৰু বিশেষ প্ৰচেষ্টাৰ প্ৰয়োজন হয়। সংসদীয় বাদানুবাদত কাৰ্যকৰী আৰু ফলপ্ৰসূভাৱে অংশগ্ৰহণৰ বাবে এই প্ৰক্ৰিয়াসমূহৰ সৈতে পৰিচিত হোৱাটো অতি প্ৰয়োজনীয়। যি সময়ত স্থানীয় পৰ্যায়ৰ বিভিন্ন প্ৰতিনিধিত্বমূলক প্ৰতিষ্ঠানত লাভ কৰা পূৰ্বৰ অভিজ্ঞতাই অতীতত আমাৰ সংসদ সদস্যসকলক সহায় কৰিছিল, শেহতীয়া বৰ্ষসমূহত বহু যুৱ নেতাই স্থানীয় বা ৰাজ্যিক পৰ্যায়ত প্ৰশিক্ষণ আৰু অনুশীলনৰ প্ৰয়োজনীয় সুযোগ লাভ নকৰাকৈয়ে সংসদৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে।

সংসদীয় কাৰ্যকলাপত যুৱ নেতাসকলৰ অংশগ্ৰহণ দেশৰ বাবে লাভজনক, কিন্তু তেওঁলোকৰ সফল অংশগ্ৰহণ নিৰ্ভৰ কৰে এই প্ৰক্ৰিয়াসমূহৰ সৈতে পৰিচিত হোৱাৰ ওপৰত। প্ৰতিটো ৰাজনৈতিক দলে তেওঁলোকৰ যুৱ সাংসদসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। ইয়াৰ পশ্চাদপদত দেশৰ সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহত উপযুক্ত ভূমিকা লোৱাৰ ক্ষেত্ৰত যুৱ সংসদ আঁচনিখনে এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব।

ভাৰতৰ সংসদৰ গঠন, ক্ষমতা আৰু কাৰ্য্যসমূহৰ বিষয়ে সাধাৰণতে বিদ্যালয়ৰ মধ্য, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হয়। সংসদীয় প্ৰক্ৰিয়াসমূহৰ জ্ঞানে সংসদৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে ধাৰণা গঢ়ি তোলাত সহায় কৰে আৰু সেইবাবে যুৱ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনেকুৱা ধাৰণা গঢ়াৰ ক্ষেত্ৰত যুৱ সংসদৰ অধিৱেশনে বিশেষ গুৰুত্ব বহন কৰে।

এইদৰে যুৱ সংসদৰ উদ্দেশ্য তলত দিয়া ধৰণৰ :

১। ছাত্ৰ-ছাত্ৰীসকলক সংসদীয় প্ৰক্ৰিয়াৰ বিষয়ে জ্ঞান প্ৰদান কৰা।

২। সংসদৰ কাম-কাজৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত ধাৰণা গঢ়ি তোলা।

৩। ৰাজহুৱা বিষয়সমূহ বিবেচনা কৰি সেইবোৰৰ ওপৰত মতামত গঠন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰা।

৪। ছাত্ৰ-ছাত্ৰীক দলীয় আলোচনাৰ বাবে প্ৰয়োজনীয় কৌশলৰ প্ৰশিক্ষণ দিয়া।

৫। ছাত্ৰ-ছাত্ৰীৰ মাজত দলীয় আলোচনাৰ মাধ্যমেৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষমতা গঢ়ি তোলা।

৬। তেওঁলোকৰ মাজত আনৰ মতামতৰ প্ৰতি সন্মান আৰু সহনশীলতা গঢ়ি তোলা।

৭। যিকোনো আলোচনা পদ্ধতিগত আৰু ফলপ্ৰসূভাৱে আগুৱাই নিবলৈ নিয়মৰ প্ৰতি নিষ্ঠা অতি প্ৰয়োজনীয় বুলি তেওঁলোকৰ মাজত এক ধাৰণা গঢ়ি তোলা।

৮। ছাত্ৰ-ছাত্ৰীক দলীয় আচৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা।

৯। আমাৰ সমাজ আৰু দেশে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সজাগ কৰা।

১০। ছাত্ৰ-ছাত্ৰীৰ মাজত নেতৃত্ব প্ৰদানৰ গুণ বিকশিত কৰা।

১১। ছাত্ৰ-ছাত্ৰীসকলক সাধাৰণ মানুহৰ দৃষ্টিভংগী বুজিবলৈ আৰু ইয়াক স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ সহায় কৰা।

## অধ্যায়-৩

# ভাৰতীয় সংসদ এক দৃষ্টিত

ভাৰত এখন সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ গণতান্ত্রিক গণৰাজ্য। আমাৰ সংবিধানে গণতান্ত্রিক চৰকাৰ গঠন কৰিছে আৰু এই চৰকাৰখন ৰাইজে নিৰ্বাচিত কৰা প্রতিনিধিৰ দ্বাৰা পৰিচালিত হয়। প্রতি পাঁচ বছৰৰ মূৰে মূৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰা হয় আৰু জনসাধাৰণে নিজৰ চৰকাৰ নিৰ্বাচন কৰে। সমগ্ৰ দেশখনক বিভিন্ন সমষ্টিত বিভক্ত কৰা হয় আৰু প্রতিটো সমষ্টিৰ পৰা এজনকৈ প্রতিনিধি নিৰ্বাচন কৰা হয়। নিজ জনসংখ্যাৰ ভিত্তিত প্রতিখন ৰাজ্যই নিৰ্দিষ্ট সংখ্যক প্রতিনিধি প্রেৰণ কৰে।

ভাৰত ৰাজ্যসমূহৰ দ্বাৰা গঠিত এক সংঘ। সংবিধানত কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰে ব্যৱস্থাপনা আছে। কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ ক্ষমতা সংবিধানৰ দ্বাৰা স্পষ্টভাৱে নিৰ্ধাৰণ কৰা হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ত সংসদৰ ব্যৱস্থা থকাৰ দৰে আমাৰ ৰাজ্যিক পৰ্যায়ত বিধান মণ্ডলৰ ব্যৱস্থা আছে।

সংবিধানত তিনিখন সুকীয়া বিষয়-তালিকা দিয়া হৈছে। কেন্দ্রীয় তালিকাত দিয়া বিষয়সমূহৰ ওপৰত কেৱল সংসদেহে আইন প্রণয়ন কৰিব পাৰে। দেশৰ প্রতিৰক্ষা, ৰে'লৱে, জাহাজ, মুদ্রা, ডাক আৰু টেলিগ্রাফ, বৈদেশিক পৰিক্রমা আদি সম্পৰ্কীয় আইন কেন্দ্রীয় চৰকাৰে প্রণয়ন কৰে।

ৰাজ্য চৰকাৰে ৰাজ্যিক তালিকাত দিয়া বিষয়সমূহৰ ওপৰত আইন প্রণয়ন কৰিব পাৰে। গুৰুত্বপূৰ্ণ বিষয়সমূহ হ'ল কৃষি, স্বাস্থ্য, বনাঞ্চল, জলসিঞ্চন, বিদ্যুৎ, ৰাজ্যৰ আইন-শৃংখলা, আৰক্ষী, মনোৰঞ্জন ইত্যাদি।

উমৈহতীয়া তালিকাত উল্লেখিত বিষয়সমূহৰ ওপৰত সংসদ আৰু ৰাজ্যিক বিধান মণ্ডল উভয়ৰে আইন প্রণয়ন কৰাৰ ক্ষমতা আছে। এই তালিকাৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ বিষয়সমূহ হ'ল দেৱানী আৰু ফৌজদাৰী কাৰ্যবিধি, শ্রমিক কল্যাণ, কাৰখানা, বাতৰি কাকত, শিক্ষা, কিতাপ ইত্যাদি।

কেন্দ্রীয় চৰকাৰ তিনিটা অংগৰে গঠিত- কাৰ্যবাহী, বিধায়িনী আৰু ন্যায়পালিকা। আমি সংসদীয় গণতান্ত্রিক ব্যৱস্থা গ্রহণ কৰিছো, য'ত সংসদ সৰ্বোচ্চ আইন প্রণয়নকাৰী সংস্থা আৰু কাৰ্যকৰী ক্ষমতা নিহিত হৈ থাকে প্রধানমন্ত্রী নেতৃত্বাধীন মন্ত্রী পৰিষদৰ ওপৰত।

লোকসভা হ'ল জনতাৰ সদন কাৰণ ইয়াৰ সদস্যসকলক পোনপটীয়াকৈ জনসাধাৰণে বাছনি কৰে। সদস্যসকলক পাঁচ বছৰৰ বাবে নিৰ্বাচিত কৰা হয়। প্রতিগৰাকী সদস্যই সংবিধানৰ প্রতি বিশ্বাস আৰু আনুগত্যৰ শপত ল'ব লাগে। লোকসভাত সংখ্যাগৰিষ্ঠতা থকা ৰাজনৈতিক দলটোৱে ইয়াৰ নেতা নিৰ্বাচন কৰে আৰু এই নেতাগৰাকীক ৰাষ্ট্ৰপতিয়ে ভাৰতৰ প্রধানমন্ত্রী হিচাপে নিযুক্তি দিয়ে। প্রধানমন্ত্রীৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে আন মন্ত্রীসকলক নিযুক্তি দিয়ে।

সদনৰ অধিৱেশনত সভাপতিত্ব কৰিবলৈ লোকসভাৰ সদস্যসকলে নিজৰ মাজৰ পৰা এগৰাকী সদস্য নিৰ্বাচন কৰে। এই সদস্যগৰাকীক অধ্যক্ষ হিচাপে নিযুক্ত কৰা হয়। অধ্যক্ষগৰাকীয়ে নিৰপেক্ষভাৱে লোকসভাৰ কাম-কাজ পৰিচালনা কৰে।

ৰাজ্যসভা হৈছে সংসদৰ উচ্চ সদন। ৰাজ্যসমূহৰ প্রতিনিধিৰে গঠিত হোৱাৰ বাবে ইয়াক ৰাজ্যসমূহৰ পৰিষদ বুলি কোৱা হয়। সাহিত্য, বিজ্ঞান, শিল্প আৰু সমাজসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ ভিত্তিত ৰাষ্ট্ৰপতিয়ে মনোনীত কৰা ১২ গৰাকী সদস্যৰ উপৰিও বাকী সদস্যসকলক ৰাজ্যসমূহৰ বিধানসভাৰ সদস্যসকলে নিৰ্বাচিত কৰে। ৰাজ্যসভা হ'ল স্থায়ী সদন। ইয়াৰ এক তৃতীয়াংশ সদস্যই প্রতি দুবছৰৰ মূৰে মূৰে অৱসৰ লয়। ভাৰতৰ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যসভাৰ অধিৱেশনৰ সভাপতিত্ব কৰে। সেয়েহে তেওঁক ৰাজ্যসভাৰ অধ্যক্ষ বুলিও জনা যায়।

**<u>সংসদৰ কাম-কাজ</u>**

সংসদে সমগ্ৰ দেশৰ বাবে আইন প্ৰণয়ন কৰে। ই হ'ল দেশৰ সৰ্বোচ্চ আইন প্ৰণয়নকাৰী সংস্থা।

কেন্দ্ৰীয় চৰকাৰে বিভিন্ন কৰৰ জৰিয়তে ৰাজহ লাভ কৰে আৰু এই ৰাজহ জনসাধাৰণৰ কল্যাণৰ বাবে ব্যয় কৰে। প্ৰতি বছৰে চৰকাৰে এই আয়-ব্যয়ৰ তথ্য বাজেটত উপস্থাপন কৰি সংসদত দাখিল কৰে। বাজেট অনুমোদন কৰে সংসদে। সংসদৰ অনুমোদন অবিহনে চৰকাৰে কোনো ধৰণৰ কৰ আৰোপ কৰিব নোৱাৰে বা কোনো ধৰণৰ পুঁজি ব্যয় কৰিব নোৱাৰে। এইদৰে সংসদে চৰকাৰৰ আয়-ব্যয়ৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে।

সংসদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম হ'ল মন্ত্ৰী আৰু তেওঁলোকৰ কামৰ ওপৰত নিয়ন্ত্ৰণ ৰখা। সংসদৰ সদস্য এগৰাকীয়ে যিকোনো মন্ত্ৰীক তেওঁৰ বিভাগৰ বিষয়ে প্ৰশ্ন সুধিব পাৰে। এই প্ৰশ্নবোৰৰ জৰিয়তে সদস্যসকলে বিভিন্ন বিভাগৰ কাম-কাজৰ ওপৰত দৃষ্টি ৰাখে। প্ৰধানমন্ত্ৰী আৰু তেওঁৰ মন্ত্ৰীসকল নিজ নিজ কামৰ বাবে সংসদৰ ওচৰত দায়বদ্ধ থাকে।

এখন প্ৰস্তাৱিত আইন সংসদত প্ৰথমে বিধেয়কৰ ৰূপত উত্থাপন কৰা হয়। বিধেয়ক দুইপ্ৰকাৰৰ- মূদ্ৰা বিধেয়ক আৰু মূদ্ৰা বিধেয়কৰ বাহিৰে আন বিধেয়ক। আয় আৰু ব্যয়ৰ লগত জড়িত যিকোনো বিধেয়কক মূদ্ৰা বিধেয়ক বোলা হয়। ৰাজ্যসভাত মূদ্ৰা বিধেয়ক উত্থাপন কৰিব নোৱাৰি। ইয়াক প্ৰথমে লোকসভাত উত্থাপন কৰিবই লাগিব। লোকসভাত গৃহীত হোৱাৰ পিছত মূদ্ৰা বিধেয়ক ৰাজ্যসভালৈ ঘূৰাই অনাৰ বাবে প্ৰেৰণ কৰা হয়। যিবোৰ বিধেয়ক মূদ্ৰা বিধেয়ক নহয় সেইবোৰ বিধেয়ক সংসদৰ যিকোনো সদনত উত্থাপন কৰিব পাৰি।

সংসদত উত্থাপন কৰা প্ৰতিখন বিধেয়ক প্ৰতিটো সদনত তিনিটাকৈ পঠনৰ মাজেৰে পাৰ হ'ব লাগে। সদস্যসকলক বিধেয়কৰ প্ৰতিলিপি আগতীয়াকৈ দিয়া হয় যাতে তেওঁলোকে বিধেয়কখন অধ্যয়ন কৰিব পাৰে আৰু কিবা আপত্তি থাকিলে উত্থাপিত হোৱাৰ পৰ্যায়তে তাৰ বিৰুদ্ধে আপত্তি দৰ্শাব সক্ষম হয়। মন্ত্ৰী বা আন যিকোনো সদস্যই বিধেয়ক উত্থাপন কৰিব পাৰে। দ্বিতীয় পঠনৰ সময়ছোৱাত বিধেয়কখনৰ প্ৰতিটো দফাৰ ওপৰত সুকীয়াকৈ আলোচনা কৰা হয়। বিধেয়কখন কিয় গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় এই বিষয়ে ইয়াক সমৰ্থন কৰা সদস্যসকলে যুক্তি প্ৰদৰ্শন কৰে। বিধেয়কখনৰ বিৰোধিতা কৰা সদস্যসকলে ইয়াৰ বিৰুদ্ধে সমালোচনা আগবঢ়ায় আৰু বিধেয়কখনৰ অধিক উন্নত কৰাৰ বাবে পৰামৰ্শ প্ৰদান কৰে। ইচ্ছা কৰিলে সদনৰ সদস্যৰে গঠিত নিৰ্বাচিত সমিতিলৈ বা সংসদৰ উভয় সদনৰ যৌথ সমিতিলৈ বিধেয়কখন বিতংভাৱে পৰীক্ষা কৰাৰ বাবে প্ৰেৰণ কৰিব পাৰি। সংশোধনী প্ৰস্তাৱৰ সৈতে বা তেনে কোনো প্ৰস্তাৱ নোহোৱাকৈয়ে সমিতিয়ে বিধেয়কখনৰ বিষয়ে প্ৰতিবেদন আগবঢ়ায়। তৃতীয় পঠনৰ সময়ছোৱাত বিধেয়কখনৰ বিষয়ে সামগ্ৰিকভাৱে আলোচনা কৰি ইয়াৰ বিপৰীতে ভোটগ্ৰহণ কৰা হয়। যদিহে সংখ্যাগৰিষ্ঠ সদস্য বিধেয়কখনৰ পক্ষত থাকে তেন্তে বিধেয়কখনক গৃহীত হয়।

এই প্ৰক্ৰিয়া দুয়োটা সদনতে পালন কৰা হয়। যেতিয়া লোকসভা আৰু ৰাজ্যসভা উভয় সদনে বিধেয়কখন গৃহীত কৰে তেতিয়া ইয়াক স্বাক্ষৰৰ বাবে ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা হয়। ৰাষ্ট্ৰপতিয়ে সন্মতি দিয়াৰ পিছত বিধেয়কখনক আইনলৈ পৰিণত হয় আৰু ইয়াক আইনৰ জৰিয়তে কাৰ্যকৰী কৰিব পাৰি।

সাধাৰণতে বিধেয়কসমূহ সংসদত সাধাৰণ সংখ্যাগৰিষ্ঠতাৰে গৃহীত হয়। অৰ্থাৎ সদনত যদি ১০০ গৰাকী সদস্য উপস্থিত থাকে আৰু ৫১ গৰাকী সদস্য বিধেয়কখনৰ পক্ষত থকাৰ বিপৰীতে ৪৯ গৰাকী সদস্যই ইয়াৰ বিৰোধিতা কৰে তেন্তে বিধেয়কখন সাধাৰণ সংখ্যাগৰিষ্ঠতাৰে গৃহীত হোৱা বুলি কোৱা হয়। সংবিধানখন সা-সলনি বা সংশোধন কৰিব পাৰি। ভাৰতীয় সংবিধানৰ কেতবোৰ অংশ সংশোধন কৰিবলৈ বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন হয়। সংবিধানৰ কেতবোৰ অনুচ্ছেদৰ সংশোধনৰ বাবে সংসদত উপস্থিত থকা তথা ভোটদান কৰা সদস্যৰ দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন।

এইদৰে আমি দেখিবলৈ পাওঁ যে সংসদৰ কাম-কাজ অতি গুৰুত্বপূৰ্ণ। এইবোৰক পাঁচটা প্ৰধান শ্ৰেণীত ভাগ কৰিব পাৰি। প্ৰথমতে, ই চৰকাৰ আৰু ইয়াৰ আয়-ব্যয়ৰ ওপৰত নিয়ন্ত্ৰণ

ৰাখে। দ্বিতীয়তে, সংসদে বিভিন্ন বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰে। তৃতীয়তে, সংসদৰ সদস্যসকলে বিভিন্ন ৰাজহুৱা বিষয়ৰ ওপৰত নিজৰ মতামত প্ৰকাশ কৰে। এইদৰে তেওঁলোকে জনসাধাৰণৰ বিভিন্ন অভাৱ-অভিযোগৰ বিষয়ে চৰকাৰৰ দৃষ্টিগোচৰ কৰে। চতুৰ্থতে, আমি ইতিমধ্যে দেখি অহাৰ দৰে সদস্যসকলে তথ্য বিচাৰি বিভিন্ন প্ৰশ্ন উত্থাপন কৰে। এই তথ্য বাতৰি কাকতসমূহে প্ৰকাশ কৰে। এইদৰে ৰাজহুৱা গুৰুত্বৰ বিভিন্ন বিষয় সম্পৰ্কে জনসাধাৰণক সচেতন কৰা হয়। চৰকাৰৰ ভুল-ত্ৰুটিৰ কথাও ৰাইজে জানিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও, সংসদে ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে মহাভিযোগ আনিব পাৰে আৰু উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশক অপসাৰণ কৰিব পাৰে।

**সংসদীয় বিশেষাধিকাৰ**

সংসদৰ প্ৰতিগৰাকী সদস্যই বাক্ স্বাধীনতাৰ অধিকাৰী। সদনত কোৱা যিকোনো কথাৰ বাবে এগৰাকী সদস্যৰ যিকোনো আদালতত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি। সদনত দিয়া তেওঁৰ বক্তব্যৰ ওপৰত কোনো আদালতত প্ৰশ্ন উত্থাপন কৰিব নোৱাৰি।

সদনৰ অধিৱেশনৰ সময়ছোৱাত বা অধিৱেশনৰ চল্লিশ দিন পূৰ্বে অথবা পিছত দেৱানী গোচৰৰ অধীনত সংসদৰ কোনো সদস্যক গ্ৰেপ্তাৰ কৰিব নোৱাৰি।

ইয়াৰ কাৰ্যপ্ৰণালী আৰু ব্যৱস্থাপনা পৰিচালনাৰ বাবে নিয়ম প্ৰণয়ন কৰাৰ বাবে সদনে সামগ্ৰিক অধিকাৰ লাভ কৰে। কোনো আদালতে সদনৰ কোনো কাৰ্যবিধিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে।

যদি কোনো সদস্যৰ আচৰণ সদনৰ মৰ্যাদা আৰু গৰিমা অপমানজনক বুলি বিবেচিত হয় তেন্তে তেওঁক ইয়াৰ বাবে সদনে তেওঁক শাস্তি প্ৰদান কৰিব পাৰে। এনেকুৱা অসৎ আচৰণৰ অনুসন্ধান কৰিবলৈ সদনৰ এখন বিশেষাধিকাৰ সমিতি থাকে। এই সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত সদনে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে। এইদৰে ইয়াৰ বিশেষাধিকাৰ ভংগ বা অৱমাননাৰ বাবে যিকোনো ব্যক্তিক শাস্তি দিয়াৰ ক্ষমতা সদনৰ আছে।

সংসদৰ অধিৱেশনত অংশগ্ৰহণৰ বাবে সংসদৰ সদস্যসকলে মাহিলি দৰমহাৰ লগতে দৈনিক ভাট্টা লাভ কৰে। অন্যান্য সুবিধা, যেনে ৰে'লৰে পাছ, টেলিফোন আৰু গৃহ নিৰ্মাণৰ সুবিধা ইত্যাদিও তেওঁলোকে লাভ কৰে। সংসদৰ সদস্য পদৰ অন্ত পৰাৰ পিছত তেওঁলোকক পেঞ্চনৰ সুবিধা লাভ কৰে।

## অধ্যায়-৪

# যুৱ সংসদৰ বাবে প্ৰস্তুতি

### ছাত্ৰ-ছাত্ৰী কেনেকৈ নিৰ্বাচন কৰিব

যুৱ সংসদৰ বাবে ছাত্ৰ-ছাত্ৰী বাছনিৰ ক্ষেত্ৰত বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত৷ যিমানদূৰ সম্ভৱ ব'ৰ্ড পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা ছাত্ৰ-ছাত্ৰীক যুৱ সংসদত অন্তৰ্ভুক্ত কৰিব নালাগে। ছাত্ৰ-ছাত্ৰীসকলক বাছনি কৰাৰ সময়ত এয়া মনত ৰখা উচিত যে তলত দিয়া ছাত্ৰ-ছাত্ৰীসকলক সাধাৰণতে উপযুক্ত বুলি গণ্য কৰা হয়ঃ

১। তৰ্ক কৰাৰ ক্ষমতা থকা ছাত্ৰ-ছাত্ৰী।
২। নিজ শ্ৰেণীত মেধাবী বুলি বিবেচিত ছাত্ৰ-ছাত্ৰী।
৩। নেতৃত্বৰ গুণ থকা আৰু পাঠ্যক্ৰমৰ বাহিৰৰ কামত আগ্ৰহী ছাত্ৰ-ছাত্ৰী।
৪। মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰী।

ইয়াৰ উপৰিও, অধিক অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্ভুক্তিত অগ্ৰাধিকাৰ প্ৰদান কৰি প্ৰতি বছৰে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী জড়িত কৰা উচিত আৰু তেওঁলোকক প্ৰশ্নকালীন ঘণ্টা আৰু অন্যান্য বিধায়িনী কাৰ্যকলাপৰ সময়ত নিৰ্বাচিত বিষয়বস্তুৰ বিষয়ে তথ্য আহৰণ কৰাৰ বাবে কোৱা উচিত। যুৱ সংসদত ছাত্ৰীসকলক সম পৰিমাণে সুযোগ দিয়া উচিত।

### প্ৰশিক্ষণ

বিদ্যালয়ত যুৱ সংসদৰ দায়িত্বত থকা শিক্ষকগৰাকীয়ে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক পোণপ্ৰথমে সংসদৰ গঠন, ক্ষমতা আৰু কাম-কাজৰ বিষয়ে বুজাব। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক এই কিতাপখন অধ্যয়ন কৰিবলৈও কোৱা উচিত।

এই পৰ্যায়ত তেখেতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত চমু আলোচনাত মিলিত হৈ সংসদীয় কাৰ্য্যবিধিৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ বিষয়ে তেওঁলোকক অৱগত কৰিব পাৰে।

ইয়াৰ পিছত তেখেতে ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত এখন কাৰ্যক্ৰমণিকা বা কাম-কাজৰ তালিকা প্ৰস্তুত কৰা উচিত। এই তালিকাৰ বা কাৰ্যক্ৰমণিকাৰ প্ৰতিটো বিষয়ৰ বাবে বিশদভাৱে স্ক্ৰীপ্ত লিখি উলিওৱা উচিত।

যদিহে একে সময়তে ছাত্ৰ-ছাত্ৰীসকলক দায়িত্ব অৰ্পণ কৰা হয়, তেন্তে ই এনেধৰণৰ স্ক্ৰীপ্ত বিশদভাৱে প্ৰস্তুত কৰাত সহায় কৰিব। এটা বিশেষ দায়িত্ব প্ৰদান কৰা কোনো ছাত্ৰ-ছাত্ৰীক তেওঁৰ ভূমিকাৰ বাবে প্ৰয়োজনীয় স্ক্ৰীপ্তৰ প্ৰথম খচৰা প্ৰস্তুত কৰিবলৈ ক'ব পাৰি। এনে ক্ষেত্ৰত তেওঁক আন কেইজনমান ছাত্ৰ-ছাত্ৰীৰ সহায় বিচৰাৰ বাবে ক'ব পাৰি। শিক্ষকৰ লগত আলোচনা কৰি এই প্ৰথম খচৰাটো আৰু অধিক উন্নত কৰিব পাৰি।

### *চেক-লিষ্ট*

১। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক সংসদৰ গঠন, ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে বুজাই দিয়া হৈছে।

২। এই গ্ৰন্থখনৰ প্ৰতিলিপি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপলব্ধ কৰা হৈছে।

৩। কাৰ্যক্ৰমণিকাৰ তালিকা প্ৰস্তুত কৰা হৈছে।

কাৰ্যক্ৰমণিকাৰ তালিকা নিৰ্ধাৰণ হোৱাৰ পিছত তালিকাৰ প্ৰতিটো বিষয়বস্তুৰ বাবে প্ৰস্তুতি চলাব লাগিব। গতিকে এই ক্ষেত্ৰত প্ৰতিটো বিষয় সন্দৰ্ভত মানি চলিবলগীয়া সঠিক পদ্ধতিৰ সৈতে পৰিচিত হোৱাটো প্ৰয়োজনীয়।

যিহেতু যুৱ সংসদক আৰ্হি হিচাপে লোৱা হৈছে সেয়েহে কাৰ্যবিধিৰ ভাল দিশসমূহৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত। যুৱ সংসদ বৰ্তমানৰ বিধান মণ্ডলৰ ত্ৰুতিপূৰ্ণ সংস্কৰণ হোৱা উচিত নহয়। ইয়াৰ প্ৰতিও লক্ষ্য ৰখা উচিত যে যুৱ সংসদত হোৱা আলোচনা বিশৃংখলতা আৰু বিভ্ৰান্তিৰ পৰ্যায়লৈ অৱনমিত নহয়, যদিও বৰ্তমানৰ কিছুমান বিধান মণ্ডলত এয়া দৃষ্টিগোচৰ হয়। সেয়েহে কাৰ্যবিধিৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলক অশোভনীয় কাম-কাজ কৰাৰ পৰা বিৰত থাকিবলৈ উৎসাহিত কৰা উচিত।

অৱশ্যে ইয়াৰ ফলত সংসদীয় কাৰ্যক্ৰমণিকাত কেতবোৰ নাটকীয় উপাদান বা আকৰ্ষণীয় বৈশিষ্ট অনাত যুৱ সংসদ বাধা পাব নালাগে। তলত দিয়া উদাহৰণসমূহ ইয়াকে বুজাবলৈ উল্লেখ কৰা হৈছে যে কাৰ্যকলাপসমূহক অধিক চিত্তাকৰ্ষক আৰু আকৰ্ষণীয় কৰি তোলাৰ বাবে তলত উল্লেখ কৰা বৈশিষ্টসমূহ অন্তৰ্ভুক্ত কৰিব পাৰি।

১। প্ৰশ্নকালীন ঘণ্টাৰ সময়ছোৱাত এগৰাকী সদস্যই এটা পৰিপূৰক প্ৰশ্ন সোধাৰ সময়ত এক চমু বক্তৃতাৰে আৰম্ভণি কৰিলে। প্ৰশ্নকালীন ঘণ্টাৰ সময়ত মাত্ৰ প্ৰশ্ন সুধিব পাৰি আৰু আলোচনা সম্ভৱ নহয়- এই যুক্তি দৰ্শাই কেতবোৰ সদস্যই বক্তৃতাত বাধা প্ৰদান কৰিলে। অধ্যক্ষগৰাকীয়ে সদস্যগৰাকীক নিজৰ কথাখিনি প্ৰশ্ন আকাৰত সজাই আগবঢ়াবলৈ ক'লে। সদস্যগৰাকীয়ে সেই প্ৰস্তাৱ অনুসৰি কাম কৰিলে।
২। অধ্যক্ষৰ অনুমতি নোলোৱাকৈ কথা কৈ এগৰাকী সদস্যই বা আনে কথা কৈ থাকোতে বাধা প্ৰদান কৰি এগৰাকী সদস্যই কাৰ্যবিধি ভংগ কৰিলে। এই কথা আন সদস্যই বা অধ্যক্ষই নিজেই আঙুলিয়াই দিলে। তাৰ পিছত পৰিস্থিতিত শুধৰণি আহিল।
৩। কোনো আলোচনাৰ সময়ত কেতবোৰ সদস্যই কথা কোৱাৰ অনুমতি বিচাৰি নিজ নিজ হাত দাঙিলে। তেওঁলোকৰ মাজৰ এগৰাকী সদস্যই অভিযোগ কৰিলে যে সঘনাই হাত দাঙি অহাৰ পিছতো অধ্যক্ষই তেওঁৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। তাৰ পিছত অধ্যক্ষই তেওঁক কথা ক'বলৈ অনুমতি দিলে।
৪। সদনত তলত দিয়া কাৰ্যসমূহ কৰাৰ অনুমতি নাই।

(ক) বাহুত কোট ওলোমাই সদনত প্ৰৱেশ কৰা।
(খ) খোজ কঢ়াৰ বাবে ব্যৱহৃত লাখুটি সদনলৈ কঢ়িয়াই নিয়া।
(গ) অধ্যক্ষলৈ পিঠি দি বহা।
(ঘ) সদনৰ কাৰ্যকলাপৰ লগত প্ৰত্যক্ষভাৱে জড়িত নথকা বাতৰি কাকত, কিতাপ, সাময়িকী আদি পঢ়া।

কোনো সদস্যক এইবোৰৰ ভিতৰত এটা কাম কৰি দেখুৱাবলৈ ক'ব পাৰি। আন এগৰাকী সদস্যই এই কথা অধ্যক্ষক আঙুলিয়াই দিব আৰু অধ্যক্ষগৰাকীয়ে সংশ্লিষ্ট সদস্যগৰাকীক এই ভুল কাম বন্ধ কৰিবলৈ ক'ব, যিটো সদস্যগৰাকীয়ে পালন কৰিব।

আগতীয়াকৈ কৰা বিশদ প্ৰস্তুতি আৰু স্বতঃস্ফূৰ্ত সাৱলীলতাৰ এক সুষম মিশ্ৰণ গ্ৰহণ কৰাই উৎকৃষ্ট। অৱশ্যে কিমানখিনি স্বতঃস্ফূৰ্ততাক স্থান দিয়া হ'ব সেয়া যুৱ সংসদৰ ভাৰপ্ৰাপ্ত শিক্ষকৰ বিবেচনাৰ ওপৰত নিৰ্ভৰশীল হোৱা উচিত। এয়া দেখা যায় যে প্ৰাথমিক পৰ্যায়ত বিশদ স্ক্ৰীপ্তৰ সৈতে এখন ৰাজনৈতিক নাটকৰ ৰূপত অধিৱেশন অনুষ্ঠিত কৰিয়েই যুৱ সংসদ সন্তুষ্ট হোৱা উচিত আৰু আপাততঃ স্বতঃস্ফূৰ্ততাক লৈ চিন্তিত হোৱা উচিত নহয়। সংসদীয় কাৰ্যকলাপ সম্পৰ্কে ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ে বহু বছৰ ধৰি অভিজ্ঞতা আৰু অন্তৰ্দৃষ্টি অৰ্জন কৰাৰ পিছত তেওঁলোকে উদ্ভাৱনীমূলক হোৱাৰ বাবে অধিক স্বাধীনতা লোৱাৰ কথা ভাবিব পাৰে। কিন্তু আকৌ ইয়াৰ প্ৰতিও লক্ষ্য ৰখা উচিত যে এই স্বাধীনতাৰ ফলস্বৰূপে বিশৃংখলতাৰ সৃষ্টি নহয় আৰু আলোচনাৰ মান নিম্নগামী নহয়।

সংসদীয় কাৰ্যক্ৰমণিকা বহুতো বিষয় আছে যিবোৰ লোকসভাই আলোচনা আৰু সিদ্ধান্তৰ বাবে গ্ৰহণ কৰে। এই কাৰ্যক্ৰমণিকাসমূহ সাধাৰণতে যি ক্ৰমত সজাই লোৱা হয় সেয়া হ'ল :

১। শপত বা পণ।

২। সংসদৰ উভয় সদনৰ বাবে ৰাষ্ট্ৰপতিৰ ভাষণ টেবুলত ৰখা হ'ব।
৩। শোকবাৰ্তাৰ উল্লেখ।
৪। প্ৰশ্ন (চমু জাননীৰ প্ৰশ্নকে সামৰি)।
৫। ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত ধন্যবাদসূচক ভোট।
৬। সদনৰ কাৰ্যকলাপ স্থগিত ৰখাৰ প্ৰস্তাৱ আগবঢ়াবলৈ অনুমতি।
৭। বিশেষাধিকাৰ ভংগৰ সৈতে জড়িত প্ৰশ্ন।
৮। মেজত থৈ দিবলগীয়া কাগজ।
৯। ৰাষ্ট্ৰপতিৰ পৰা পোৱা বাৰ্তা সৰবৰাহ।
১০। ৰাজ্য পৰিষদ (ৰাজ্যসভা)ৰ পৰা পোৱা বাৰ্তা সৰবৰাহ।
১১। বিধেয়কসমূহত ৰাষ্ট্ৰপতিৰ সন্মতি সম্পৰ্কে অৱগতকৰণ।
১২। সদনৰ সদস্যক গ্ৰেপ্তাৰ বা আটক বা মুকলি কৰি দিয়া সন্দৰ্ভত দণ্ডাধীশ বা অন্যান্য কৰ্তৃপক্ষৰ পৰা যোগাযোগ।
১৩। দৃষ্টি আকৰ্ষণ জাননী।
১৪। সদনৰ বৈঠকৰ পৰা সদস্যসকলৰ ছুটী সম্পৰ্কে অধ্যক্ষৰ ঘোষণা।
১৫। বিভিন্ন বিষয়, যেনে- সদনৰ সদস্যৰ পদত্যাগ, অধ্যক্ষ, সমিতিৰ পেনেললৈ মনোনয়ন আদি সন্দৰ্ভত অধ্যক্ষৰ ঘোষণা।
১৬। অধ্যক্ষৰ ৰায়দান।
১৭। সমিতিৰ প্ৰতিবেদন দাখিল।
১৮। বিধেয়কৰ ওপৰত বাছনি/যুটীয়া সমিতিৰ সন্মুখত প্ৰমাণ দাখিল।
১৯। আবেদন দাখিল।
২০। মন্ত্ৰীসকলৰ বক্তব্য।
২১। পদত্যাগৰ ব্যাখ্যা দিয়া প্ৰাক্তন মন্ত্ৰীসকলৰ ব্যক্তিগত বক্তব্য।
২২। নিৰ্দেশনা ১১৫ৰ অধীনত বিবৃতি।
২৩। বিধি ৩৫৭ৰ অধীনত ব্যক্তিগত ব্যাখ্যা (যদি বিতৰ্কৰ সময়ত কৰা নহয়)।
২৪। সমিতিলৈ নিৰ্বাচনৰ বাবে প্ৰস্তাৱ।
২৫। বিধেয়কৰ ওপৰত বাছনি/যুটীয়া সমিতিৰ প্ৰতিবেদন দাখিলৰ সময়সীমা বৃদ্ধিৰ প্ৰস্তাৱ।
২৬। বিজনেছ এডভাইজৰী সমিতিৰ প্ৰতিবেদন গ্ৰহণৰ প্ৰস্তাৱ।
২৭। অধ্যক্ষ/উপাধ্যক্ষক আঁতৰোৱাৰ বাবে ৰিজ'লুশ্যন দাখিলৰ বাবে অনুমতিৰ প্ৰস্তাৱ।
২৮। মন্ত্ৰী পৰিষদত অনাস্থা প্ৰস্তাৱ কৰাৰ বাবে অনুমতিৰ প্ৰস্তাৱ।
২৯। প্ৰত্যাহাৰ কৰিবলগীয়া বিধেয়ক।
৩০। উত্থাপন কৰিবলগীয়া বিধেয়ক।
৩১। ব্যক্তিগত সদস্যৰ বিধেয়কৰ উত্থাপন।
৩২। ব্যক্তিগত সদস্যৰ বিধেয়ক সম্পৰ্কে বিবেচনা।
৩৩। অধ্যাদেশৰ জৰিয়তে তাৎক্ষণিকভাৱে আইন প্ৰণয়নৰ কাৰণ উল্লেখ কৰি দাখিল কৰা ব্যাখ্যামূলক বিবৃতি।
৩৪। বিধি ৩৭৭ৰ অধীনত যিবোৰ পইণ্ট অব অৰ্ডাৰ নহয় তেনেকুৱা বিষয়সমূহ উত্থাপন কৰা।
৩৫। বিশেষাধিকাৰ সমিতিৰ প্ৰতিবেদন বিবেচনা কৰা।

এয়া প্ৰয়োজনীয় নহয় যে সকলো বিষয়বস্তু একেটা বৈঠকতে আলোচনাৰ বাবে উত্থাপিত হ'ব। ওপৰৰ তালিকাখন কাৰ্যক্ৰমনিকাৰ বিভিন্ন বিষয়বস্তু শৃংখলাবদ্ধ কৰাৰ বাবে নিৰ্দেশনাহে মাত্ৰ। যুৱ সংসদে নিজ কাৰ্যক্ৰমণিকাত কেইটামান গুৰুত্বপূৰ্ণ বিষয় বাছনি কৰিব লাগে যিবোৰ এঘণ্টাৰ সময়সীমাৰ ভিতৰত নিষ্পত্তি কৰিব পৰা যায়।

এই গ্ৰন্থখনত তলত দিয়া বিষয়সমূহ সম্পৰ্কে বিশদ পদ্ধতিৰ উল্লেখ কৰা হৈছে আৰু সেয়েহে যুৱ সংসদে এই তালিকাৰ পৰা নিজ কাৰ্যক্ৰমণিকাৰ বিষয়সমূহ নিৰ্বাচন কৰিব পাৰে।

১। শপত বা পণ।
২। শোকবাৰ্তাৰ উল্লেখ।

৩। প্ৰশ্ন।
৪। মেজত থৈ দিবলগীয়া কাগজ-পাতি।
৫। দৃষ্টি আকৰ্ষণ জাননী।
৬। স্থগিত ৰখাৰ প্ৰস্তাৱ।
৭। বিশেষাধিকাৰ ভংগ আহ্বান কৰা প্ৰশ্ন।
৮। মন্ত্ৰী পৰিষদত অনাস্থাৰ প্ৰস্তাৱ দিবলৈ অনুমতিৰ প্ৰস্তাৱ।
৯। কম সময়ৰ বাবে জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা।
১০। উত্থাপন হ'বলগীয়া বিধেয়ক -বিধায়িনী কাৰ্যক্ৰমণিকা।
১১। ব্যক্তিগত সদস্যৰ প্ৰস্তাৱ।

# অধ্যায়-৫

# যুৱ সংসদ পৰিচালনাৰ পদ্ধতি -প্ৰথম খণ্ড

**আসনৰ ব্যৱস্থা**

লোকসভাৰ কক্ষটো এক অৰ্ধবৃত্তাকাৰ প্ৰেক্ষাগৃহ, য'ত অৰ্ধবৃত্তটোৰ দুয়োটা মূৰ সংযোগী ব্যাসৰ কেন্দ্ৰভাগত অৱস্থিত এক সহজতে দৃষ্টিগোচৰ হোৱা ওখ স্থানৰ ওপৰত থকা চকীত অধ্যক্ষগৰাকীয়ে আসন গ্ৰহণ কৰে। অধ্যক্ষগৰাকীৰ বক্তৃতা মঞ্চৰ সন্মুখত এক বিভাজন ক্ষেত্ৰ থাকে। সদস্যসকলৰ বাবে আসনসমূহ ঘোঁৰাৰ নালৰ আকৃতিত সজোৱা হয়। মঞ্চৰ বাওঁফালে বিৰোধীৰ আসন আৰু সোঁফালে কোষাগাৰ (চৰকাৰ)ৰ আসনসমূহ ৰখা হয়।

যুৱ সংসদৰ কক্ষৰ বিন্যাস যিমান দূৰ সম্ভৱ লোকসভাৰ কক্ষৰ বিন্যাসৰ সৈতে একেই হোৱা উচিত। আসনৰ ব্যৱস্থাৰ সৈতে এই বিন্যাস চিত্ৰত উপস্থাপন কৰা হৈছে।

অধ্যক্ষৰ চকীখন এক উচ্চ বক্তৃতা-মঞ্চত ৰখা হয়। প্ৰধানমন্ত্ৰীগৰাকীৰ বাবে অধ্যক্ষৰ সোঁফালে প্ৰথমখন আসনৰ ব্যৱস্থা কৰা হয়। অন্যান্য মন্ত্ৰীসকলক জ্যেষ্ঠতাৰ ক্ৰমত প্ৰধানমন্ত্ৰীৰ কাষত বহিবলৈ দিয়া হয়।

অধ্যক্ষৰ আসনৰ ঠিক তলত সংসদৰ সচিব প্ৰধানগৰাকীৰ আসন। সদনৰ অন্যান্য বিষয়া, অফিচিয়েল ৰিপ'ৰ্টাৰ আদিও একেখন মেজতে বহে। মাৰ্শ্বাল বাওঁফালে অধ্যক্ষৰ পিছফালে চকী এখনত বহিব লাগে।

অধ্যক্ষৰ আসনৰ পিছফালে থকা দেৱালত ৰাষ্ট্ৰীয় প্ৰতীক প্ৰদৰ্শিত কৰিব পাৰি।

কূটনীতিবিদ আৰু বিশিষ্ট দৰ্শনাৰ্থীসকলৰ বাবে দৰ্শনাৰ্থী গেলেৰীত পৰ্যাপ্ত সংখ্যক আসনৰ ব্যৱস্থা কৰিব পাৰি। 'প্ৰেছ'ৰ বাবে এটা সুকীয়া গেলেৰী নিৰ্ধাৰণ কৰিব পাৰি।

অধ্যক্ষ, প্ৰধানমন্ত্ৰী আৰু প্ৰশ্নৰ উত্তৰ দিয়া বা বক্তৃতা দিবলৈ সাজু অন্যান্য মন্ত্ৰীসকল আৰু বিৰোধী পক্ষৰ নেতাৰ প্লেকাৰ্ড প্ৰস্তুত কৰি তেওঁলোকৰ নিজ নিজ আসনৰ সন্মুখত ৰখা উচিত। বাস্তৱিকেই হওক বা কাল্পনিক, কোনো বিশেষ ৰাজনৈতিক দলৰ নাম প্ৰদৰ্শন কৰা প্লেকাৰ্ড প্ৰদৰ্শণ কৰা উচিত নহয়।

যদি লাউডস্পীকাৰৰ ব্যৱস্থা কৰা হয় তেন্তে প্ৰয়োজনীয় সংখ্যক মাইক্ৰ'ফোন ৰখাও নিশ্চিত কৰিব লাগে। ৯ টা মাইক্ৰ'ফোন অধ্যক্ষৰ বাবে, ৪ টা ট্ৰেজাৰী বেঞ্চৰ বাবে আৰু ৪ টা মাইক্ৰ'ফোন বিৰোধীৰ বাবে ৰখা উচিত।

যুৱ সংসদত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ স্বাভাৱিক সাজ-পোছাকত আহিব পাৰে। যদি ভিন ভিন সাজ-পোছাকৰ পৰিকল্পনা কৰা হয় তেন্তে সাৱধান হ'ব লাগে যাতে ই ভেঙুচাৰিৰ ৰূপ নাপায়। যুৱ সংসদত সদনৰ কাৰ্যক্ৰমণিকা আৰু বিতৰ্কৰ বিষয়বস্তু আৰু মাণদণ্ডৰ ওপৰত কথনভংগীৰ উদ্দেশ্য কেন্দ্ৰীভূত হ'ব লাগে, অনুকৰণ আৰু ভেঙুচালিৰ ওপৰত নহয়।

**সদনৰ আনুষ্ঠানিক বৈঠক**

সদনৰ আনুষ্ঠানিক বৈঠক আৰম্ভ হোৱাৰ আগতে সদস্যসকলে নিজৰ আসন দখল কৰি অধ্যক্ষ সদনলৈ অহালৈ অপেক্ষা কৰে। এয়া পৰ্যবেক্ষণ কৰিব পাৰি যে এই সময়ৰ পৰিৱেশটো অনানুষ্ঠানিক। সদস্যসকলে ইজনে সিজনৰ লগত কথা পাতে, শুভেচ্ছা জনায় আৰু ৰসিকতা কৰে। অধ্যক্ষৰ আগমনৰ পূৰ্বে যুৱ সংসদতো এনেকুৱা এক অনানুষ্ঠানিক পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়াস কৰা উচিত।

অধ্যক্ষৰ আগমনৰ পূৰ্বে মাৰ্শ্বালে এক আনুষ্ঠানিক ঘোষণাৰে অধ্যক্ষৰ আগমনৰ বিষয়ে ঘোষণা কৰে। (সদনৰ সম্পূৰ্ণ বৈঠকত মাৰ্শ্বালগৰাকী থিয় হৈ থাকে।) ঘোষণাৰ পূৰ্বে তেওঁ সদনত কোৰাম থকাটো নিশ্চিত কৰে আৰু তাৰ পিছত ঘোষণা কৰে: "মাননীয় সদস্যসকল, মাননীয়

অধ্যক্ষ”। অধ্যক্ষই নিজ চকীলৈ গৈ উপৱিষ্ট হোৱালৈকে সদস্যসকল থিয় হৈ থাকে আৰু তেখেত বহাৰ পিছত সদস্যসকলে মূৰ তল কৰি সদনলৈ সন্মান প্ৰদৰ্শণ কৰি নিজ নিজ আসন গ্ৰহণ কৰে। নিজ আসন গ্ৰহণ কৰাৰ পূৰ্বে অধ্যক্ষগৰাকীয়ে প্ৰথমে বিৰোধী দলৰ সদস্যসকলক সন্মান জনায় আৰু তাৰ পিছত ট্ৰেজাৰী বেঞ্চৰ সদস্যসকলেও অধ্যক্ষৰ সন্মুখত মূৰ দোৱাই সন্মান জনায়।

*চেক-লিষ্ট*

১। কি ঘোষণা কৰিব লাগে এই বিষয়ে মাৰ্শ্বাল জ্ঞাত।

২। সদস্যসকল জ্ঞাত যে অধ্যক্ষই নিজ আসন লোৱালৈকে তেওঁলোকে থিয় দি থাকিব লাগিব।

**শপত বা পণ**

সদনৰ বৈঠক আৰম্ভ হোৱাৰ সময়ত সদনলৈ নতুনকৈ নিৰ্বাচিত হোৱা সদস্যই শপত বা পণ গ্ৰহণ কৰিব লাগিব। এই শপত বা পণৰ নিৰ্ধাৰিত ৰূপ হ’ল -

"মই ........, (যুৱ সংসদ) লোকসভালৈ নিৰ্বাচিত (বা মনোনীত) হোৱাৰ পিছত ঈশ্বৰৰ নামত শপত লৈ/ সত্য নিষ্ঠাৰে সৈতে দৃঢ়তাৰে জনাওঁ যে মই বিধিৰ দ্বাৰা প্ৰতিষ্ঠিত ভাৰতৰ সংবিধানৰ প্ৰতি বিশ্বাস ৰাখিম আৰু অনুগত থাকিম, যে মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাক ৰক্ষা কৰিম আৰু যি কৰ্তব্যত নিয়োজিত হ’বলৈ ওলাইছো, সেই কৰ্তব্য মই নিষ্ঠাৰে পালন কৰিম।”

সদস্যজনে ইংৰাজী বা সংবিধানৰ অষ্টম অনুসূচীত উল্লেখ কৰা যিকোনো ভাষাত শপত বা পণ ল’ব। শপত লোৱাৰ আগতে সদস্যগৰাকীয়ে ৰিটাৰ্নিং অফিচাৰে তেওঁক প্ৰদান কৰা নিৰ্বাচনৰ প্ৰমাণ-পত্ৰ লগত লৈ আহিব লাগে।

অধ্যক্ষই দিনটোৰ প্ৰথম বিষয়বস্তু হিচাপে নতুন সদস্যসকলৰ শপত বা পণ লোৱাৰ কথা ঘোষণা কৰে। তাৰ পিছত সচিব প্ৰধানে শপত বা পণ লোৱাৰ বাবে এজন এজনকৈ নৱনিৰ্বাচিত সদস্যসকলৰ নাম মাতে। সদস্যজনে নিজ স্থানৰ পৰা সচিব প্ৰধানৰ টেবুলৰ সোঁফাললৈ আগবাঢ়ি যায় আৰু তেওঁক নিৰ্বাচনৰ প্ৰমাণ-পত্ৰ দাখিল কৰে। তাৰ পিছত নিৰ্বাচিত সদস্যৰ হাতত শপত বা পণৰ এখন প্ৰ-পত্ৰ গতাই দিয়া হয়। সচিব প্ৰধানে সদস্যজনক সোধে যে তেওঁ শপত বা পণ ল’ব বিচাৰে নে আৰু কোনটো ভাষাত ল’ব বিচাৰে। শপত বা পণ লোৱাৰ সময়ত সদস্যজনে অধ্যক্ষৰ ফালে মুখ দি থাকিব লাগে। শপত বা পণ লোৱাৰ পিছত তেওঁ অধ্যক্ষক কৰমৰ্দন কৰে বা শুভেচ্ছা জনায়। কৰমৰ্দন কৰা/শুভেচ্ছা জনোৱা বা জনোৱা ইচ্ছা প্ৰকাশ কৰাৰ সময়ত সদস্যসকলে সাধাৰণতে মেজত জোৰে জোৰে থপৰিয়ায়। অধ্যক্ষক শুভেচ্ছা জনোৱাৰ পিছত সদস্যজনে অধ্যক্ষৰ পিছফালেৰে পাৰ হৈ সচিব প্ৰধানৰ টেবুলৰ সিটো পাৰে গৈ সদস্য তালিকাত স্বাক্ষৰ কৰে। তাৰ পিছত সদস্য/সদস্যাগৰাকীয়ে সদনত নিজৰ আসন গ্ৰহণ কৰে।

*চেক-লিষ্ট*

১। সদস্যজনে যি ভাষাত শপত ল’ব বিচাৰে সেই ভাষাত শপত বা পণৰ প্ৰ-পত্ৰৰ টাইপ কৰা প্ৰতিলিপি সাজু আছে।

২। তেওঁ কি ক’ব লাগে এই বিষয়ে অধ্যক্ষ জ্ঞাত।

৩। প্ৰধান সম্পাদকক গতাই দিবলগীয়া নিৰ্বাচনৰ প্ৰমাণ-পত্ৰৰ টাইপ কৰা প্ৰতিলিপি সাজু আছে।

৪। তেওঁ কি কৰিব লাগে নৱনিৰ্বাচিত সদস্যগৰাকী এই বিষয়ে জ্ঞাত:

(ক) প্ৰথমে সদস্য/সদস্যাগৰাকীয়ে মহাসচিবৰ টেবুলৰ সোঁফালে যাব লাগে।

(খ) শপত বা পণ লোৱাৰ সময়ত তেওঁ অধ্যক্ষৰ ফালে মুখ দি থাকিব লাগে।

(গ) শপত বা পণ লোৱাৰ পিছত তেওঁ অধ্যক্ষৰ সৈতে কৰমৰ্দন কৰিব লাগে (বা তাৰ ইচ্ছা প্ৰকাশ কৰিব লাগে)।

## মৃত্যু বাৰ্তাৰ উল্লেখ

সদনৰ কোনো মৃত সদস্য বা ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট ব্যক্তিৰ মৃত্যু বাৰ্তা সদনত উল্লেখ কৰিব পাৰি। অধ্যক্ষ/অধ্যক্ষাই নিজৰ আসনৰ পৰা উঠি মৃত ব্যক্তিগৰাকীৰ দুখজনক মৃত্যুৰ কথা ঘোষণা কৰে। ইয়াৰ পিছত প্ৰধানমন্ত্ৰীয়ে অধ্যক্ষই প্ৰকাশ কৰা একেই মনোবেদনাৰে শ্ৰদ্ধাঞ্জলি আগবঢ়ায়। একেদৰে, সকলো বিশিষ্ট দল-গোটৰ নেতাই প্ৰধানমন্ত্ৰীক অনুসৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অৱশ্যে সদনৰ এগৰাকী প্ৰাক্তন সদস্যৰ মৃত্যুৰ ক্ষেত্ৰত এতিয়া প্ৰচলিত সাধাৰণ প্ৰথাটো হ'ল যে কেৱল অধ্যক্ষইহে তেখেতৰ মৃত্যু বাৰ্তা উল্লেখ কৰে।

ইয়াৰ পিছত সদনে থিয় হৈ বিদেহ আত্মাৰ প্ৰতি সন্মানৰ চিন হিচাপে দুই মিনিটৰ মৌনতা পালন কৰে। ইয়াৰ পিছতে অধ্যক্ষই সচিবপ্ৰধানক শোকসন্তপ্ত পৰিয়ালটোক সদনৰ সমবেদনা জ্ঞাপন কৰাৰ নিৰ্দেশ দিয়ে।

*চেক-লিষ্ট*

১। অধ্যক্ষই জানে যে তেওঁ কি ক'ব লাগিব।

২। প্ৰধানমন্ত্ৰী আৰু অন্যান্যই দিবলগীয়া বিবৃতি তথা শ্ৰদ্ধাঞ্জলিৰ টাইপ কৰা কপি সাজু কৰি ৰখা হয়।

৩। সদনে দুই মিনিটৰ মৌনতা পালন কৰে।

## প্ৰশ্নকাল

প্ৰশ্নটোক এনে এক আহিলা হিচাপে সংজ্ঞায়িত কৰা হৈছে যাৰ দ্বাৰা এজন সদস্যই ৰাজহুৱা গুৰুত্বপূৰ্ণ যিকোনো বিষয়ৰ তথ্য আহৰণ কৰিব পাৰে। অধিৱেশনৰ এই সময়ছোৱা সাধাৰণতে তৰা চিহ্নযুক্ত প্ৰশ্ন হিচাপে জনাজাত, মৌখিক প্ৰশ্নৰ বাবে আছুতীয়াকৈ ৰখা হয়। সেয়েহে যুৱ সংসদৰ কাৰ্যসূচীৰ আটাইতকৈ জনপ্ৰিয় বিষয় হৈ পৰিছে প্ৰশ্নকাল। কেৱল সদনৰ সদস্যসকলৰ বাবেই নহয়, দৰ্শকৰ বাবেও ই আটাইতকৈ আকৰ্ষণীয় বিষয়। এই প্ৰশ্নকালৰ সময়ছোৱা আকৰ্ষণীয় আৰু তথ্যসমৃদ্ধ কৰি তুলিবলৈ ভাৰপ্ৰাপ্ত শিক্ষক আৰু অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা এক ব্যাপক আগতীয়া প্ৰস্তুতিৰ আহ্বান জনোৱা হৈছে।

কাৰ্যসূচীৰ এই বিষয়টোৰ বাবে যুৱ সংসদে প্ৰায় দহ মিনিট সময় উচৰ্গা কৰিব পাৰে।

ইয়াত দুই ধৰণৰ প্ৰশ্ন আছে- তৰা চিহ্নযুক্ত প্ৰশ্ন আৰু তৰা চিহ্নবিহীন প্ৰশ্ন। যিজন সদস্যই নিজৰ প্ৰশ্নৰ মৌখিক উত্তৰ বিচাৰে ইয়াক তাৰকা চিহ্নৰে পৃথক কৰে। তৰা চিহ্নযুক্ত প্ৰশ্নবোৰ হ'ল সেইবোৰ প্ৰশ্ন যিবোৰৰ উত্তৰ মৌখিকভাৱে দিয়াটো বাঞ্ছনীয়। তৰা চিহ্নবিহীন প্ৰশ্নবোৰ লিখিত উত্তৰৰ বাবে সদনৰ টেবুলত ৰখা হয়।

যিকোনো সদস্যই অধ্যক্ষৰ অনুমতি সাপেক্ষে যিকোনো বিষয়ৰ বিষয়ে অধিক তথ্য স্পষ্ট কৰাৰ উদ্দেশ্যে পৰিপূৰক প্ৰশ্ন উত্থাপন কৰিব পাৰে, যাৰ সন্দৰ্ভত এটা উত্তৰ দিয়া হৈছে আৰু যদিহে সদস্যজনে উত্তৰটোক সম্পূৰ্ণ বুলি নাভাবে।

কিন্তু যুৱ সংসদত কেৱল তৰা চিহ্নযুক্ত প্ৰশ্ন আৰু তেওঁলোকৰ পৰিপূৰক প্ৰশ্নসমূহ অন্তৰ্ভুক্ত কৰিব লাগে। প্ৰশ্নকালৰ বিষয়টো এনেকুৱা যে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আৰু জড়িত হোৱাটো নিশ্চিত কৰিব পৰা যায়।

প্ৰশ্নৰ বিষয়বস্তু হ'ব পাৰে সাধাৰণ নাগৰিকে সন্মুখীন হোৱা দৈনন্দিন সমস্যা। সাম্প্ৰতিক সময়ৰ বিষয়বস্তু যেনে মূল্যবৃদ্ধি, অপৰাধ বৃদ্ধি, আইন-শৃংখলা, বানপানী, দুৰ্ভিক্ষ, নিয়োগ, অনুশাসন, পাঠ্যপুথি আৰু পাঠ্যক্ৰম সম্বন্ধীয় ছাত্ৰ-ছাত্ৰীৰ সমস্যা আদিৰ বিষয়েও প্ৰশ্নৰ বাবে এক আকৰ্ষণীয় বিষয়বস্তু গঠন কৰিব পাৰে। প্ৰশ্নবোৰে আমাৰ জাতীয় জীৱনৰ যিকোনো দিশৰ লগতে

আন দেশৰ সৈতে আমাৰ সম্পৰ্ককো সামৰি ল'ব পাৰে। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে লোকসভা আৰু ৰাজ্যসভাৰ অধিৰেশনৰ সময়ত হোৱা বিতৰ্ক প্ৰকাশ কৰা দৈনিক বাতৰি কাকত অধ্যয়ন কৰি তেওঁলোকৰ প্ৰশ্নৰ বাবে প্ৰাসংগিক বিষয় বিচাৰিব লাগে বুলি পৰামৰ্শ দিয়া হৈছে।

প্ৰতিজন সদস্যৰ প্ৰশ্ন কৰাৰ এটা অধিকাৰ থাকে। প্ৰশ্নটোত উল্লেখ কৰা উচিত (ক) যিগৰাকী মন্ত্ৰীক প্ৰশ্নটো সম্বোধন কৰা হৈছে তেওঁৰ চৰকাৰী পদবী। আৰু (খ) যি তাৰিখত প্ৰশ্নটোক উত্তৰৰ বাবে প্ৰশ্নৰ তালিকাত স্থান দিবলৈ প্ৰস্তাৱ কৰা হৈছে।

প্ৰশ্নসমূহ 'প্ৰশ্নৰ তালিকা'ত ছপা বা চাইক্ল'ষ্টাইল কৰিব লাগে। অধ্যক্ষই যিজন সদস্যৰ নামত প্ৰশ্নটো উত্থাপন হৈছে তেওঁৰ নাম মাতিব। সদস্যজনে নিজৰ ঠাইত উঠি তেওঁৰ নামৰ বিপৰীতে প্ৰশ্ন তালিকাত উল্লেখ কৰা প্ৰশ্নটো উত্থাপন কৰে। যদিও লোকসভাত সদস্যজনে ইয়াৰ নম্বৰ উল্লেখ কৰি প্ৰশ্নটো কৰে, যুৱ সংসদত সদস্যজনে সমগ্ৰ প্ৰশ্নটো পঢ়িব লাগে যাতে দৰ্শকে প্ৰশ্নবোৰৰ বিষয়বস্তু জানিব পাৰে। ইয়াৰ পিছত অধ্যক্ষই সংশ্লিষ্ট মন্ত্ৰীক প্ৰশ্নৰ উত্তৰ দিবলৈ কয়। তাৰ পিছত মন্ত্ৰীগৰাকীয়ে থিয় হৈ প্ৰশ্নৰ উত্তৰ দিয়ে। কিন্তু মন্ত্ৰীয়ে দিয়া উত্তৰ সম্পৰ্কীয় যিকোনো তথ্য অধিক স্পষ্ট কৰিবলৈ অধ্যক্ষৰ অনুমতি সাপেক্ষে সদস্যগৰাকীয়ে পৰিপূৰক প্ৰশ্ন সুধিব পাৰে। আন সদস্যসকলেও এটা পৰিপূৰক প্ৰশ্ন কৰিব পাৰে। এইটো মনত ৰখা উচিত যে মন্ত্ৰীগৰাকীয়ে দিয়া উত্তৰ সন্দৰ্ভত কোনো আলোচনা নহ'ব।

প্ৰশ্ন কৰাৰ অধিকাৰ তলত দিয়া চৰ্তসমূহৰ দ্বাৰা পৰিচালিত হয় :

(i) প্ৰশ্নটোক বুজিব পৰা কৰি তুলিবলৈ প্ৰয়োজনীয় নহোৱা কোনো নাম প্ৰশ্নটোৱে আনিব নালাগে।

(ii) ইয়াত যুক্তি, বিদ্ৰুপমূলক প্ৰকাশ আৰু মানহানিকাৰক বক্তব্য নাথাকিব।

(iii) ইয়াত মতামত প্ৰকাশ বা ভাবমূলক আইনী প্ৰশ্নৰ সমাধান বিচৰা নহ'ব।

(iv) ইয়াৰ চৰকাৰী ক্ষমতাৰ বাহিৰে কোনো ব্যক্তিগত চৰিত্ৰ বা আচৰণৰ বিষয়ে সোধা নহ'ব।

(v) সাধাৰণতে ১৫০ শব্দতকৈ বেছি হ'ব নালাগে।

(vi) প্ৰধানকৈ ভাৰত চৰকাৰৰ চিন্তাৰ বিষয় নোহোৱা বিষয়ৰ লগত ইয়াৰ সম্পৰ্ক নাথাকিব।

(vii) ইয়াত সাধাৰণ কাম অথবা ইয়াৰ প্ৰসংগত তথ্য বিচাৰিব নোৱাৰিব।

(viii) ইয়াত বন্ধুত্বপূৰ্ণ বহিঃৰাষ্ট্ৰক অমাৰ্জিতভাৱে উল্লেখ কৰিব নোৱাৰিব।

(x) আদালতৰ সন্মুখত বিচাৰাধীন হৈ থকা কোনো বিষয়ৰ তথ্য বিচাৰিব নোৱাৰিব।

চেক লিষ্ট

১। প্ৰশ্নৰ তালিকাখন প্ৰমাণিত বা চাইক্ল'ষ্টাইল কৰা হৈছে।

২। সংশ্লিষ্ট মন্ত্ৰীসকলৰ লগত উত্তৰ সাজু থাকে।

৩। যিসকল সদস্যই প্ৰশ্ন কৰিব লাগে, তেওঁলোকৰ লগত তেওঁলোকৰ প্ৰশ্নৰ প্ৰতিলিপি সাজু কৰি ৰাখে।

৪। যদি পৰিপূৰক প্ৰশ্নসমূহ এনেদৰে সোধা হয়, তেন্তে ইয়াৰ প্ৰতিলিপি আৰু এই পৰিপূৰক প্ৰশ্নসমূহৰ উত্তৰো সদস্য আৰু সংশ্লিষ্ট মন্ত্ৰালয়সমূহৰ সৈতে সাজু হৈ থাকে।

৫। অধ্যক্ষৰ লগত প্ৰশ্ন আৰু পৰিপূৰক প্ৰশ্নৰ তালিকা থাকে।

প্ৰশ্নৰ কেইটামান উদাহৰণ তলত দিয়া হ'ল :-

*৫০১ শ্ৰী গিৰীশ চন্দ্ৰ

মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে :

(ক) যোৱা বছৰৰ তুলনাত এই বছৰ ছপা কাগজৰ দাম ৫০% বৃদ্ধি পোৱাটো সত্য নেকি?

(খ) ইয়াৰ ফলত স্কুলৰ কিতাপৰ দামো যথেষ্ট বৃদ্ধি পাইছে নেকি? আৰু

(গ) এই পৰিস্থিতিৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কিছুমান পদক্ষেপ লোৱাৰ প্ৰস্তাৱ দিছে নেকি, আৰু যদি দিছে তেন্তে ইয়াৰ সবিশেষ।

*৫০২ শ্ৰী কে.আৰ. শ্ৰীৰাম

মাননীয় ৱৰ্কছ আৰু হাউচিং মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে :

(ক) ৰাজধানীক কেনেকৈ একেলগে কেইবাদিনো ধৰি পানী নোহোৱাকৈ থাকিবলৈ দিয়া হ'ল?

(খ) ধৰ্মঘটকাৰী শ্ৰমিক সংঘৰ কূটাঘাত কাৰ্য আছিল নেকি? আৰু

(গ) যদি হয়, তেন্তে চৰকাৰে কি ব্যৱস্থা ল'বলৈ প্ৰস্তাৱ লৈছে?

৫০১ নং প্ৰশ্নৰ উত্তৰ তলত দিয়া ধৰণৰ হ'ব পাৰে।

(ক) হয় ছাৰ,

(খ) হয় ছাৰ,

(গ) ছপা কাগজৰ মূল্য নিয়ন্ত্ৰণৰ বাবে চৰকাৰে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিছে। স্কুলৰ কিতাপৰ ওপৰত ছপা কাগজৰ মূল্যবৃদ্ধিৰ প্ৰভাৱ কমোৱাৰ বাবেও আমি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছো।

পৰিপূৰক প্ৰশ্ন

মৌখিক উত্তৰৰ বাবে প্ৰশ্নৰ তালিকাখন ছপা বা চাইক্লোষ্টাইল কৰা হ'ব লাগিব, পৰিশিষ্ট IV ত দিয়া হৈছে।

# পৰিশিষ্ট IV

## কাৰ্যসূচীৰ তালিকা আৰু প্ৰশ্নৰ তালিকা

## মৌখিক উত্তৰৰ বাবে

## যুৱ সংসদ

## XYZ বিদ্যালয়, গুৱাহাটী - ০১

## কাৰ্যসূচীৰ তালিকা

**তাৰিখ ...................................., ২০২৪**

## শপত বা প্ৰতিজ্ঞা

১। নৱনিৰ্বাচিত সদস্যসকলে সংবিধানৰ প্ৰতি নিৰ্ধাৰিত শপত বা আনুগত্যৰ প্ৰতিশ্ৰুতি দিয়া আৰু সদনত আসন গ্ৰহণ কৰা।

## শ্ৰদ্ধাৰ্ঘ্য

২। যুৱ সংসদৰ প্ৰাক্তন সদস্য শ্ৰী ৰাম মোহনৰ মৃত্যুত শ্ৰদ্ধাৰ্ঘ্য।

## প্ৰশ্ন

৩। সুকীয়া তালিকাত থকা প্ৰশ্নবোৰ সুধি উত্তৰ দিব লাগে।

## টেবুলত থৈ দিবলগীয়া কাগজ

৪। শ্ৰী অজয় গুপ্তা ("তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী")ই আকাশবাণী আৰু দূৰদৰ্শনৰ ৱৰ্কিং গ্ৰুপ অন অটোন'মিৰ প্ৰতিবেদন (হিন্দী আৰু ইংৰাজী সংস্কৰণ)ৰ প্ৰতিলিপি সদনৰ টেবুলত ৰাখিব।

## দৃষ্টি আকৰ্ষণ

৫। (i) শ্ৰী কল্যাণ (ii) কুমাৰী মণিষী (iii) কুমাৰী হৰমিন্দৰ কৌৰে ভাৰতৰ পাৰমাণৱিক নীতিৰ প্ৰতি "প্ৰধানমন্ত্ৰী"ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আহ্বান।

## উত্থাপন হ'বলগীয়া বিধেয়ক

৬। "বিত্তমন্ত্ৰী" শ্ৰী আৰ অৰবিন্দনে "মেনেজাৰিয়েল পাৰ্চনেল বিলৰ দৰমহা হ্ৰাস" সংশোধন কৰিবলৈ আৰু বিধেয়ক উত্থাপন কৰিবলৈ সদনত প্ৰস্তাৱ আগবঢ়াব।

নতুন দিল্লী

নবীন কুমাৰ
সম্পাদক

(প্ৰধানমন্ত্ৰী, আইন আৰু ন্যায়, গৃহ পৰিক্ৰমা, বৈদেশিক পৰিক্ৰমা, স্বাস্থ্য, ৱৰ্ক আৰু গৃহ নিৰ্মাণ মন্ত্ৰী)

*২০১ কুমাৰী গায়ত্ৰী

মাননীয় আইন আৰু ন্যায় মন্ত্ৰীগৰাকীয়ে এই কথা জনাব পাৰিবনে:

(ক) ১৮ সংখ্যক লোকসভা নিৰ্বাচন, ২০২৪ৰ সময়ত নিৰ্বাচনী তালিকাৰ পৰা বহু যোগ্য ভোটাৰৰ নাম নোহোৱা হৈছিল নেকি?

(খ) যদি হয়, তেন্তে এই বাদ পৰাৰ বাবে কি কি কাৰক দায়ী আছিল? আৰু

(গ) ভৱিষ্যতে এনে ঘটনা ৰোধ কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰস্তাৱ দিছে?

*২০২ কুমাৰী গুৰপ্ৰীত

মাননীয় স্বাস্থ্য আৰু সমাজ কল্যাণ মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) ভাৰতীয় জনসংখ্যাৰ ২০ শতাংশ নগৰীয়া হ'লেও স্বাস্থ্য বাজেটৰ ৬০ শতাংশ নগৰীয়া জনসংখ্যাৰ বাবে ব্যয় কৰাটো সত্য নেকি? আৰু

(খ) সমগ্ৰ দেশতে ধনখিনি ন্যায্যভাৱে বিতৰণৰ বাবে চৰকাৰে কি পদক্ষেপ লোৱাৰ উদ্দেশ্য লৈছে?

*২০৩ শ্ৰী গিৰীশ চন্দ্ৰ

মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) যোৱা বছৰৰ তুলনাত এই বছৰ ছপা কাগজৰ দাম ৫০% বৃদ্ধি পোৱাটো সত্য নেকি?

(খ) ইয়াৰ ফলত কিতাপৰ মূল্যও যথেষ্ট বৃদ্ধি পাইছে নেকি? আৰু

(গ) এই পৰিস্থিতিৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কিছুমান পদক্ষেপ লোৱাৰ প্ৰস্তাৱ দিছে নেকি, আৰু যদি দিছে তেন্তে তাৰ সবিশেষ?

*২০৪ শ্ৰী মুৰলী পৰমেশ্বৰম

মাননীয় প্ৰতিৰক্ষা মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) জাগুৱাৰ বিমানখন ক্ৰয় কৰাৰ সিদ্ধান্ত লোৱাৰ সময়ত কি কি কাৰক, যদিহে কিবা আছিল, বিবেচনা কৰা হৈছিল?

(খ) জাগুৱাৰ বিমানখন ফ্ৰেন্স মিৰাজ আৰু ছুইডেনৰ ভিগেনতকৈ কি ক্ষেত্ৰত অধিক উন্নত? আৰু

(গ) প্ৰথম জাগুৱাৰ কেতিয়া ভাৰতলৈ উৰা মাৰিছিল?

আৰু কিছু প্ৰশ্ন

*২০৫ শ্ৰীমতী সান্তনা চেতিয়া

মাননীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) ভাৰত আৰু বিদেশত কেইখন কেন্দ্ৰীয় বিদ্যালয় আছে?

(খ) এই বিদ্যালয়সমূহত বিভিন্ন শ্ৰেণীৰ নামভৰ্তিৰ নিয়ম কি?

(গ) এই নিয়মসমূহ কঠোৰভাৱে পালন কৰা হয়নে বা বিশেষ বিতৰণ ব্যৱস্থাত কিছু শিথিলতা কে ভি এছ কৰ্তৃপক্ষৰ বাবে উপলব্ধ হয়নে? আৰু

(ঘ) যদি কিছুমান বিশেষ বিতৰণ ক্ষমতাৰ অনুমতি দিয়া হয়, তেন্তে এই ক্ষমতাসমূহৰ ন্যায়পূৰ্ণ ব্যৱহাৰৰ বাবে কোনো নিৰ্দেশনা আছেনে?

*২০৬ শ্ৰীমতী ছুইটী গগৈ

মাননীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) মথুৰা শোধনাগাৰে তাজমহলৰ কিমান ক্ষতি কৰিছে? আৰু

(খ) এই ৰাষ্ট্ৰীয় কীৰ্তিচিহ্নটোক ধ্বংসৰ পৰা বচাবলৈ পুৰাতত্ত্ব বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*২০৭ শ্ৰীমতী গীতা শৰ্মা

মাননীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) দেশত পৰম্পৰাগত হকী খেলৰ গুণগত মান অৱনতি ঘটাৰ কাৰণবোৰ? আৰু

(খ) আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতীয় হকীৰ মৰ্যাদা ঘূৰাই অনাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

*২০৮ শ্ৰী সুৰেশ ভাগৱতী

মাননীয় গৃহ পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনেঃ

(ক) চেইন কাঢ়ি লৈ যোৱা গোচৰৰ ক্ষেত্ৰত কিমানক গ্ৰেপ্তাৰ কৰা হৈছে আৰু অভিযুক্ত কৰা হৈছে? আৰু

(খ) এনে অপৰাধৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

*২০৯ শ্ৰী উৎপল শৰ্মা

মাননীয় গৃহ পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) যোৱা তিনিমাহত গুৱাহাটীত সংঘটিত হোৱা ডকাইতি আৰু হত্যাৰ সংখ্যা।

(খ) গ্ৰেপ্তাৰ কৰা অপৰাধীৰ সংখ্যা আৰু তেওঁলোকৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা, আৰু...

(গ)এনে ঘটনাৰ পুনৰাবৃত্তি নহ'বলৈ গুৱাহাটীত আইন-শৃংখলাৰ উন্নতিৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে।

*২১০ শ্ৰী ৰঞ্জিত দাস

মাননীয় গৃহ পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) গুৱাহাটীত ইভ-টিজিঙৰ ঘটনাৰ সংখ্যা।

(খ) এইটো সত্য হয়নে যে বেছিভাগ ঘটনা বাছ ষ্টপেজ আৰু বাছত সংঘটিত হয়?

(গ) ইয়াৰ ভিতৰত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কিমানগৰাকী আছে?

(ঘ) এনে ঘটনা বন্ধ কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

*২১১ শ্ৰী মাহমুদ হাছান

মাননীয় গৃহ পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) দেশত মুঠ ভিক্ষাৰী কিমান?

(খ) চৰকাৰে এই সামাজিক সমস্যা দূৰ কৰিবলৈ গুৰুত্বসহকাৰে চিন্তা কৰিছেনে? আৰু

(গ) যদি হয়, তেন্তে সমস্যাটো সমাধানৰ বাবে ইয়াৰ প্ৰস্তাৱ কি কি?

*২১২ শ্ৰী ইকবাল হুছেইন

মাননীয় আইন আৰু ন্যায় মন্ত্ৰী ডাঙৰীয়াই এই কথা জনাব পাৰিবনে:

(ক) ভাৰতৰ বিভিন্ন ৰাজ্যত উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ত কিমানটা গোচৰ বিচাৰাধীন হৈ আছে? আৰু

(খ) আমাৰ ন্যায়িক আদালতত গোচৰৰ ক্ষিপ্ৰ বিচাৰৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

*২১৩ শ্ৰী ইন্দিৰা কলিতা:

পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) অনুগ্ৰহ কৰি অসমৰ পোহনীয়া জীৱ-জন্তুৰ সংখ্যা আৰু পশু চিকিৎসালয়ৰ সংখ্যা দাঙি ধৰিব। বিধানসভা সমষ্টি ভিত্তিক সবিশেষ অনুগ্ৰহ কৰি প্ৰদান কৰক।

(খ) অসমৰ পশু চিকিৎসালয়সমূহত খালী হোৱা পদৰ সংখ্যাৰ লগতে পদৰ ধৰণ, মুঠ পদৰ সংখ্যা প্ৰদান কৰিব। অনুগ্ৰহ কৰি চিকিৎসালয় অনুসৰি সবিশেষ প্ৰদান কৰক।

(গ) চৰকাৰে এই পশু চিকিৎসালয়সমূহলৈ প্ৰদান কৰা ঔষধ, খাদ্য আৰু অন্যান্য সুবিধাৰ বিষয়ে বিতংভাৱে দাঙি ধৰিব।

(ঘ) চৰকাৰখন জ্ঞাত হয়নে, যে পশু চিকিৎসালয়সমূহক প্ৰদান কৰা ঔষধৰ মজুত ১০ দিনৰ ভিতৰত শেষ হৈ যায় আৰু ফলত মাহটোৰ বাকী সময়ছোৱাত ঔষধৰ যোগানৰ অভাৱ হয়? যদি হয়, এই নাটনিৰ সমস্যা সমাধানৰ বাবে চৰকাৰে কি পৰিকল্পনা গ্ৰহণ কৰিছে?

*২১৪ শ্ৰী দেৱজিৎ বৰাঃ

কৃষি মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) অনুগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (পি এম-কিষাণ)ৰ অধীনত মুঠ হিতাধিকাৰীৰ সংখ্যা (জিলাভিত্তিক) প্ৰদান কৰক।

(খ) অনুগ্ৰহ কৰি প্ৰধানমন্ত্ৰী ফছল বীমা যোজনাৰ (পি এম এফ বি ৱাই)ৰ অধীনত মুঠ হিতাধিকাৰীৰ সংখ্যা (জিলাভিত্তিক) প্ৰদান কৰক।

(গ) ৰাজ্যত উৎপাদিত (২০২২-২৩) ধানৰ মুঠ ক্ৰয়ৰ হিচাপ অনুগ্ৰহ কৰি প্ৰদান কৰক।

*২১৫ শ্ৰী ৰঞ্জন শৰ্মাঃ

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনেঃ

(ক) অনুগ্ৰহণ কৰি ২০১৯-২০ চনৰ পৰা আজিলৈকে এমজিএনৰেগাৰ অধীনত সম্পন্ন কৰা প্ৰতিটো কামৰ অনুমোদিত পৰিমাণৰ সৈতে, ১৪ আৰু ১৫ নং ফাইনেন্সৰ সকলো কিস্তি, আকস্মিক আৰু জমা হোৱা সুতৰ সৈতে বছৰ অনুসৰি, উন্নয়ন খণ্ড অনুসৰি আৰু জি পি ভিত্তিত কামৰ তালিকা প্ৰদান কৰক।

(খ) অনুগ্ৰহণ কৰি এম জি এনৰেগাৰ অধীনত কামৰ তালিকা বছৰ অনুসৰি, উন্নয়ন খণ্ড অনুসৰি আৰু জি পি ভিত্তিক দেখুওৱা আনুমানিক পৰিমাণ, মজুৰি পৰিশোধৰ বাবে ব্যৱহাৰ কৰা ধন, সামগ্ৰীৰ নামত পৰিশোধৰ বাবে ব্যৱহাৰ কৰা ধন, আৰম্ভণিৰ তাৰিখ, সম্পূৰ্ণ হোৱাৰ তাৰিখ, কামৰ অগ্ৰগতি, কামটো সম্পূৰ্ণ নোহোৱাৰ কাৰণ, যদি আছে, প্ৰদান কৰক।

*২১৬ শ্ৰী ৰঞ্জন বড়ো:

লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) চৰকাৰে ৰাজ্যখনৰ সকলো কাঠৰ দলং আৰ চি চিলৈ ৰূপান্তৰিত কৰা হ'ব বুলি সিদ্ধান্ত লৈছিল, ৰাজ্যখনৰ কিমানখন কাঠৰ দলং আৰ চি চিলৈ ৰূপান্তৰিত কৰা হৈছে আৰু কিমানখন এতিয়াও বাকী আছে?

*২১৭ শ্ৰীমতী মালবিকা চৌধুৰী:

বিদ্যালয় শিক্ষা মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) চৰকাৰ জ্ঞাত হয়নে যে, অসমৰ প্ৰতিটো এল এ চিত এখন হাইস্কুলক মডেল স্কুল হিচাপে গ্ৰহণ কৰা হৈছে? আন্তঃগাঁথনি, ক্ৰীড়া, পুথিভঁৰাল আদিৰ ক্ষেত্ৰত উক্ত বিদ্যালয়সমুহৰ উন্নয়নৰ বাবে বিভাগৰ দ্বাৰা পুঁজি আবণ্টনৰ কোনো ব্যৱস্থা আছেনে,?

(খ) চৰকাৰ জ্ঞাত হয়নে যে, বহু হাইস্কুল কোনো পূৰ্ণ ক্ষমতাপ্ৰাপ্ত প্ৰধান শিক্ষক অবিহনে চলি আছে? যদি আছে তেন্তে বিদ্যালয়খন নিৰ্দিষ্ট কৰি দিয়ক।

(গ) চৰকাৰে সেই হাইস্কুলবোৰত আৰু পলম নকৰাকৈ প্ৰধান শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঘ) এইটো সঁচা নেকি যে বহু হাইস্কুলত সহকাৰী শিক্ষকৰ বহু পদ বহু দিন ধৰি খালী হৈ পৰি আছে। চৰকাৰে বিদ্যালয়ত সঠিক শিক্ষা প্ৰদানৰ স্বাৰ্থত সেই পদসমূহ পূৰণৰ উদ্যোগ ল'বনে?

*২১৮ শ্ৰী দেবা কলিতা:

মীন মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) বৰ্তমান কিমানখন বিভাগীয় ফাৰ্ম উপলব্ধ? এনেকুৱা কিমানখন ফাৰ্ম আজিৰ তাৰিখত কাৰ্যক্ষম হৈ আছে?

(খ) আজিৰ তাৰিখত কিমানখন বিভাগীয় পাম লিজত আছে? ২০২২-২৩ & ২০২৩-২৪ চনৰ ভিতৰত যিবোৰ পামৰ বিপৰীতে ৰাজহ সংগ্ৰহ কৰা হৈছিল জিলাভিত্তিক সেই পামসমূহৰ নাম প্ৰদান কৰক?

(গ) সেই পামবোৰৰ আন্তঃগাঁথনিৰ উন্নয়নৰ কোনো সম্ভাৱনা আছেনে? যদি আছে, তেন্তে এতিয়ালৈকে কি কি পদক্ষেপ লোৱা হৈছে?

*২১৯ শ্ৰী দাৰ্চিং ৰংহাং:

গৃহ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনেঃ

(ক) চৰকাৰ জ্ঞাতনে, যে ২০১৯ চনৰ জানুৱাৰী মাহত বিত্ত আয়োগ আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ সৈতে জড়িত ব্যৱস্থাসমূহ সংশোধন কৰিবলৈ সংবিধান (১২৫ তম্ সংশোধনী) বিধেয়ক, ২০১৯ ৰাজ্যসভাত উত্থাপন কৰা হৈছিল?

যদি হয়, তেন্তে উক্ত বিধেয়কখন লোকসভাত আলোচনা আৰু গৃহীত হোৱাৰ বাবে লোৱা হৈছে নে নাই সেই বিষয়ে চৰকাৰে অৱগত কৰিবনে?

(খ) যদি উক্ত বিধেয়কখন এতিয়াও লোকসভাত আলোচনা আৰু গৃহীত কৰাৰ বাবে লোৱা হোৱা নাই, তেন্তে বিধেয়কখন কেতিয়া গ্ৰহণ কৰা হ'ব সেই বিষয়ে চৰকাৰে অৱগত কৰিবনে?

*২২০ শ্ৰী দেবো মিশ্ৰ:

গৃহ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনেঃ

(ক) ২০২০-২০২৩ চনৰ পৰা আজিলৈকে বিটিআৰৰ অধীনত থকা জিলাসমূহ, চৰ এলেকা থকা জিলাসমূহ আৰু নামনি অসমৰ জিলাসমূহৰ পৰা শিশু সৰবৰাহৰ সৈতে জড়িত মুঠ গোচৰৰ সংখ্যা। অনুগ্ৰহ কৰি লিংগ আৰু ভুক্তভোগীৰ বয়স, ভৌগোলিক অৱস্থান (নগৰীয়া/গ্ৰাম্য) আদিৰ ভিত্তিত জিলাভিত্তিক তথ্য প্ৰদান কৰক।

(খ) চৰকাৰে কোনো ধৰণৰ সংবেদনশীল বৈশিষ্ট্য বা কাৰক লক্ষ্য কৰিছেনে যিয়ে কিছুমান জিলা আৰু গোটক সৰবৰাহৰ বাবে বিশেষভাৱে দুৰ্বল কৰি তোলে?

(গ) ৰাজ্যত শিশু সৰবৰাহৰ বাবে সংগঠিত কাৰ্টেলৰ বিষয়ে ৰাজ্য চৰকাৰ জ্ঞাত হয়নে? এই সংগঠিত অপৰাধৰ পৰিসৰ আৰু ধৰণ অনুসৰি ইয়াৰ কাৰক/পন্থা অধ্যয়নৰ বাবে নিৰীক্ষণ ব্যৱস্থা আছেনে?

*২২১ ইছফাকুৰ ৰহমান:

গৃহ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনেঃ

(ক) অসমত মুঠ ভিডিপিৰ সংখ্যা কিমান?

(খ) গাঁও প্রতিৰক্ষা কৰ্মীৰ পাৰিতোষিক কিমান?

(গ) চৰকাৰে তেওঁলোকৰ পাৰিতোষিক বৃদ্ধিৰ কথা বিবেচনা কৰিছে নেকি?

*২২২ শ্ৰী ৰূপম দলে:

কৃষি মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) যোৱা তিনি বছৰত অসমত কৃষকৰ মাজত কিমান ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু অন্যান্য কৃষি যন্ত্ৰ-পাতি বিতৰণ কৰা হৈছে?

(খ) জিলাভিত্তিক হিতাধিকাৰীৰ তালিকাখন সদয়ভাৱে প্রদান কৰক।

*২২৩ শ্ৰী বুলবুল মেধিঃ

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) বিভিন্ন স্বাস্থ্য প্রতিষ্ঠানত চিকিৎসক, নাৰ্ছ আৰু অন্যান্য চিকিৎসা কৰ্মচাৰীৰ কিমানটা খালী পদ আছে? স্বাস্থ্য প্রতিষ্ঠান অনুসৰি তালিকাখন বিতংভাৱে প্রদান কৰক।

(খ) এই খালী পদসমূহ পূৰণৰ বাবে চৰকাৰে কি পদক্ষেপ ল'ব? বিতংভাৱে জনাব।

*২২৪ শ্ৰী ৰমেন শৰ্মাঃ

গৃহ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনেঃ

(ক) বিগত তিনি বছৰত অসমত POCSO Act, 2012 ৰ অধীনত শিশুৰ বিৰুদ্ধে পঞ্জীয়ন হোৱা মুঠ যৌন নিৰ্যাতনৰ গোচৰৰ সংখ্যা দাখিল কৰক।

(খ) সেই গোচৰসমূহৰ ভিতৰত কিমানটা গোচৰ কিশোৰ-কিশোৰীৰ ঘৰ, অনাথ আশ্ৰম, শিক্ষানুষ্ঠানৰ পৰা ৰিপৰ্ট কৰা হৈছিল? গোচৰৰ স্থিতি, ভুক্তভোগীৰ বয়স, লিংগ আৰু অপৰাধৰ ধৰণকে ধৰি জিলাভিত্তিক সবিশেষ অনুগ্ৰহ কৰি প্রদান কৰক।

(গ) ২০২০ চনৰ মাৰ্চ মাহৰ পৰা অনলাইন প'ৰ্টেলৰ জৰিয়তে শিশুৰ ওপৰত যৌন নিৰ্যাতন অপৰাধৰ খবৰ বৃদ্ধি পাইছে নেকি?

(ঘ) শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ বিচাৰৰ বাবে অসমৰ জিলাসমূহত স্থাপিত বিশেষ ফাষ্ট ট্ৰেক আদালতৰ সংখ্যা প্রদান কৰক।

(ঙ) যদি সকলো জিলাতে স্থাপন হোৱা নাই, তেন্তে এই আদালতসমূহৰ অভাৱৰ কাৰণ আৰু স্থাপন কৰাৰ পৰিকল্পনা আছে নে নাই সেই বিষয়ে সদয়ভাৱে দাখিল কৰক।

*২২৫ শ্ৰী ৰঞ্জন দৈমাৰীঃ

দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) ২০২২-২৩ চনত বছৰ অনুসৰি বাজেটত ধাৰ্য কৰা ধন আৰু ব্যৱহাৰ কৰা ধনৰাশি প্ৰদান কৰক।

(খ) ২০২১-২২ আৰু ২০২২-২৩ চনৰ ভিতৰত কিমানজন ল'ৰা আৰু ছোৱালীক বিভিন্ন ব্যৱসায়ৰ প্ৰশিক্ষণ দিয়া হ'ল? প্ৰতিটো ব্যৱসায়ৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা ল'ৰা-ছোৱালীৰ সংখ্যা বছৰ অনুসৰি, জিলা অনুসৰি আৰু ব্যৱসায় অনুসৰি বিতংভাৱে প্ৰদান কৰক।

(গ) ১৬-০৩-২০২৩ তাৰিখে বিত্তমন্ত্ৰীয়ে বাজেট ভাষণত উল্লেখ কৰা ধৰণে অসমৰ প্ৰতিটো জিলা মুখ্য কাৰ্যালয়ত চৰকাৰে জিলা যুৱ কল্যাণ কেন্দ্ৰ স্থাপন কৰিছে নে নাই? যদি কৰিছে, তেন্তে তালিকাখন বিতংভাৱে প্ৰদান কৰক?

*২২৬ শ্ৰী তন্ময় গগৈঃ

সমবায় বিভাগৰ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) সেৱাযোগ্য অৱস্থাত নিজাকৈ কাৰ্যালয় ভৱন, গুদাম থকা জিপিএছএছ লিমিটেডৰ জিলাভিত্তিক নাম প্ৰদান কৰক। লগতে জি পি এছ লিমিটেডৰ নিজা কাৰ্যালয় ভৱন, সেৱাযোগ্য অৱস্থাত গুদাম নথকা তালিকা জিলাভিত্তিক প্ৰদান কৰক।

(খ) চৰকাৰে প্ৰয়োজন সাপেক্ষে কাৰ্যালয় ভৱন, গুদাম মেৰামতি বা নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে নে? যদি কৰিছে, কেতিয়া?

(গ) ইয়াত সমষ্টি পৰ্যায় আৰু জিপিএছ পৰ্যায়ৰ সতৰ্কতা আৰু নিৰীক্ষণ সমিতি আছে নে? যদি আছে, তেন্তে এই সমিতিসমূহ কেনেকৈ গঠন হয়? এনে সমিতিসমূহৰ ক্ষমতা আৰু কাম কি?

*২২৭ শ্ৰী ভাস্কৰ পেগুঃ

মীন মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) যোৱা দুবছৰত ৰাজ্যৰ মীন উৎপাদকসকলক প্ৰদান কৰা সাহায্যৰ ধৰণ। জিলা ভিত্তিক সবিশেষ অনুগ্ৰহ কৰি প্ৰদান কৰক।

(খ) ৰাজ্যত মাছৰ মাহিলি মুঠ প্ৰয়োজনীয়তা, ৰাজ্যত মাছৰ মাহিলি উৎপাদন আৰু ৰাজ্যৰ বাহিৰৰ পৰা মাহিলি আমদানি কৰা মাছৰ পৰিমাণ সদয়ভাৱে প্ৰদান কৰক।

(গ) ৰাজ্যত মাছৰ উৎপাদন বৃদ্ধি আৰু ইয়াৰ দ্বাৰা আমদানি হ্ৰাস কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

*২২৮ শ্ৰী মানস নাথঃ

সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

২০২৩-২৪ চনলৈ যোৱা তিনিবছৰৰ ভিতৰত বিভাগটোৰ অধীনত কি কি আঁচনি অনুমোদন কৰা হৈছে? অনুগ্ৰহ কৰি আঁচনিসমূহৰ জিলাভিত্তিক বিৱৰণৰ লগতে স্থান আৰু সফলতাৰ বিপৰীতে কায়িক আৰু আৰ্থিক লক্ষ্যও প্ৰদান কৰক।

*২২৯ শ্ৰীযাদৱ শইকীয়াঃ

মীন বিভাগৰ মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

অসমত কেনেধৰণৰ মৎস্য পালন কৰা হয় আৰু এনেধৰণৰ মাছ বিক্ৰী কৰি বাৰ্ষিক ৰাজহ কিমান হয় আৰু উক্ত মাছসমূহ ৰপ্তানি হয় নে স্থানীয়ভাৱে বিক্ৰী হয় আৰু এনে বিক্ৰীৰ জৰিয়তে উপাৰ্জন কৰা জিডিপিৰ শতকৰা হাৰ কিমান? জিলাভিত্তিক তথ্য সদয়ভাৱে দাখিল কৰিব পাৰিব।

*২৩০ শ্ৰী প্ৰীতম শইকীয়াঃ

বিদ্যালয় শিক্ষা মন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে:

(ক) ২০১৩ চনত প্ৰাদেশিকীকৰণ কৰা হাইস্কুলসমূহত কেইবাটাও পদ খালী হৈ থকা কথাটোৰ বিষয়ে চৰকাৰ জ্ঞাত হয়নে?

(খ) যদি জ্ঞাত হয় তেন্তে ২০১৩ চনত প্ৰাদেশিকীকৰণ কৰা হাইস্কুলসমূহত গুৰুত্বপূৰ্ণ বিষয়ৰ বাবে খালী পদসমূহ চৰকাৰে কেতিয়া পূৰণ কৰিব?

(গ) ৰাজ্যৰ বিভিন্ন জিলাৰ এল পি আৰু হাইস্কুল আনকি মহাবিদ্যালয়সমূহতো শিক্ষকৰ কেইবাটাও পদ খালী হৈ আছে। চৰকাৰে কেতিয়া খালী পদসমূহ পূৰণ কৰিব?

*২৩১ শ্ৰী দেবেশ্বৰ বৰাঃ

শিক্ষামন্ত্ৰীয়ে এই কথা জনাব পাৰিবনে-

(ক) ২৪ জুন তাৰিখটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰা হয়, যিটো ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত ইয়াৰ তাৎপৰ্যৰ বাবে স্বীকৃতি দিয়া হৈছে। কিন্তু বৰ্তমান অসমৰ সীমিত সংখ্যক বিদ্যালয়ৰ পাঠ্যক্ৰমত যোগক অন্তৰ্ভুক্ত কৰা হৈছে।

(খ) অহা শিক্ষাবৰ্ষৰ পৰা আৰম্ভ কৰি পাঠ্যক্ৰমত যোগৰ অন্তৰ্ভুক্ত কৰাৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা আছেনে?

## অধ্যায়-৬

# যুৱ সংসদ পৰিচালনাৰ বাবে কাৰ্যপ্ৰণালী- দ্বিতীয় খণ্ড

লোকসভাত প্ৰচলিত প্ৰথাৰ দৰেই যুৱ সংসদৰ অধিৱেশনৰ আৰম্ভণি হয়। অধ্যক্ষৰ আগমনৰ লগে লগে মাৰ্শ্বলে অধিৱেশন আৰম্ভ হোৱাৰ কথা ঘোষণা কৰে। মাৰ্শ্বালে প্ৰথমে সদনত আহি সদনত কোৰাম আছে নে নাই সেইটো নিশ্চিত কৰে য'ত সদনৰ মুঠ সদস্য সংখ্যাৰ কমেও ১০ শতাংশ হ'ব লাগে।

অধ্যক্ষ চেম্বাৰত উপস্থিত হোৱাৰ লগে লগে মাৰ্শ্বলে "মাননীয় সদস্যসকল, মাননীয় অধ্যক্ষ" শব্দৰে তেওঁৰ আগমনৰ কথা ঘোষণা কৰে :-

ইয়াৰ পিছত গোটেই সদন থিয় হয়। অধ্যক্ষই আসন লোৱাৰ আগতে প্ৰথমে বাওঁফালে, তাৰ পিছত সোঁফালে আৰু তাৰ পিছত সন্মুখত প্ৰণাম কৰে। নিজ নিজ পক্ষৰ সদস্যসকলেও আসন লোৱাৰ আগতে চকীখনৰ আগত সন্মানেৰে প্ৰণাম কৰে।

### ১। সদস্যৰ দ্বাৰা শপত

কাৰ্যক্ৰমণিকাৰ তালিকা যি ক্ৰমত ছপা হয়, সেই অনুসৰি অধ্যক্ষই সদনৰ কাৰ্যক্ৰমণিকা গ্ৰহণ কৰে। কাৰ্যসূচীৰ প্ৰথম বিষয়টো হ'ল নতুন সদস্যসকলৰ শপত। সদনত আসন গ্ৰহণ কৰাৰ আগতে প্ৰতিজন নতুন সদস্যই তলত দিয়া ৰূপত শপত বা দৃঢ়তা প্ৰদান বা চাবস্ক্ৰাইব কৰিব লাগিব:-

"মই, এ.বি. যুৱ সংসদৰ সদস্য নিৰ্বাচিত (বা মনোনীত) হোৱাৰ বাবে ঈশ্বৰৰ নামত শপত খাইছো (বা গম্ভীৰভাৱে দৃঢ়তাৰে কওঁ) যে মই আইনৰ দ্বাৰা প্ৰতিষ্ঠিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু আনুগত্য বহন কৰিম, যে ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাক ৰক্ষা কৰিম আৰু মই যিটো কৰ্তব্য কৰিবলৈ ওলাইছো, সেই কৰ্তব্য মই নিষ্ঠাৰে পালন কৰিম”।

সদস্যজনে হিন্দী বা ইংৰাজী বা সংবিধানৰ অষ্টম অনুসূচীত উল্লেখ কৰা যিকোনো ভাষাত শপত গ্ৰহণ কৰিব পাৰে। শপত গ্ৰহণ কৰাৰ আগতে সদস্যজনে মুখ্য নিৰ্বাচন আয়ুক্ত (ৰিটাৰ্নিং অফিচাৰ)ৰ দ্বাৰা প্ৰদান কৰা নিৰ্বাচনৰ প্ৰমাণ পত্ৰ লগত লৈ আহিব লাগে। সদনত সচিব প্ৰধানে মাতি অনা সদস্যজনে বহা ঠাইৰ পৰা সচিব প্ৰধানৰ টেবুলৰ সোঁফালে আগবাঢ়ি গৈ নিজৰ নিৰ্বাচনৰ প্ৰমাণ-পত্ৰ সচিব প্ৰধানক দাখিল কৰে। তাৰ পিছত সদস্যই যি ভাষাত শপত ল'ব বিচাৰে সেই ভাষাৰ শপতৰ প্ৰতিলিপি তেওঁৰ হাতত গতাই দিয়া হয়। শপত লওতে সদস্যজনে চকীখনৰ ফালে মুখ কৰি থাকে আৰু তাৰ পিছত অধ্যক্ষক শুভেচ্ছা জনাবলৈ বা তেওঁৰ লগত হাত মিলাবলৈ ওপৰলৈ উঠি যায়। যেতিয়া তেওঁ অধ্যক্ষক হাত মিলাই বা সম্ভাষণ জনায়, তেতিয়া সাধাৰণতে সদস্যসকলে থাম্পিং কৰে। তাৰ পিছত সদস্যজনে অধ্যক্ষৰ পিছফালে পাৰ হৈ সচিব প্ৰধানৰ টেবুলৰ সিটো পাৰে যায় য'ত তেওঁ সদস্যৰ তালিকাত স্বাক্ষৰ কৰে। তালিকাত চহী কৰাৰ পিছত তেওঁ সদনত নিজৰ আসন লয়।

### ২। শ্ৰদ্ধাঞ্জলি সম্বন্ধীয় প্ৰসংগ

কাৰ্যসূচীৰ পৰৱৰ্তী বিষয় হ'ব পাৰে সদনৰ কোনো মৃত সদস্য বা ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট ব্যক্তি বা কলা আৰু বিজ্ঞানৰ ক্ষেত্ৰখনৰ কোনো বিখ্যাত ব্যক্তিৰ শ্ৰদ্ধাঞ্জলি সম্বন্ধীয় প্ৰসংগ। এই ক্ষেত্ৰত সাধাৰণ প্ৰথা হ'ল অধ্যক্ষই নিজৰ আসনৰ পৰা উঠি বিদেহী ব্যক্তিজনৰ দুখজনক মৃত্যুৰ কথা ঘোষণা কৰে। ইয়াৰ পিছত প্ৰধানমন্ত্ৰীয়ে প্ৰিজাইডিং অফিচাৰে প্ৰকাশ কৰা আৱেগৰ সৈতে নিজকে জড়িত কৰে। প্ৰধানমন্ত্ৰীৰ পিছতে সদনত বিৰোধী নেতাগৰাকীয়ে বিদেহী আত্মাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে অধ্যক্ষই ঘোষণা কৰে যে সদনে বিদেহী আত্মাৰ প্ৰতি সন্মানৰ চিন স্বৰূপে অলপ সময়ৰ বাবে মৌনতা অৱলম্বন কৰিব। তাৰ পিছত সদনে মৌনতা অৱলম্বন কৰিবলৈ থিয় হয়। সদস্যসকলে নিজৰ আসন গ্ৰহণ কৰাৰ পিছত অধ্যক্ষই শোকসন্তপ্ত পৰিয়ালৰ সদস্যসকললৈ সদনৰ শোকবাৰ্তা প্ৰকাশ কৰিবলৈ সচিব প্ৰধানক নিৰ্দেশ দিয়ে।

শেহতীয়াকৈ সদস্যসকলৰ মৃত্যুৰ ক্ষেত্ৰত মৃত্যু বাৰ্তাৰ উল্লেখ লোকসভাত কেৱল অধ্যক্ষইহে দিয়ে। ইয়াৰ পিছত সদনে থিয় হৈ বিদেহ আত্মাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি দুমিনিটৰ মৌনতা অৱলম্বন কৰে।

**৩। প্ৰশ্ন**

যুৱ সংসদত এখন বৈঠকৰ প্ৰথম অংশ ভাৰতীয় সংসদত সাধাৰণতে তাৰকাযুক্ত প্ৰশ্ন নামেৰে জনাজাত মৌখিক প্ৰশ্নৰ ওপৰত হ'ব লাগে। সংসদৰ সদস্যসকলৰ বাবে আৰু জনসাধাৰণৰ বাবেও ই আটাইতকৈ জনপ্ৰিয় কাল। এজন মন্ত্ৰীৰ দৃষ্টিকোণৰ পৰা ই তেওঁৰ বাবে আবণ্টিত বিষয় বা কাৰ্যক্ৰমনিকা ওপৰত, তেওঁৰ নেতৃত্ব দিয়াৰ ক্ষমতাৰ লগতে পৰিপূৰক উত্তৰ দিয়াৰ সময়ত তেওঁৰ সপ্ৰতিভ বুদ্ধিমত্তাৰ ওপৰত তেওঁৰ বোধশক্তিৰ আটাইতকৈ কঠিন পৰীক্ষা। প্ৰশ্নটোক এনে মাধ্যম হিচাপে সংজ্ঞায়িত কৰা হৈছে য'ত এজন সদস্যই ৰাজহুৱা প্ৰশাসনৰ যিকোনো দিশৰ তথ্য আহৰণ আৰু লাভ কৰিব পাৰে।

যুৱ সংসদৰ ভাৰপ্ৰাপ্ত শিক্ষকসকলে সাধাৰণতে প্ৰশ্ন আৰু উত্তৰ প্ৰস্তুত কৰাত অসুবিধাৰ সন্মুখীন হয়। প্ৰশ্নৰ বিষয়বস্তু হ'ব পাৰে সাধাৰণ নাগৰিকে সন্মুখীন হোৱা দৈনন্দিন সমস্যা।

বাছৰ বাবে অপেক্ষা কৰি থকা যাত্ৰীসকল, বিশেষকৈ কাৰ্যালয়-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ দীঘলীয়া শাৰী, কৰ্মসংস্থাপন, পাঠ্যপুথিৰ পাঠ্যক্ৰম আৰু অনুশাসন সম্পৰ্কীয় ছাত্ৰ-ছাত্ৰীৰ সমস্যা, মূল্যবৃদ্ধি, অপৰাধ বৃদ্ধি, বানপানী আৰু দুৰ্ভিক্ষ আদি সাম্প্ৰতিক বিষয়বোৰ প্ৰশ্নৰ বিষয়বস্তু হ'ব পাৰে।

প্ৰশ্নটো ব্যাপক হ'ব পাৰে আৰু ইয়ে আমাৰ জাতীয় জীৱন বা আমাৰ দৈনন্দিন অস্তিত্বৰ যিকোনো দিশ সামৰি ল'ব পাৰে।যুৱ সংসদত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বিদ্যালয়ৰ কাম-কাজ আৰু নিজৰ সমস্যাৰ বিষয়েও প্ৰশ্ন কৰিব পাৰে।

সংসদত প্ৰশ্নৰ উত্তৰ দিয়াৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ মন্ত্ৰালয়সমূহক সংসদ বহা সপ্তাহৰ পাঁচ দিনক প্ৰতিনিধিত্ব কৰি ৫টা গোটত ভাগ কৰা হৈছে। শ্ৰেণীবিভাজন আৰু গোটকৰণ অতীতৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি কৰা হয়

আৰু এনেদৰে সজ্জিত কৰা হয় যে যিকোনো এটা দিনত প্ৰশ্নৰ পৰিমাণ কম বেছি পৰিমাণে বৃদ্ধি হ'ব পাৰে। যুৱ সংসদেও এই পদ্ধতি অনুসৰণ কৰিব পাৰে।

প্ৰশ্নসমূহ 'প্ৰশ্নৰ তালিকা'ত পৃথকে পৃথকে ছপা কৰিব লাগে আৰু অধ্যক্ষই যিজন সদস্যৰ নামত প্ৰশ্নটো আছে তেওঁৰ নাম মাতিব লাগে। অধ্যক্ষই যেতিয়া সদস্যজনৰ নাম মাতে তেতিয়া তেওঁ নিজৰ ঠাইত থিয় হয় আৰু ছপা প্ৰশ্নৰ তালিকাত তেওঁৰ নামৰ বিপৰীতে উল্লেখ কৰা প্ৰশ্নটো সোধে।

ইয়াৰ পিছতে অধ্যক্ষই সংশ্লিষ্ট মন্ত্ৰীক প্ৰশ্নৰ উত্তৰ দিবলৈ কয়। লোকসভাত সদস্যই কেৱল তাৰ নম্বৰ উল্লেখ কৰিহে প্ৰশ্ন কৰে। যুৱ সংসদত আমি এই পদ্ধতিৰ সামান্য পৰিৱৰ্তন কৰিছো যাৰ মতে সদস্যজনে সমগ্ৰ প্ৰশ্নটো পঢ়িব লাগে যাতে অংশগ্ৰহণকাৰীসকলে প্ৰশ্নসমূহৰ বিষয়বস্তু জানিব পাৰে। মন্ত্ৰীৰ উত্তৰৰ পিছত ইচ্ছা কৰিলে প্ৰথম পৰিপূৰক প্ৰশ্ন সোধাৰ অধিকাৰ পোৱা সদস্যজনে অধ্যক্ষৰ অনুমতি সাপেক্ষে অন্যান্য প্ৰশ্নবোৰ এটা এটাকৈ কৰিব পাৰে কিন্তু ৪তকৈ বেছি নহয় যাতে দিয়া উত্তৰ সম্পৰ্কীয় যিকোনো তথ্য স্পষ্ট কৰিব পাৰে। প্ৰশ্নৰ ওপৰত কোনো আলোচনা হ'ব নালাগে বা সদস্যসকলে দীঘলীয়া পৰিপূৰক প্ৰশ্ন সুধিব নালাগে।

চুটি জাননীৰ প্ৰশ্ন - জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ সৈতে জড়িত কোনো প্ৰশ্নৰ ক্ষেত্ৰত লোকসভাত নূন্যতম ১০ দিনৰ সময়তকৈ কম সময়ত জাননীৰে কোনো সদস্যই মৌখিক উত্তৰ বিচাৰিব পাৰে। যদি অধ্যক্ষই জৰুৰীকালীনতা মানি লয় তেন্তে মন্ত্ৰীয়ে ইয়াৰ উত্তৰ দিবলৈ ইচ্ছুকতা নিশ্চিত কৰাৰ পিছত কম সময়ৰ ভিতৰতে তেওঁ স্বীকাৰ কৰিব পাৰে। যেতিয়া ইয়াক স্বীকাৰ কৰা হয় আৰু এজেণ্ডাত ৰখা হয় তেতিয়া ইয়াক প্ৰশ্নকালৰ পিছত উত্থাপন কৰিবলৈ কোৱা হয়। চুটি জাননীৰ প্ৰশ্ন উত্থাপন আৰু উত্তৰ দিয়াৰ বাবে অনুসৰণ কৰিবলগীয়া পদ্ধতি তৰাযুক্ত প্ৰশ্নৰ বাবে অনুসৰণ কৰা পদ্ধতিৰ দৰেই হ'ব।

## ৪। সভা স্থগিত প্ৰস্তাৱ

স্থগিত ৰখা প্ৰস্তাৱটোৱে চৰকাৰ আৰু সদনৰ আৱশ্যকীয় গুৰুত্ব বিচাৰি দেশত বা বিদেশত উদ্ভৱ হোৱা ৰাজহুৱা গুৰুত্বপূৰ্ণ কিছুমান তাৎক্ষনিক বা জৰুৰী বিষয়ৰ ওপৰত আলোচনা উত্থাপন কৰিব বিচাৰে। যদিহে প্ৰস্তাৱটো ঠিকে থাকে আৰু এই সন্দৰ্ভত অধ্যক্ষ সন্তুষ্ট হয় তেন্তে তেওঁ সন্মতি দিব আৰু সংশ্লিষ্ট সদস্যজনক সদনৰ অনুমতি বিচাৰিবলৈ ক'ব। সদস্যজনে নিজৰ আসনৰ পৰা থিয় হৈ সদনৰ পৰা অনুমতি বিচাৰিব আৰু তলত দিয়া ধৰণে ক'ব: "ছাৰ,সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিবলৈ সদনৰ পৰা মই অনুমতি বিচাৰিছো"। যুৱ সংসদত উপস্থিত থকা সদস্যসকলৰ কমেও ১/১০ ভাগেই যদি অনুমতি দিয়াৰ সপক্ষে থিয় দিয়ে, তেন্তে অধ্যক্ষই প্ৰস্তাৱটো মানি লয়। যদিহে তেওঁলোকৰ আসনত এই সংখ্যাতকৈ কম সদস্য থিয় হয় তেন্তে অধ্যক্ষই সংশ্লিষ্ট সদস্যজনক জনাই দিয়ে যে তেওঁৰ হাতত সভা স্থগিত ৰখাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ সদনৰ অনুমতি নাই।

যেতিয়া অধ্যক্ষই সন্তুষ্ট হ'ব যে সভা স্থগিত ৰখাৰ প্ৰস্তাৱৰ জাননী গ্ৰহনযোগ্য নহয় তেতিয়া তেওঁ বিষয়টো সদনৰ সন্মুখত ননাকৈয়ে তেওঁৰ সন্মতি অস্বীকাৰ কৰিব আৰু সংশ্লিষ্ট সদস্যক অধ্যক্ষৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰা হ'ব।

কিছুমান কাৰণত অধ্যক্ষই সভা স্থগিত ৰখাৰ অনুমতি নিদিব পাৰে। প্ৰস্তাৱসমূহ চমুকৈ তলত দিয়া ধৰণে তালিকাভুক্ত কৰা হৈছে:-

(i) ই নিৰ্দিষ্ট বিষয়ৰ সৈতে জড়িত নহয়;

(ii) ই দিনটোৰ কাম-কাজত ব্যাঘাত জন্মাব পৰা জৰুৰী বিষয়ৰ সৈতে জড়িত নহয়;

(iii) ই পৰ্যাপ্ত ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ সৈতে জড়িত নহয়;

(iv) ই শেহতীয়াকৈ ঘটা কোনো বিষয়ৰ সৈতে জড়িত নহয় যিটো হঠাতে উদ্ভৱ হৈছে কিন্তু ই কোনো চলি থকা বিষয়ৰ সৈতে জড়িত;

(v) ই সভা স্থগিত ৰখাৰ প্ৰস্তাৱৰ বিষয় নহয়; বিষয়টো উত্থাপন কৰিবলৈ অন্যান্য সুযোগৰ সুবিধা ল'ব পাৰি;

(vi) ই এটাতকৈ অধিক বিষয় উত্থাপন কৰে;

(vii) ই এনে এটা বিষয়ৰ সৈতে জড়িত যিটোত অদূৰ ভৱিষ্যতে বিতৰ্ক হোৱাৰ সম্ভাৱনা আছে/যিটোৰ ওপৰত ইতিমধ্যে আলোচনা কৰা হৈছে;

(viii) ই এনে এটা বিষয়ৰ সৈতে জড়িত যিটো হৈছে আদালতৰ বিচাৰধীন;

(ix) ই কোনো ৰাজ্যিক বিষয়ৰ সৈতে জড়িত;

(x) ই এক বিশেষাধিকাৰৰ প্ৰশ্ন উত্থাপন কৰে;

(xi) ই আইন প্ৰণয়নৰ সৈতে জড়িত এটা বিষয় উত্থাপন কৰে;

(xii) এক সভা স্থগিত প্ৰস্তাৱত বিদেশী চৰকাৰৰ আচৰণৰ বিষয়ে আলোচনা কৰিব নোৱাৰিব,

(xiii) ই এটা ব্যক্তিগত গোচৰৰ সৈতে জড়িত;

(xiv) ই এটা স্বায়ত্তশাসিত নিগম/ নিকায়ৰ কাম-কাজৰ সৈতে জড়িত:

(xv) চৰকাৰে কোনো প্ৰশ্ন বা অস্বীকাৰৰ প্ৰতি দিয়া অসন্তোষজনক উত্তৰ স্থগিত ৰখা প্ৰস্তাৱৰ বিষয় বস্তু হ'ব নোৱাৰে।

লোকসভাত এইদৰে স্বীকাৰ কৰা "যে সদন এতিয়া স্থগিত ৰাখক" প্ৰস্তাৱটো বিয়লি ৪ বজাত বা তাৰ আগতে আলোচনাৰ বাবে গ্ৰহণ কৰা হয় যদি সদনত কাম-কাজৰ অৱস্থা বিবেচনা কৰাৰ পিছত অধ্যক্ষই নিৰ্দেশ দিয়ে।যিহেতু বিদ্যালয়সমূহৰ যুৱ সংসদে কম সময়ৰ বাবে নিজৰ অধিৱেশন অনুষ্ঠিত কৰে, গতিকে তেওঁলোকে আহ্বান জনোৱা মনোযোগ আকৰ্ষনকাৰী প্ৰস্তাৱৰ লগে লগে বা অধ্যক্ষৰ সুবিধা অনুসৰি স্থগিত ৰখাৰ প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰে।

আহ্বান জনোৱা মনোযোগ আকৰ্ষন প্ৰস্তাৱ নিষ্পত্তিৰ পিছত অধ্যক্ষই যিজন সদস্যৰ নামত স্থগিত ৰখাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে তেওঁক প্ৰস্তাৱ আগবঢ়াবলৈ মাতিব। সদস্যজনে নিজৰ আসনৰ পৰা উঠি এই প্ৰস্তাৱ আগবঢ়াব: "যে সদন

এতিয়া স্থগিত ৰখা হওঁক"। ইয়াৰ পিছত সদস্যজনে সেই নিৰ্দিষ্ট বিষয়টোৰ ওপৰত ক'ব যিটো তেওঁ সদনে বিবেচনা কৰাটো বিচাৰে। ইয়াৰ পিছতে শাসকীয়ৰ লগতে বিৰোধী পক্ষৰ পৰাও সদস্যসকলে প্ৰস্তাৱৰ বিষয়বস্তুৰ ওপৰত চুটি ভাষণ প্ৰদান কৰিব।ইয়াৰ পিছত সংশ্লিষ্ট মন্ত্ৰীয়ে বিতৰ্কত হস্তক্ষেপ কৰিব, যাৰ উত্তৰ প্ৰস্তাৱকাৰীয়ে দিব।ইয়াৰ পিছত অধ্যক্ষই আনুষ্ঠানিকভাৱে এই প্ৰস্তাৱ সদনৰ সন্মুখত ভোটদানৰ বাবে উত্থাপন কৰিব।

যিহেতু স্থগিত ৰখাৰ প্ৰস্তাৱটোত একেদিনাই জাননী দিয়া হয় আৰু স্বীকাৰ কৰা হয়, সেয়েহে ইয়াৰ সন্দৰ্ভত ইয়াৰ বিষয়বস্তুৰ অন্তৰ্ভুক্তিৰ জৰুৰী আৰু গুৰুত্বৰ বাবে দিনটোত সদনৰ কাৰ্যসূচীত দেখুওৱা হোৱা নাই।অৱশ্যে স্থগিত ৰখা প্ৰস্তাৱৰ অন্তৰ্ভুক্তি সম্পৰ্কীয়  প্ৰশ্ন প্ৰশ্নকালৰ পিছতেই উত্থাপন হয়।

## ৫। বিশেষাধিকাৰ ভংগৰ সৈতে জড়িত প্ৰশ্ন

সংসদৰ সদস্যসকলে নিজৰ কাম-কাজ সম্পৰ্কীয় স্বাধীনতা, ব্যক্তিগতভাৱে আৰু সামূহিকভাৱে সদনৰ মৰ্যাদা আৰু কৰ্তৃত্বৰ প্ৰতিবাদ কৰিবলৈ কিছুমান সুবিধা, ৰেহাই আৰু বিশেষাধিকাৰ লাভ কৰিবলৈ আহিছে।"বিশেষাধিকাৰসমূহ মূলতঃ সংসদৰ স্বাধীনতা আৰু মৰ্যাদা ৰক্ষা আৰু বজাই ৰখাৰ বাবে বিদ্যমান।বিশেষ বিশেষাধিকাৰ হৈছে সদনৰ বাহিৰৰ কোনো ব্যক্তিৰ কোনো কাৰ্য্য বা ভাবুকি বা কাৰ্য্যবিধিৰ ভয় নোহোৱাকৈ দিয়া সংসদৰ প্ৰতিজন সদস্যৰ ব্যক্ত মতামত লাভ কৰাৰ অধিকাৰৰ সৈতে জড়িত"।

কাৰ্যৰ ওপৰত যিকোনো বক্তব্য, অৰ্থাৎ যিকোনো কথা কোৱা বা কৰা যিয়ে ইয়াৰ আদেশ বা কৰ্তৃত্বৰ অবাধ্যতাৰ সমান বা যিয়ে ইয়াৰ মৰ্যাদাৰ ক্ষতি কৰে, হ্ৰাস কৰে বা লাঘৱ কৰে বা যিয়ে ইয়াক অৱজ্ঞা বা উপহাসৰ পাত্ৰত পৰিণত কৰায়, সেইটোৱে "সদনৰ অৱমাননা" আৰু এইবোৰ নিন্দাযোগ্য আৰু চৰম ক্ষেত্ৰত কাৰাদণ্ড বা আটকৰ শাস্তি যোগ্য।

চমুকৈ বিশেষাধিকাৰৰ প্ৰশ্নৰ সৈতে মোকাবিলা কৰাৰ পদ্ধতিসমূহ তলত দিয়া ধৰণৰ :-

বিশেষাধিকাৰৰ প্ৰশ্ন উত্থাপন কৰিব বিচৰা সদস্যই অধ্যক্ষক নিজৰ উদ্দেশ্যৰ-বিষয়ে জাননী দিব লাগিব। যদিহে ই শেহতীয়া সংঘটিত হোৱা নিৰ্দিষ্ট বিষয় হয় আৰু যদি অধ্যক্ষই অনুভৱ কৰে যে ইয়াৰ বাবে সদনৰ হস্তক্ষেপৰ প্ৰয়োজন আছে তেন্তে তেওঁ সন্মতি প্ৰদান কৰে। তাৰ পিছত সদস্যজনে প্ৰশ্ন উত্থাপন কৰিবলৈ আবেদন জনায় আৰু যদি অনুমতি দিয়াৰ ওপৰত আপত্তি হয় তেন্তে অধ্যক্ষই এই পক্ষ লোৱা সদস্যসকলক নিজৰ ঠাইত বহিবলৈ অনুৰোধ জনাব আৰু যদি যুৱ সংসদনত উপস্থিত সদস্যৰ ১০ শতাংশতকৈ অধিক সংখ্যক সদস্য থিয় হয় তেন্তে অধ্যক্ষই ঘোষণা কৰিব যে অনুমতি দিয়া হৈছে। যদি অধ্যক্ষই অনুমতি দিবলৈ অস্বীকাৰ কৰে তেন্তে সদনত ইয়াৰ কথা উল্লেখ কৰিব আৰু বিষয়টো তাতেই শেষ হয়। বিশেষাধিকাৰৰ প্ৰশ্নসমূহ অগ্ৰাধিকাৰ লাভৰ যোগ্য আৰু প্ৰশ্ন কালৰ পিছত লগে লগে গ্ৰহণ কৰা হয়।যেতিয়া অনুমতি প্ৰদান কৰা হয় তেতিয়া সদনে কোনো প্ৰশ্ন বিবেচনা কৰি সিদ্ধান্তত উপনীত হ'ব পাৰে বা কোনো সদস্যই সেই সম্পৰ্কে আগবঢ়োৱা প্ৰস্তাৱৰ ওপৰত বিষয়টো বিশেষাধিকাৰ

সমিতিলৈ প্ৰেৰণ কৰিব পাৰে। অধ্যক্ষই নিজাববীয়াকৈ বিশেষধিকাৰৰ যিকোনো প্ৰশ্ন পৰীক্ষা, তদন্ত বা প্ৰতিবেদনৰ বাবে সমিতিলৈ প্ৰেৰণ কৰিব পাৰে।

## ৬। সদনৰ টেবুলত ৰাখিবলগীয়া কাগজ-পত্ৰ

ইয়াৰ অৰ্থ হ'ল কোনো মন্ত্ৰীয়ে বা কোনো ব্যক্তিগত সদস্যই বা সদনৰ সচিব প্ৰধানে সদনৰ ৰেকৰ্ডলৈ অনাৰ উদ্দেশ্যে সদনৰ টেবুলত ৰখা কাগজ-পত্ৰ বা নথি-পত্ৰ যিসমূহ সংবিধানৰ ব্যৱস্থা বা কাৰ্য্যবিধিৰ নিয়ম বা অধ্যক্ষৰ নিৰ্দেশনা বা সংসদৰ কোনো আইন আৰু তাত কৰা নিয়ম আৰু বিধিসমূহ অনুসৰি অধ্যক্ষৰ অনুমতি সাপেক্ষে ৰখা হয়। টেবুলত এনেদৰে ৰখা সকলো কাগজ-পত্ৰ হয় সদনৰ কাৰ্যবিধিৰ অংশ হিচাপে অথবা পুথিভঁৰালত ৰখাৰ বাবে ছপা কৰা হয়। সদনৰ টেবুলত ৰাখিবলগীয়া কাম-কাজৰ তালিকাত উল্লেখ কৰা কাগজ-পত্ৰৰ সন্দৰ্ভত মন্ত্ৰালয়ৰ পৰা তথ্য জানিব বিচৰা সদস্যই অধ্যক্ষক আগতীয়াকৈ অৱগত কৰিব লাগে যে কোনবোৰ নিৰ্দিষ্ট বিষয়ৰ ওপৰত তথ্যৰ প্ৰয়োজন আছে সেই বিষয়ে উল্লেখ কৰিব লাগে যাতে সংশ্লিষ্ট মন্ত্ৰীয়ে তথ্যসমূহ লৈ সাজু হৈ আহিব পাৰে।

## ৭। মনোযোগ আকৰ্ষন কৰা প্ৰস্তাৱ

এগৰাকী সদস্যই অধ্যক্ষৰ পূৰ্ব অনুমতি সাপেক্ষে ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি কোনো মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে আৰু সেই বিষয়ে তেওঁক বক্তব্য দিবলৈ অনুৰোধ কৰিব পাৰে।সভা স্থগিত প্ৰস্তাৱৰ আশ্ৰয় নোলোৱাকৈ জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়সমূহ সদনৰ দৃষ্টিগোচৰ কৰিবলৈ সদস্যসকলে অনুভৱ কৰা প্ৰয়োজনীয়তা পূৰণ কৰা এয়া এক বিশুদ্ধ ভাৰতীয় উদ্ভাৱন ব্যৱস্থা।অধ্যক্ষই সিদ্ধান্ত লোৱা গ্ৰহণযোগ্যতাৰ পৰীক্ষাটো হ'ল বিষয় বস্তুটোৰ আৱশ্যকতা আৰু ৰাজহুৱা গুৰুত্ব।ইয়াৰ জাননী প্ৰস্তাৱৰ বিষয়বস্তু উত্থাপন হোৱা দিনটোতে দিয়া উচিত। পদ্ধতিটো হ'ল যেতিয়া সদস্যজনক অধ্যক্ষই মাতে তেতিয়া তেওঁ নিজৰ ঠাইত থিয় হৈ সংশ্লিষ্ট মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰে আৰু তেওঁক বক্তব্য দিবলৈ অনুৰোধ কৰে।মন্ত্ৰীয়ে বিবৃতিটো পঢ়ি শুনায় বা বিবৃতিটো দীঘলীয়া হ'লে তেওঁ একেখিনিকে সদনৰ টেবুলত ৰাখিব পাৰে।পিছত সদস্যসকলক বিবৃতিটো অধ্যয়ন কৰি প্ৰশ্ন সুধিবলৈ সময় দিয়া হয় যাৰ উত্তৰ মন্ত্ৰীয়ে ঠাইতে দিয়ে।বিবৃতিটোৰ ওপৰত কোনো বিতৰ্ক নাই যদিও সদস্যসকলে স্পষ্টীকৰণ বিচাৰি প্ৰশ্ন কৰিব পাৰে।

মনোযোগ আকৰ্ষন কৰা প্ৰস্তাৱ এখন যুৱ সংসদৰ কাৰ্যসূচীৰ এক গুৰুত্বপূৰ্ণ বিষয় আৰু এইটো চাব লাগে যে ই যাতে দীঘলীয়া জটিল বিতৰ্কলৈ অৱনমিত নহয়।মন্ত্ৰীয়ে তেওঁৰ বক্তব্য পঢ়াৰ পিছত কোনো এটা কথাৰ স্পষ্টীকৰণ বা বাখ্যা বিচৰাৰ প্ৰথম সুযোগ সেই সদস্যজনক দিয়া হয় যিয়ে মনোযোগ আকৰ্ষন প্ৰস্তাৱৰ জাননী দাখিল কৰে।ইয়াৰ পিছত যিসকল সদস্যৰ নাম কাম-কাজৰ তালিকাত আছে তেওঁলোকে অধ্যক্ষৰ অনুমতি সাপেক্ষে এজন এজনকৈ প্ৰশ্ন কৰিব পাৰে বা স্পষ্টীকৰণ বিচাৰিব পাৰে। যেতিয়া সকলো সদস্যই নিজৰ বক্তব্য দাঙি ধৰে তেতিয়া সংশ্লিষ্ট মন্ত্ৰীক অধ্যক্ষই সদস্যসকলে উত্থাপন কৰা কথাবোৰৰ উত্তৰ দিবলৈ মাতে।

এই বিষয়টোৰ সন্দৰ্ভত কাম-কাজৰ তালিকাত তলত দিয়া ধৰণে প্ৰৱিষ্টি কৰা হৈছে:-

মনোযোগ আহ্বান

শ্ৰী আনন্দ কুমাৰ;

শ্ৰী জৰ্জ মেথিউ;

শ্ৰী সুৰেশ সিং;

শ্ৰী মহম্মদ খান

দেশৰ বিভিন্ন প্ৰান্তত অধিবক্তাই অব্যাহত ৰখা ধৰ্মঘটৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি আৰু বিষয়টো নিষ্পত্তি কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি গৃহ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰা।

শেহতীয়াকৈ সংসদত আহ্বান জনোৱা মনোযোগ আকৰ্ষন প্ৰস্তাৱ গ্ৰহণ কৰা কিছুমান বিষয় তলত দিয়া ধৰণৰ:-

১) দিল্লী পৰিবহণ নিগমৰ কৰ্মচাৰীৰ D.T.C ধৰ্মঘটৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি;

২) কুহিয়াৰৰ খেতিয়কসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে পাৰিতোষিক মূল্য নিশ্চিত কৰাৰ প্ৰয়োজনীয়তা;

৩) কপাহীসূতা খেতিয়ক আৰু হস্ততাঁত আৰু পাৱাৰলুম শিপিনীসকলক প্ৰভাৱিত কৰা বস্ত্ৰ উদ্যোগৰ সংকট আৰু বিষয়টোত চৰকাৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা।

*মনোযোগ আহ্বান*

শ্ৰী/শ্ৰীমতী/......................

শ্ৰী/শ্ৰীমতী/ মিছ.............

শ্ৰী/শ্ৰীমতী/ মিছ............. যে...........ৰ প্ৰতি (বিষয়বস্তু)

.....বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰে।

অধ্যক্ষই সেই সদস্যৰ নাম মাতিব যাৰ নামত কাম-কাজৰ তালিকাত এই বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে।নাম মাতাৰ লগে লগে সদস্যজনে নিজৰ আসনৰ পৰা উঠি সংশ্লিষ্ট মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব আৰু বিষয়টোৰ ওপৰত বক্তব্য দিবলৈ অনুৰোধ কৰিব।সদস্যজনে যিটো ৰূপত মনোযোগ আকৰ্ষণ কৰিব, সেয়া হ'ল-

তলত উল্লেখ কৰা জনসাধাৰণৰ বাবে গুৰুত্বপূৰ্ণ বিষয়টোৰ প্ৰতি মই মন্ত্ৰী মহোদয় .......... ৰ দৃষ্টি আকৰ্ষণ কৰো আৰু তাৰ ওপৰত তেওঁক এটা বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ।

তাৰ পিছত মন্ত্ৰীয়ে বিষয়টোৰ ওপৰত বক্তব্য দিব।যিগৰাকী সদস্য বা সদস্যসকলৰ নামত জাননী দাখিল কৰা হৈছে, তেওঁলোকে মন্ত্ৰীয়ে দিয়া বক্তব্যৰ পৰা উদ্ভৱ হোৱা বিষয়ত স্পষ্টীকৰণ বিচাৰি প্ৰশ্ন সুধিব পাৰিব।যিসকল সদস্যৰ নাম কাম-কাজৰ তালিকাত নাথাকে, তেওঁলোকক সাধাৰণতে প্ৰশ্ন কৰিবলৈ অনুমতি

দিয়া নহয়।সদস্যসকলে উত্থাপন কৰা সকলো প্ৰশ্ন শুনি মন্ত্ৰীয়ে ইয়াৰ একত্ৰিত উত্তৰ দিব আৰু তাৰ পিছত এই বিষয়ত আৰু কোনো আলোচনা নহ'ব।

যুৱ সংসদত এই কাম-কাজ ১০ মিনিটতকৈ বেছি সময় ল'ব নালাগে।

চেক-লিষ্ট

১। নিৰ্দিষ্ট পদ্ধতিৰে কাম-কাজৰ তালিকাত বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে।

২। বক্তাই জানে যে তেওঁ কি ক'বলৈ আছে।

৩। মনোযোগ আকৰ্ষণ কৰিবলৈ কি কবলগীয়া আছে সেয়া সংশ্লিষ্ট সদস্যজনে জানে। সংশ্লিষ্ট মন্ত্ৰীয়ে চমু বক্তব্য দিয়াৰ পিছত তেওঁ আৰু কি কি প্ৰশ্ন সুধিব লাগিব সেয়াও তেওঁ জানে।

৪। সংশ্লিষ্ট মন্ত্ৰীসকলে তেওঁলোকৰ চমু বিবৃতি প্ৰস্তুত কৰিছে।

কম সময়ৰ বাবে জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা

১৯৫৩ চনত লোকসভাত এক প্ৰথাৰ ব্যৱস্থা কৰা হয় যাতে সদস্যসকলে ৰাজহুৱা গুৰুত্বপূৰ্ণ যিকোনো বিষয়ত আলোচনা কৰাৰ সুযোগ লাভ কৰে।এই প্ৰথা অনুসৰি সদস্যসকলে কোনো আনুষ্ঠানিক প্ৰস্তাৱ বা কোনো ভোট নোহোৱাকৈ কম সময়ৰ বাবে আলোচনাৰ অৰ্থে বিষয়সমূহ উত্থাপন কৰিব পাৰে।

এনে আলোচনাৰ জাননীৰ লগত আলোচনা উত্থাপন কৰাৰ কাৰণবোৰ বুজাই দিয়া এক টোকাও দিয়া হয়। জাননীখনত কমেও দুজন আন সদস্যইও তেওঁলোকৰ স্বাক্ষৰেৰে সমৰ্থন কৰিব লাগিব।আলোচনাৰ বাবে উত্থাপন কৰা বিষয়টো অস্পষ্ট আৰু প্ৰমাণহীন হ'ব নালাগে।ই জৰুৰী ৰাজহুৱা গুৰুত্বৰ হোৱা উচিত।

**কাৰ্যপদ্ধতি**

বিষয়টো কাৰ্যক্ৰমণিকাৰ তালিকাত তলত দিয়া ধৰণে অন্তৰ্ভুক্ত কৰা হৈছে:

বিধি ১৯৩ৰ আধীনত জৰুৰী ৰাজহুৱা গুৰুত্বৰ বিষয়সমূহৰ ওপৰত আলোচনা

শ্ৰী/ শ্ৰীমতী........................

শ্ৰী/ শ্ৰীমতী.......................

শ্ৰী/শ্ৰীমতী......................ৰ দ্বাৰা আলোচনা কৰিবলৈ।

যিগৰাকী সদস্যই জাননী দিছে, তেওঁ এটা চুটি বক্তব্য দাঙি ধৰে।আন সদস্যসকলেও আলোচনাত অংশগ্ৰহণ কৰে।বিষয়টোৰ ওপৰত তেওঁলোকৰ যি তথ্য আছে, সেয়া সদনক দিয়া হয়।শেষত সংশ্লিষ্ট মন্ত্ৰীয়ে চমু উত্তৰ দিয়ে।আলোচনাৰ প্ৰস্তাৱকজনৰ কোনো উত্তৰ দিয়াৰ অধিকাৰ নাই।কোনো আনুষ্ঠানিক প্ৰস্তাৱ নাই, ভোটদানো নাই। যুৱ সংসদক এনে আলোচনাৰ বাবে মাত্ৰ ১০ মিনিট সময় নিৰ্ধাৰণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

চেক-লিষ্ট

১) বিষযটো নিৰ্ধাৰিত পদ্ধতিৰে কাৰ্যক্ৰমণিকাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

২) সংশ্লিষ্ট সদস্যজনে তেওঁৰ চমু ভাষণ প্ৰস্তুত কৰিছে।

৩) আলোচনাত অংশগ্ৰহণ কৰিবলৈ বিচৰা সদস্যসকলে, নিজৰ ভাষণ প্ৰস্তুত কৰিছে।

৪) বিষয়টোৰ দায়িত্বত থকা মন্ত্ৰীয়ে তেওঁৰ উত্তৰ প্ৰস্তুত কৰি থৈছে।

# অধ্যায়-৭

## যুৱ সংসদ পৰিচালনাৰ পদ্ধতি - তৃতীয় খণ্ড

## আইনগত কাৰ্যক্ৰমণিকা

আইন প্ৰণয়ন সংসদৰ এটা ডাঙৰ কাম আৰু সেয়েহে যুৱ সংসদত আইনগত কাৰ্যক্ৰমণিকা তালিকাৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ব লাগে।সকলো আইনগত প্ৰস্তাৱ বিধেয়কৰ ৰূপত সংসদৰ সন্মুখত অনা হয়।বিল হৈছে এখন বিধিৰ খচৰা। সংসদে গৃহীত কৰি ৰাষ্ট্ৰপতিৰ সন্মতি নোপোৱালৈকে কোনো বিধেয়ক আইন হ'ব নোৱাৰে।

আমাৰ দৰে আইন প্ৰণয়নকাৰী সংসদীয় গণতন্ত্ৰ এক জটিল প্ৰক্ৰিয়াত পৰিণত হৈছে। যেতিয়া কোনো বিশেষ সমস্যা বা অসুবিধাৰ সন্মুখীন হোৱা যায় বা যিকোনো সামাজিক বা অৰ্থনৈতিক বা ৰাজনৈতিক নীতিক কাৰ্যকৰী কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়, তেতিয়া বহু গোটৰ সৈতে ব্যাপক আলোচনা কৰা হয়।কেবিনেটে এটা প্ৰস্তাৱ সন্দৰ্ভত সিদ্ধান্ত ল'লেই বিভাগীয় বিশেষজ্ঞ আৰু বিষয়াৰ লগত আলোচনা কৰি চৰকাৰী খচৰা প্ৰস্তুতকাৰীয়ে ইয়াৰ খচৰা প্ৰস্তুত কৰে। এইদৰে প্ৰস্তাৱটোক বিধেয়কৰ ৰূপ দি সংসদত উত্থাপন কৰা হয়।বিধেয়ক মানে হ'ল-মন্ত্ৰীয়ে পৃষ্ঠপোষকতা কৰা চৰকাৰী বিধেয়ক নাইবা মন্ত্ৰীৰ বাহিৰে আন সদস্যৰ দ্বাৰা পৃষ্ঠপোষকতা কৰা ব্যক্তিগত সদস্য বিধেয়ক।

সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা-Iত উল্লেখ কৰা বিষয়সমূহৰ সন্দৰ্ভত আইন প্ৰণয়নৰ একচেটিয়া ক্ষমতা সংসদৰ আছে, যিখনক কেন্দ্ৰীয় তালিকা বুলি জনা যায়।একেদৰে ৰাজ্যিক বিধানসভাৰ তালিকা-IIত উল্লেখ কৰা বিষয়সমূহৰ ক্ষেত্ৰত আইন প্ৰণয়নৰ একচেটিয়া ক্ষমতা আছে, যিখনক ৰাজ্যিক তালিকা বুলি জনা যায়। তৃতীয় তালিকাক এনে বিষয়ক সামৰি লোৱা সমান্তৰাল তালিকা বুলি কোৱা হয়, যাৰ ওপৰত সংসদ আৰু ৰাজ্যিক বিধানসভাই আইন প্ৰণয়নৰ ক্ষমতাৰ ক্ষেত্ৰত সহমতত উপনীত হৈছে।

### ১। (i) বিধেয়কৰ শ্ৰেণীবিভাজন

বিধেয়কসমূহ হ'ল(i)চৰকাৰী বিধেয়ক যিবোৰ মন্ত্ৰীৰ দ্বাৰা পৃষ্ঠপোষকতা কৰিব লাগিব আৰু(ii)ব্যক্তিগত সদস্যৰ বিধেয়ক যিবোৰ মন্ত্ৰীৰ বাহিৰে আন সদস্যই পৃষ্ঠপোষকতা কৰে।বিলসমূহক ইয়াৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি তলত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি :-

(ক) মূল বিল; অৰ্থাৎ যিবোৰ বিধেয়কে নতুন প্ৰস্তাৱ, ধাৰণা বা নীতিক সামৰি লয়;

(খ) সংশোধনী বিধেয়ক; অৰ্থাৎ যিবোৰ বিধেয়ক বৰ্তমানৰ ৰূপত সংশোধনৰ প্ৰয়োজনীয়তা আছে;

(গ) একত্ৰিত কৰা বিধেয়ক, অৰ্থাৎ যিবোৰ বিধেয়কে বহুতো প্ৰণয়ত সিঁচৰতি হৈ থকা বিধানসমূহ এটা প্ৰণয়ত একেলগে বিচাৰে;

(ঘ) ম্যাদ উকলিবলৈ ওলোৱা আইনসমূহ অব্যাহত ৰখা বা জীয়াই ৰখাৰ বিধেয়ক;

(ঙ) গৃহীত অধ্যাদেশৰ ঠাইত বিধেয়ক,

(চ) সংবিধান সংশোধনী বিধেয়ক।

### (ii) এখন বিধেয়কৰ পৰ্যায়

এখন বিধেয়ক তিনিটা পৰ্যায়ৰ মাজেৰে পাৰ হ'ব লাগে, যাক বিধেয়কৰ তিনিটা পঠন বোলা হয়।

### বিধেয়কখনৰ প্ৰথম পঠন

বিধেয়কখন উত্থাপনৰ বাবে নিৰ্ধাৰণ কৰা দিনটোত অধ্যক্ষই বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতিৰ প্ৰস্তাৱ আগবঢ়াবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক কয়। প্ৰস্তাৱটো হ'ব "এখন বিধেয়ক...........(বিধেয়কখনৰ শিৰোনাম)উত্থাপন কৰিবলৈ অনুমতিৰ বাবে মই অনুৰোধ কৰিছো"।

ইয়াৰ পিছত অধ্যক্ষই এই কথাৰে সদনৰ ভোটত প্ৰশ্নটো উত্থাপন কৰে- "প্ৰশ্নটো হ'ল...........বিধেয়ক(বৰ্ষ)খন উত্থাপন কৰিবলৈ............বিভাগৰ মন্ত্ৰীক অনুমতি দিয়া হওঁক।

পক্ষত থকাসকলে ক'ব 'আয়ে (Aye)', বিৰোধীসকলে ক'ব 'নাই'।

সদনৰ ৰায়ৰ মূল্যায়ন হোৱাৰ পাছত অধ্যক্ষই তিনিবাৰকৈ ক'ব- "Ayes"

বা Noes আছে, Ayes(বা Noes)আছে, Ayes(বা Noes)আছে",তেওঁ তাৰ পিছত ঘোষণা কৰিব যে "অনুমতি দিয়া হৈছে (বা দিয়া হোৱা নাই)"যিটো হয়। যদি অনুমতি দিয়া হয় তেতিয়া তেওঁ সংশ্লিষ্ট মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ ক'ব। তাৰ পিছত মন্ত্ৰীজনে নিজৰ আসনত থিয় হৈ কয়: "মই .........বিধেয়কখন উত্থাপন কৰিবলৈ লৈছো"

দৈনিক কাৰ্যক্ৰমনিকাৰ তালিকাত যি ৰূপত উত্থাপন হ'ব লাগে সেয়া তলত দিয়া অনুসৰি হ'ব লাগে :-

"বিধানমূলক কাৰ্যক্ৰমণিকা"

উত্থাপনৰ বাবে বিল

ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংক (সংশোধনী) বিধেয়ক-

শ্ৰী......(বিত্তমন্ত্ৰী)ক ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংক আইন, ১৯৬৪ সংশোধনৰ বাবে বিধেয়ক উত্থাপন কৰিবলৈ অনুমতি প্ৰদান।

"বিধেয়কখন উত্থাপন কৰিবলৈও",

প্ৰস্তাৱ গ্ৰহণ কৰাৰ সময়ত বিধেয়কখন মন্ত্ৰীয়ে উত্থাপন কৰা বুলি গণ্য কৰা হয়।

নিয়ম অনুসৰি এনে প্ৰস্তাৱৰ বিৰোধিতা কৰা নহয় যদিহে এজন বা ততোধিক সদস্যই এইটো সদনৰ ক্ষমতাৰ বাহিৰত বুলি দাবী নকৰে। এনে ক্ষেত্ৰত তেওঁলোকে দিনটোৰ বৈঠক আৰম্ভ হোৱাৰ আগতে সদনৰ মহাসচিবক নিজৰ উদ্দেশ্য লিখিতভাৱে অৱগত কৰিব লাগিব .

## বিধেয়কখনৰ দ্বিতীয় পঠন

বিধেয়কখনৰ দ্বিতীয় পঠন দুটা পৰ্যায়ৰে গঠিত। প্ৰথম পৰ্যায়ত তলত দিয়া যিকোনো এটা প্ৰস্তাৱ আগবঢ়াব পাৰি, তাৰ পিছত বিধেয়কখনৰ নীতিৰ ওপৰত আলোচনা হ'ব পাৰে।প্ৰস্তাৱটো হ'ব পাৰে....(i) ইয়াক বিবেচনা কৰা হওক (ii) ইয়াক সদনৰ নিৰ্বাচিত সমিতিলৈ প্ৰেৰণ কৰা হওক (iii) ইয়াক সংসদৰ উভয় সদনৰ যুটীয়া সমিতিলৈ প্ৰেৰণ কৰা হওক আৰু (iv)ইয়াক জনমত গঠনৰ বাবে প্ৰচাৰ কৰা হওক।

যদিহে দ্বিতীয় প্ৰস্তাৱ, অৰ্থাৎ"বিধেয়কখন বিবেচনা কৰা হ'ব পাৰে" উত্থাপন কৰা হয় তেতিয়া যদি সদনে সন্মতি দিয়ে, ইয়াৰ সাধাৰণ নীতি আৰু বিধানসমূহৰ বিষয়ে আলোচনা কৰিবলৈ সদন আগবাঢ়ি যায়।নীতিসমূহৰ বাখ্যা দিবলৈ প্ৰয়োজনীয় সবিশেষৰ বাহিৰে বিধেয়কখনৰ সবিশেষ, সাধাৰণতে এই পৰ্যায়ত আলোচনা কৰা নহয়।

দ্বিতীয় পঠনৰ দ্বিতীয় পৰ্যায়ত যৌথ বা নিৰ্বাচিত সমিতিয়ে উত্থাপন কৰা মতে বা ইয়াৰ প্ৰতিবেদন অনুসৰি বিধেয়কসমূহ দফা দফাকৈ বিবেচনা কৰা হয়। কোনো বিধেয়ক উত্থাপন কৰাৰ পিছত যিকোনো সময়তে সংশোধনীৰ জাননী দিব পাৰি যদিও সকলো সংশোধনী বিধেয়কখন বিবেচনাৰ অন্ততঃ এদিন আগতে দিব লাগিব।অধ্যক্ষই সদনৰ অনুমোদন সাপেক্ষে এদিনৰ কম সময়ৰ যিকোনো জাননী ৰেহাই দিব পাৰে। গ্ৰহণযোগ্য হ'বলৈ হ'লে এটা সংশোধনী

বিধেয়কখনৰ পৰিসৰৰ ভিতৰত হ'ব লাগিব, সদনৰ পূৰ্বৰ কোনো সিদ্ধান্তৰ সৈতে সামঞ্জস্যপূৰ্ণ হ'ব নালাগিব, বা তুচ্ছ বা অৰ্থহীন বা ডায়েলেটৰী প্ৰকৃতিৰ হ'ব নালাগিব।

## বিধেয়কখনৰ তৃতীয় পঠন

যেতিয়া কোনো বিধেয়কক দফা দফাকৈ বিবেচনা কৰা হয় আৰু যেতিয়া ইয়াৰ সকলো সূচী তথা অন্যান্য অংশ বিবেচনা কৰি ভোটদানৰ বাবে দিয়া হয়, তেতিয়া ভাৰপ্ৰাপ্ত মন্ত্ৰীয়ে বিধেয়কখন গৃহীত কৰিবলৈ প্ৰস্তাৱ দিব পাৰে।এবাৰ প্ৰস্তাৱ দাখিল হ'লে আনুষ্ঠানিক মৌখিক বা অপ্ৰয়োজনীয় প্ৰকৃতিৰ বাহিৰে কোনো সংশোধনীৰ কথা বিবেচনা কৰিব নোৱাৰি। এই পৰ্যায়ত আলোচনা হৈছে যে বিধেয়কখন যিদৰে উত্থাপন হৈছে, সেইদৰেই গৃহীত বা নাকচ হ'ব পাৰে। সাধাৰণ বিধেয়ক এখন গৃহীত কৰাৰ ক্ষেত্ৰত উপস্থিত থকা আৰু ভোটদান কৰা সদস্য সকলৰ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন।সংবিধান সংশোধনৰ বিধেয়ক এখনৰ ক্ষেত্ৰত সদনৰ মুঠ সদস্যৰ সংখ্যাগৰিষ্ঠতা আৰু উপস্থিত থকা আৰু ভোটদান কৰা সদস্যৰ দুই-তৃতীয়াংশতকৈ কম নোহোৱা সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন।কাৰ্যক্ৰমণিকাৰ তালিকাত দ্বিতীয় আৰু তৃতীয় পঠনৰ বাবে বিধেয়কখন যি ৰূপত উত্থাপন হ'ব লাগে সেয়া তলত দিয়া অনুসৰি হ'ব লাগে:

আইনগত কাৰ্যক্ৰমণিকা

বিবেচনা আৰু গৃহীত কৰাৰ বাবে বিধেয়ক

শ্ৰী.........(নাম), ৰে'ল বিভাগৰ মন্ত্ৰীয়ে ভাৰতীয় ৰে'লৱে (সংশোধনী) আইন, ১৯১৯ৰ অধিক সংশোধনী বিধেয়কখন বিবেচনা কৰিবলৈ প্ৰস্তাৱ আগবঢ়াব।লগতে বিধেয়কখন গৃহীত কৰিবলৈও প্ৰস্তাৱ আগবঢ়াব।

ব্যক্তিগত সদস্যৰ বিধেয়ক

ব্যক্তিগত সদস্যসকলে তেওঁলোকৰ বিধেয়ক সন্দৰ্ভত পালন কৰিবলগীয়া সাধাৰণ পদ্ধতি নিম্নোক্ত ব্যতিক্ৰমেৰে চৰকাৰী বিধেয়কৰ দৰেই হ'ব:-

(ক) জাননীৰ সময়সীমা এমাহ;

(খ) কোনো সদস্যই এখন অধিবেশনৰ সময়ত ৪ খনতকৈ অধিক বিধেয়কৰ জাননী দিব নোৱাৰে;আৰু

(গ) উত্থাপনৰ পিছত আপেক্ষিক অগ্ৰাধিকাৰ বেলটৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়।

## ২। (i) প্ৰস্তাৱ

সেই সন্দৰ্ভত উত্থাপিত প্ৰস্তাৱৰ বাহিৰে সদনে কোনো বিষয় বিবেচনা নকৰিব।সদনে ইয়াৰ ইচ্ছা আদেশৰ ৰূপত আৰু মতামত প্ৰস্তাৱৰ ৰূপত প্ৰকাশ কৰে যদিও দুয়োটাৰে উৎপত্তি এটা প্ৰস্তাৱৰ পৰাই হয়।এটা প্ৰস্তাৱ সদনৰ বিবেচনা আৰু সিদ্ধান্তৰ বাবে সদনত দাখিল কৰা প্ৰস্তাৱ হিচাপে সংজ্ঞায়িত কৰা হৈছে "প্ৰস্তাৱ হৈছে কেৱল সদনৰ সদস্যজনৰ মতামত বা ইচ্ছাৰ প্ৰকাশ, যিটো তেওঁ সদনৰ সন্মুখত উত্থাপন কৰে যাতে সদনে ইচ্ছা কৰিলে,ই সমগ্ৰ বিধানসভাৰ মতামত বা ইচ্ছা হৈ পৰিব" (এৰিঅ' টেইলৰে তেওঁৰ গ্ৰন্থ হাউছ অৱ কমনছ এট্ ৱৰ্কত উল্লেখ কৰিছে)।

সদনৰ সিদ্ধান্ত ল'বলগীয়া বিষয় এটা সদস্যই দিয়া প্ৰস্তাৱৰ ওপৰত অধ্যক্ষই সোধা প্ৰশ্নৰ জৰিয়তে সিদ্ধান্ত লোৱা হয়।কোনো প্ৰস্তাৱৰ ওপৰত হোৱা বিতৰ্ক তলত দিয়া চাৰিটা পৰ্যায়ৰ মাজেৰে পাৰ হয়:

(ক) প্ৰস্তাৱটো উত্থাপন কৰা

(খ) অধ্যক্ষৰ দ্বাৰা প্ৰশ্নটো প্ৰস্তাৱ কৰা;

(গ) অনুমোদিত ঠাইত হোৱা আলোচনাৰ বিতৰ্ক;আৰু

(ঘ) অধ্যক্ষই প্ৰশ্ন উত্থাপন কৰাৰ পিছত সদনৰ সিদ্ধান্তৰ ভোট।অধ্যক্ষই প্ৰশ্নটোৰ ওপৰত হয় আৰু নহয়ৰ মাত সংগ্ৰহ কৰাৰ পিছত কোনো সদস্যই কথা ক'ব নোৱাৰিব।

প্ৰস্তাৱ বিভিন্ন ধৰণৰ হ'ব পাৰে যিবোৰ বিভিন্ন ব্যক্তিয়ে বিভিন্ন উদ্দেশ্যত উত্থাপন কৰে।প্ৰস্তাৱসমূহ দিব পাৰে চৰকাৰৰ মন্ত্ৰীসকলে বা ব্যক্তিগত সদস্যসকলে সাধাৰণভাৱে ক'বলৈ গ'লে,চৰকাৰী প্ৰস্তাৱসমূহ এনেবোৰ ক্ষেত্ৰতে সীমাবদ্ধ থাকে যেতিয়া তেওঁলোকে চৰকাৰৰ কোনো নীতি বা কাৰ্য্য সদনে সমৰ্থন কৰাটো বিচাৰে।আনকি চৰকাৰী বিধেয়ক এখনো ধাৰাবাহিক প্ৰস্তাৱৰ দ্বাৰা আগবাঢ়িব লাগে।ইয়াৰ বিপৰীতে ব্যক্তিগত সদস্যসকলৰ প্ৰস্তাৱসমূহ সাধাৰণতে সংশ্লিষ্ট প্ৰস্তাৱ, বিধেয়ক আৰু প্ৰস্তাৱ সম্পৰ্কীয়হে হয়।

## কিছুমান গুৰুত্বপূৰ্ণ প্ৰস্তাৱৰ উদাহৰণ

কিছুমান বিশেষ ধৰণৰ প্ৰস্তাৱ আছে যিবোৰ যুৱ সংসদ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা বিদ্যালয়সমূহে তেওঁলোকৰ কাৰ্যক্ৰমণিকাৰ তালিকাত অন্তৰ্ভুক্ত কৰিলে তেওঁলোকৰ আলোচনা বৈচিত্ৰ্যময় হ'ব। এই ধৰণৰ প্ৰস্তাৱৰ উদাহৰণ তলত দিয়া হ'ল:-

(১) সদন স্থগিত ৰখাৰ প্ৰস্তাৱ:

(২) মন্ত্ৰী পৰিষদত অনাস্থাৰ প্ৰস্তাৱ, আৰু...

(৩) সংবিধানৰ ৮৭(১) অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতিয়ে সংসদৰ দুয়োখন সদনক একেলগে একত্ৰিত কৰি প্ৰদান কৰা ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ।

### ২) (ii) সদন স্থগিত ৰখাৰ প্ৰস্তাৱ

এই ধৰণৰ প্ৰস্তাৱৰ বিষয়ে ইতিমধ্যে ষষ্ঠ অধ্যায়ৰ ক্ৰমিক নং ৪ ত চমুকৈ বাখ্যা কৰা হৈছে।

### ২) (iii) মন্ত্ৰী পৰিষদত অনাস্থাৰ প্ৰস্তাৱ

বিৰোধী দলৰ সদস্যসকলে কেতিয়াবা মন্ত্ৰী পৰিষদৰ ওপৰত অনা অনাস্থা প্ৰস্তাৱ তলত দিয়া শব্দৰে উত্থাপন কৰে "যে এই সদনে মন্ত্ৰী পৰিষদৰ ওপৰত নিজৰ আস্থাৰ অভাৱ প্ৰকাশ কৰে"।ইয়াৰ ফলত সদস্যসকলে চৰকাৰৰ সমগ্ৰ নীতি আৰু পদ্ধতিসমূহক সমালোচনা কৰাৰ ব্যাপক সুযোগ লাভ কৰে।

এই প্ৰস্তাৱ সদনত উত্থাপন কৰাৰ বাবে সদস্যজনে সেই দিনটোৰ বৈঠক আৰম্ভ হোৱাৰ আগতে তেওঁৰ প্ৰস্তাৱৰ লিখিত জাননী সচিব প্ৰধানক দিব লাগিব। যদি অধ্যক্ষই ভাৱে যে প্ৰস্তাৱটো ঠিকে আছে, তেতিয়া তেওঁ সদস্যজনক সদনৰ অনুমতি বিচাৰিবলৈ আহ্বান জনায়। তাৰ পিছত সদস্যজনে তলত দিয়া প্ৰস্তাৱটো আগবঢ়ায়: "অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিবলৈ মই সদনৰ অনুমতি বিচাৰিছো"। অধ্যক্ষই সদনত প্ৰস্তাৱটো পঢ়ি যিসকল সদস্য অনুমতি দিয়াৰ পক্ষত আছে তেওঁলোকক নিজৰ ঠাইত উঠিবলৈ অনুৰোধ কৰে আৰু যদি সদনৰ মুঠ সদস্যৰ কমেও দহ শতাংশই থিয় দিয়ে তেন্তে সদনে অনুমতি প্ৰদান কৰে। কিন্তু তেওঁলোকৰ ঠাইত ১০ শতাংশতকৈ কম সদস্য থিয় হ'লে সদনে অনুমতি প্ৰদান নকৰে আৰু প্ৰস্তাৱটো আলোচনাৰ বাবে লোৱা নহয়। যেতিয়া অনাস্থা প্ৰস্তাৱৰ বাবে অনুমতি দিয়া হয় তেতিয়া অধ্যক্ষই ঘোষণা কৰিব যে প্ৰস্তাৱটো আলোচনাৰ বাবে লোৱা হ'ব। নিৰ্দিষ্ট সময়ত অধ্যক্ষই সেই সদস্যজনক প্ৰস্তাৱটো তলত দিয়া শব্দৰে আগবঢ়াবলৈ ক'ব :-

"যে এই সদনে মন্ত্ৰী পৰিষদৰ ওপৰত আস্থাৰ অভাৱ হোৱা বুলি ব্যক্ত কৰিছে"।

প্ৰস্তাৱটো উত্থাপন কৰাৰ পিছত প্ৰস্তাৱকজনে এটা চুটি ভাষণ আগবঢ়াব আৰু তাৰ পিছত বিৰোধী দলৰ লগতে শাসকীয় দলৰ আন সদস্যসকলেও ভাষণ আগবঢ়াব। অনাস্থা প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনা কোনো বিশেষ বিষয়তে সীমাবদ্ধ নহয়। আলোচনাৰ কালছোৱাত চৰকাৰৰ যিকোনো নীতি আৰু কাৰ্য্যৰ ওপৰত যিকোনো বিষয় উত্থাপন কৰা বা

মন্তব্য কৰাটো যিকোনো সদস্যৰ বাবে মুকলি থাকে। এই আলোচনাত শাসকীয় দলৰ লগতে বিৰোধী দলৰ সদস্যসকলেও অংশগ্ৰহণ কৰে।

সদস্যসকলে প্ৰস্তাৱটোৰ ওপৰত কোৱাৰ পিছত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ চৰকাৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ উত্তৰ দিয়ে। ইয়াৰ পিছত প্ৰস্তাৱকাৰীক উত্তৰ দিবলৈ সুযোগ দিয়া হয়।

ইয়াৰ পিছত অধ্যক্ষই প্ৰস্তাৱটো সদনৰ সন্মুখত দাঙি ধৰি মৌখিক ভোটৰ জৰিয়তে সদনৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**২) (iv) ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ**

সংবিধানৰ ৮৭(১) অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতিয়ে সংসদৰ দুয়োখন সদনক দিয়া ভাষণৰ বাবে তেখেতলৈ কৃতজ্ঞতা প্ৰকাশ কৰি সদনত এটা আনুষ্ঠানিক প্ৰস্তাৱ উত্থাপন কৰা হয়। এই ভাষণত উল্লেখ কৰা বিষয়সমূহৰ ক্ষেত্ৰত আলোচনাৰ এক সুযোগ প্ৰদান কৰে। ইয়াক শাসকীয় দলৰ এজন জ্যেষ্ঠ সদস্যই তলত দিয়া ধৰণে আগবঢ়ায়:-

"যে ৰাষ্ট্ৰপতিৰ ওচৰত তলত দিয়া ধৰণেৰে এটা ভাষণ প্ৰদান কৰা হওক :

যে এই অধিৱেশনত সমবেত হোৱা যুৱ সংসদৰ সদস্যসকলে ৰাষ্ট্ৰপতিৰ প্ৰতি তেখেতৰ ভাষণৰ বাবে গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিছে, যিটো ভাষণ তেখেতে ..... (তাৰিখ)ত সংসদৰ দুয়োখন সদনত প্ৰদান কৰি আনন্দিত হৈছে।

শাসকীয় দলৰ আন এগৰাকী সদস্যই এই প্ৰস্তাৱক সমৰ্থন কৰে।

সদনৰ নেতাৰ সৈতে আলোচনা কৰি অধ্যক্ষই সংবিধানৰ ৮৭(১) অনুচ্ছেদৰ অধীনত সদনত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণত উল্লেখ কৰা বিষয়টোৰ আলোচনাৰ বাবে সময় নিৰ্ধাৰণ কৰে। এনে এটা দিনত সদনে ওপৰত ব্যাখ্যা কৰা ধৰণে কোনো সদস্যই উত্থাপন কৰা আৰু আন সদস্যই সমৰ্থন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত ভাষণত উল্লেখ কৰা বিষয়টোৰ ওপৰত আলোচনা কৰিব পাৰিব।

**৩। (i) সংকল্প প্ৰস্তাৱ**

ৰিজ'লিউচন বা সংকল্প প্ৰস্তাৱ মতামত বা পৰামৰ্শৰ ৰূপত হ'ব পাৰে বা চৰকাৰৰ কোনো আইন বা নীতিক সদনে অনুমোদন বা অসন্মতি লিপিবদ্ধ কৰাৰ ৰূপত হ'ব পাৰে বা বাৰ্তা প্ৰেৰণ কৰিব পাৰে বা সংশোধন কৰিব পাৰে, আহ্বান জনাব পাৰে বা ব্যৱস্থা গ্ৰহণৰ অনুৰোধ কৰিব পাৰে বা চৰকাৰৰ বিবেচনাৰ বাবে কোনো বিষয় বা পৰিস্থিতিৰ মনোযোগ আকৰ্ষণ কৰিব পাৰে।

সেই অনুসৰি যদি কোনো সংকল্প প্ৰস্তাৱ গ্ৰহণযোগ্য হ'ব লাগে, তেতিয়া ই তলত দিয়া চৰ্তসমূহ পূৰণ কৰিব লাগিব : (i) ইয়াক স্পষ্ট আৰু নিখুঁতভাৱে প্ৰকাশ কৰিব লাগিব,

(ii) ই যথেষ্ট পৰিমাণে এটা নিৰ্দিষ্ট বিষয় উত্থাপন কৰিব লাগিব;

(iii) ইয়াত যুক্তি, অনুমান, বিদ্ৰুপৰ অভিব্যক্তি, অভিযোগ বা মানহানিকাৰক বক্তব্য থাকিব নালাগিব।

(iv) ই চৰকাৰী বা ৰাজহুৱা ক্ষমতাৰ বাহিৰে ব্যক্তিৰ চৰিত্ৰ বা আচৰণক বুজাব নালাগে ; আৰু

(v) ভাৰতৰ কোনো অংশৰ আওতাত বিচাৰ ক্ষমতা থকা আদালতৰ বিচাৰৰ অধীনৰ কোনো বিষয়ৰ সৈতে ইয়াৰ সম্পৰ্ক নাথাকিব।

যিজন সদস্যৰ নামত কোনো প্ৰস্তাৱ কাৰ্যক্ৰমণিকাৰ তালিকাত আছে, তেওঁ (সেইটো প্ৰত্যাহাৰ কৰিব বিচৰাৰ বাহিৰে) প্ৰস্তাৱটো উত্থাপন কৰিব লাগিব, আৰু কাৰ্যক্ৰমণিকাৰ তালিকাত স্থান দিব লাগিব।

কোনো প্ৰস্তাৱ উত্থাপন কৰাৰ পিছত যিকোনো সদস্যই প্ৰস্তাৱ সম্পৰ্কীয় নিয়মৰ অধীনত প্ৰস্তাৱটোৰ সংশোধনী উত্থাপন কৰিব পাৰে।

সদস্যজনে প্ৰস্তাৱ উত্থাপন কৰাৰ পিছত বিৰোধীৰ লগতে শাসকীয় পক্ষৰ আন সদস্যই অধ্যক্ষই প্ৰস্তাৱৰ বিষয়বস্তুৰ ওপৰত বক্তব্য ৰাখিবলৈ ক'লে এজনৰ পিছত এজনে ক'ব পাৰিব। ইয়াৰ পিছত সংশ্লিষ্ট মন্ত্ৰীয়ে বিতৰ্কত হস্তক্ষেপ কৰিব যাৰ উত্তৰ অৱশেষত প্ৰস্তাৱকজনে দিব।

যদিহে প্ৰস্তাৱকজনে তেওঁৰ উত্তৰত প্ৰস্তাৱটোৰ ওপৰত সিদ্ধান্তৰ বাবে হেঁচা দিয়ে, তেতিয়া অধ্যক্ষই মৌখিক ভোটৰ জৰিয়তে সদনৰ সিদ্ধান্ত গ্ৰহণ কৰিব।

কিছুমান বিধি অনুসৰি তেওঁলোকে কাৰ্যবাহীক প্ৰদান কৰা ক্ষমতাৰ অধীনত কৰা যিকোনো নিয়ম বা অধিসূচনা নিৰ্দিষ্ট সময়ৰ ভিতৰত সংসদৰ প্ৰস্তাৱৰ দ্বাৰা অনুমোদিত হ'ব লাগিব আৰু এই নিয়মসমূহ এনে পৰিৱৰ্তিত ৰূপত কাৰ্যকৰী হয় বা প্ৰস্তাৱটোৱে নিৰ্দেশ দিয়াৰ দৰে কাৰ্যকৰী হোৱা বন্ধ হয়।

সাধাৰণতে সংসদত তলত উল্লেখ কৰা ধৰণৰ প্ৰস্তাৱ উত্থাপন আৰু গ্ৰহণ কৰা হয়:-

১। অধিসূচনাৰ অনুমোদন বিচৰি প্ৰস্তাৱ।

২। জৰুৰীকালীন অৱস্থা ঘোষণাৰ অনুমোদন বিচাৰি প্ৰস্তাৱ।

৩। আগ্ৰাসীক খেদি পঠিয়াবলৈ ভাৰতীয়ৰ দৃঢ় সংকল্প সম্পৰ্কে প্ৰস্তাৱ।

৪। 'ৰাজ্য তালিকা'ৰ অন্তৰ্গত বিষয়সমূহৰ সন্দৰ্ভত সংসদৰ দ্বাৰা আইন প্ৰণয়নৰ ক্ষমতা সম্পৰ্কীয় প্ৰস্তাৱ।

৫। কিছুমান নতুন সৰ্বভাৰতীয় সেৱা সৃষ্টিৰ সন্দৰ্ভত প্ৰস্তাৱ।

৬। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অনুমোদন বিচাৰি প্ৰস্তাৱ।

৭। ৩৫৬ নং অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতিয়ে ৰাজ্যৰ সকলো কাম নিজৰ হাতলৈ নি জাৰি কৰা ঘোষণা সম্পৰ্কীয় প্ৰস্তাৱ।

৮। পূৰ্বৰ ঘোষণাৰ পৰিৱৰ্তন ঘটোৱা ঘোষণাৰ অনুমোদন সন্দৰ্ভত সিদ্ধান্ত প্ৰস্তাৱ।

**৩। (ii) বিধি ১৯৩ৰ অধীনত কম সময়ৰ আলোচনা।**

লোকসভা নিয়মাৱলীৰ ১৯৩ নং বিধিৰ অধীনত কম সময়ৰ আলোচনা অনুষ্ঠিত কৰাৰ নিয়ম অনুসৰি জৰুৰী ৰাজহুৱা গুৰুত্বৰ বিষয় এটাৰ ওপৰত আলোচনা কৰিব বিচৰা যিকোনো সদস্যই উত্থাপন কৰিবলগীয়া বিষয়টো স্পষ্ট আৰু নিখুঁতভাৱে উল্লেখ কৰি লিখিতভাৱে সচিব প্ৰধানক জাননী দিব পাৰে। অন্ততঃ আন দুজন সদস্যৰ স্বাক্ষৰেৰে সমৰ্থিত জাননীখনৰ লগত উক্ত বিষয়টোৰ ওপৰত আলোচনা অনুষ্ঠিত কৰাৰ কাৰণ উল্লেখ কৰি ব্যাখ্যামূলক টোকা এটা দিব লাগিব।

অধ্যক্ষই আহ্বান জনোৱাৰ পিছত কাৰ্যক্ৰমণিকাৰ তালিকাত যিজন সদস্যৰ নাম এই বিষয়টোৰ বিপৰীতে প্ৰথম স্থানত থাকে তেওঁ উক্ত বিষয় বা আলোচনাৰ ওপৰত চমু ভাষণ ৰাখিব। ইয়াৰ পিছত এই বিষয়টোৰ বিপৰীতে নাম উল্লেখ কৰা আন সদস্য বা অধ্যক্ষই অনুমতি দিয়া আন সদস্যই চমুকৈ বক্তব্য ৰাখিব। শেষত, সংশ্লিষ্ট মন্ত্ৰীয়ে বিতৰ্কৰ উত্তৰ দিব।

প্ৰস্তাৱকৰ উত্তৰ দিয়াৰ অধিকাৰ নাই। কোনো আনুষ্ঠানিক প্ৰস্তাৱ নাই, নাইবা ইয়াক সদনৰ দ্বাৰা প্ৰদান কৰা ভোটৰ বাবেও উত্থাপন কৰা হোৱা নাই। কাৰ্যক্ৰমণিকাৰ তালিকাত ইয়াক লিখাৰ ধৰণ তলত উল্লেখ কৰা হৈছে :- বিধি ১৯৩ৰ অধীনত কম সময়ৰ আলোচনা বা বিধি ১৯৩ৰ অধীনত জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা।

১। শ্ৰী ........................................

২। শ্ৰী ........................................

৩। শ্ৰী ........................................

............................................ ৰ ওপৰত আলোচনা কৰিবলৈ।

ওপৰৰ নিয়মৰ অধীনত লোকসভাত যিবোৰ বিষয়ৰ ওপৰত আলোচনা অনুষ্ঠিত হৈছে, সেইবোৰৰ কিছুমান বিষয় তলত উল্লেখ কৰা হৈছে:-

১) বাজেট দাখিল কৰাৰ পূৰ্বে পেট্ৰলিয়াম কয়লা, ডাক সামগ্ৰীৰ প্ৰশাসনিক মূল্য বৃদ্ধি;

২) অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি বা মূল্যবৃদ্ধিঃ

৩) দেশৰ আইন-শৃংখলাৰ পৰিস্থিতি।

৪) দেশত মহিলাৰ বিৰুদ্ধে অপৰাধৰ ঘটনা বৃদ্ধি:

৫) ২৩.৩.১৯৯৮ তাৰিখে জবলপুৰৰ কেন্দ্ৰীয় ডিপোত হোৱা অগ্নিকাণ্ডৰ ফলত বৃহৎ পৰিমাণৰ গোলাবাৰুদৰ ক্ষতি আৰু এনে দুৰ্ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ।

**পৰিশিষ্ট –**

**সংসদীয় শব্দৰ শব্দকোষ**

**সদন স্থগিতকৰণ :** ইয়াৰ অৰ্থ হ'ল আন এটা সময়লৈ স্থগিত ৰখা। হয় বিতৰ্ক স্থগিত ৰখা নহয় সদন স্থগিত ৰখা। বিতৰ্ক স্থগিত ৰখাৰ অৰ্থ হ'ল সদনত নিয়োজিত হোৱা প্ৰস্তাৱ/বিধেয়কৰ বিতৰ্ক পিছুৱাই দিয়া। বিতৰ্কৰ সময়ত যিকোনো সময়তে এনে প্ৰস্তাৱ উত্থাপন কৰা হয়। বিতৰ্ক স্থগিত ৰখাৰ প্ৰস্তাৱ যদি গ্ৰহণ কৰা হয়, তেতিয়া যিকোনো প্ৰশ্নৰ সিদ্ধান্ত পিছুৱাই দিয়া হয়। সদন স্থগিত ৰখাৰ অৰ্থ হ'ল পৰৱৰ্তী বৈঠকৰ নিৰ্ধাৰিত সময়লৈকে সদনৰ বৈঠক বন্ধ ৰখা। ইয়াক বিধান সভা ভংগকৰণৰ পৰা পৃথক কৰিব লাগে।

**অনিৰ্দিষ্ট কাললৈ সদন স্থগিতকৰণ :** ই পৰৱৰ্তী বৈঠকৰ বাবে কোনো নিৰ্দিষ্ট তাৰিখ নিৰ্ধাৰণ নকৰাকৈয়ে সদনৰ এখন বৈঠক বন্ধ কৰি দিয়া বুজায়। সাধাৰণতে অধ্যক্ষই অধিৱেশনৰ শেষ দিনটোত সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখে।

**এজেণ্ডা :** ইয়াৰ অৰ্থ হ'ল এটা বিশেষ দিনৰ বাবে কাৰ্যক্ৰমণিকাৰ তালিকা। ইয়াত সদনে ল'বলগীয়া কাৰ্যক্ৰমণিকাৰ বিষয়সমূহ যি ক্ৰমত তালিকাভুক্ত কৰা হৈছে, সেই ক্ৰমত থাকে।

**সংশোধনী :** ইয়াৰ অৰ্থ হ'ল কোনো প্ৰস্তাৱ বা বিধেয়কত প্ৰস্তাৱিত সালসলনি। সংশোধনীৰ প্ৰস্তাৱ মানে হ'ল- বাদ দি বা কিছুমান শব্দ যোগ কৰি বা দুয়োটাই হ'ব পাৰে।

সংবিধান সংশোধনীৰো প্ৰস্তাৱ দিব পাৰি, কিন্তু সংবিধান সংশোধনী গৃহীত কৰিবলৈ বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন।

**বিনিয়োজন বিধেয়ক :** আইনৰ দ্বাৰা কৰা ব্যয়ৰ অধীনত কৰাৰ বাদে ভাৰতৰ একত্ৰিত পুঁজিৰ পৰা ধন উলিয়াব নোৱাৰি। ব্যয় বিধেয়ক হৈছে ভাৰতৰ একত্ৰিত পুঁজিৰ পৰা ধন উলিওৱাৰ বাবে সদনৰ অনুমোদন লাভ কৰিবলৈ বছৰি গৃহীত হোৱা বিধেয়ক।

**সদনৰ বাৰ:** বাৰ হৈছে এটা ৰেখা, যিটো বেঞ্চৰ মাজত ঘৰৰ মজিয়াত কাৰ্পেটৰ ওপৰেৰে ৰখা চামৰাৰ বহল ফিটা এটাৰে চিহ্নিত কৰা হয়। সদস্যসকলক বাৰৰ বাহিৰত কথা ক'বলৈ দিয়া নহয়। যিসকল ব্যক্তি সদনৰ সদস্য নহয়, তেওঁলোকক সদনৰ বৈঠকৰ সময়ত বাৰ পাৰ হ'বলৈ দিয়া নহয়। যিসকল ব্যক্তিয়ে বিশেষাধিকাৰ ভংগ কৰে, তেওঁলোকক সদনৰ দ্বাৰা ধমক বা উপদেশৰ বাবে সদনৰ বাৰলৈ মাতিব পাৰি।

**বিধেয়ক :** ই হৈছে বিধানসভাৰ প্ৰস্তাৱৰ খচৰা। ই এক বিধিৰ খচৰা, যিখন সংসদৰ অনুমোদন আৰু ৰাষ্ট্ৰপতিৰ সন্মতি লাভ কৰিলেহে আইন হ'ব পাৰে। এখন বিধেয়কত শিৰোনাম, এটা প্ৰস্তাৱনা আৰু বিভিন্ন দফা থাকে।

**বাজেট :** ই হৈছে এটা বিত্তীয় বৰ্ষৰ ক্ষেত্ৰত চৰকাৰৰ আনুমানিক প্ৰাপ্তি আৰু ব্যয়ৰ বাৰ্ষিক বিত্তীয় বিৱৰণী। বাজেট বা বাৰ্ষিক বিত্তীয় বিৱৰণী সদনত দুটা ভাগত দাখিল কৰা হয়, সেয়া হ'ল ৰে'ল বাজেট আৰু সাধাৰণ বাজেট।

**মনোযোগ আকৰ্ষণকাৰী জাননী :** জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় এটাৰ প্ৰতি কোনো মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এজন সদস্যই মনোযোগ আকৰ্ষণকাৰী জাননী দিয়ে।

**ভোটদান :** যদি কোনো বিষয়ৰ সপক্ষে আৰু বিপক্ষে সমান সংখ্যক ভোট দিয়া হৈছে (যেনে বিধেয়ক, প্ৰস্তাৱ আদি) তেতিয়া অধ্যক্ষই বিষয়টো নিৰ্ণয় কৰিবলৈ ভোটদান কৰিব পাৰে। এনে ভোটক কাষ্টিং ভোট বোলে।

**বন্ধ :** কোনো প্ৰস্তাৱৰ আলোচনাৰ সময়ত যিকোনো সময়তে এজন সদস্যই বন্ধৰ বাবে আগবাঢ়িব পাৰে যিয়ে বিতৰ্কৰ অন্ত পেলায়। "যে প্ৰশ্নটো এতিয়া ৰখা হওক" প্ৰস্তাৱটো অধ্যক্ষই উত্থাপন কৰিছে। যদিহে "প্ৰশ্নটো এতিয়া ৰখা হওক" প্ৰস্তাৱটো বহন কৰা হয়, তেতিয়া পৰৱৰ্তী কোনো বিতৰ্ক নোহোৱাকৈ তৎক্ষণাত বিষয়টোত সিদ্ধান্ত লোৱা হয়।

(১৯৫৩ চনত কাৰ্যক্ৰমণিকা পৰামৰ্শদাতা সমিতি বলবৎ হোৱাৰ লগে লগে কাৰ্যক্ৰমণিকা বিভিন্ন বিষয়ৰ ওপৰত আলোচনাৰ সময় আগতীয়াকৈ নিৰ্ধাৰণ কৰা হয় আৰু সেয়েহে বন্ধ প্ৰস্তাৱৰ প্ৰয়োজনীয়তা সদস্যসকলে অনুভৱ নকৰে। ফলস্বৰূপে বন্ধ প্ৰস্তাৱত আশ্ৰয় লোৱাৰ ঘটনাসমূহ অতি বিৰল হৈ পৰিছে।)

**সমিতি :** সংসদে বহু কাৰ্যক্ৰমণিকা সম্পাদন কৰিবলগীয়া হয়। যিহেতু ইয়াৰ পৰ্যাপ্ত সময় নাই, সেয়েহে ই বিভিন্ন সমিতিৰ জৰিয়তে এই কাৰ্যক্ৰমণিকা সম্পাদন কৰে। বিশেষজ্ঞৰ জ্ঞান আৰু বিশদ আলোচনাৰ প্ৰয়োজন হোৱা কাৰ্যক্ৰমণিকাৰ এনে বিষয়সমূহৰ সৈতে মোকাবিলা কৰিবলৈ সমিতিসমূহ নিযুক্তি দিয়া হয়।

লোকসভাত সমিতিৰ সংগঠিত ব্যৱস্থা আছে। বিভিন্ন সমিতিৰ সদস্য সদনে নিযুক্তি দিয়ে বা নিৰ্বাচিত কৰে। তলত কেইখনমান গুৰুত্বপূৰ্ণ সমিতিৰ বিষয়ে উল্লেখ কৰা হ'ল :-

**কাৰ্যক্ৰমণিকা পৰামৰ্শদাতা সমিতি :** ই কাৰ্যক্ৰমণিকাৰ বিভিন্ন বিষয়ৰ ওপৰত আলোচনাৰ বাবে সময় নিৰ্দ্ধাৰণ কৰি দিব লাগে বুলি পৰামৰ্শ দিয়ে।

**নিৰ্বাচিত সমিতি :** ই এনে এখন সমিতি যাৰ সদস্যসকলক বিশেষভাৱে কোনো বিশেষ বিধেয়ক বিবেচনাৰ উদ্দেশ্যে নিৰ্বাচিত কৰা হয়। ইয়াৰ কাম হ'ল বিধেয়ক এখন দফা অনুসৰি পঢ়ি চোৱা আৰু যদি আছে তেতিয়া সাল-সলনিৰ পৰামৰ্শ দিয়া। সদনত প্ৰতিবেদন দাখিল কৰাৰ পিছত কমিটীৰ কাম-কাজ বন্ধ হৈ যায়।

**ৰাজহুৱা হিচাপ সমিতি :** ইয়াৰ কাম হ'ল চৰকাৰৰ বছৰেকীয়া হিচাপ পৰীক্ষা কৰা আৰু চৰকাৰী ধন বিবেচনাপূৰ্ণ আৰু মিতব্যয়িতাৰে ব্যয় কৰা হৈছে নে নাই সেইটো চোৱা।

**ৰাজহুৱা প্ৰতিষ্ঠান সমিতি :** শেহতীয়াকৈ ভাৰত চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত বিভিন্ন বিধিগত নিগম আৰু কোম্পানীসমূহৰ ক্ৰমাগত বিকাশ পৰিলক্ষিত হৈছে। ৰাজহুৱা প্ৰতিষ্ঠান সমিতিখনে এনে ৰাজহুৱা প্ৰতিষ্ঠানৰ প্ৰতিবেদন আৰু হিচাপ পৰীক্ষা কৰে।

**বিশেষাধিকাৰ সমিতি :** যেতিয়া সদনে বিশেষাধিকাৰৰ প্ৰশ্ন উত্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰে, তেতিয়া সদনে ইয়াক বিবেচনাৰ বাবে বিশেষাধিকাৰ সমিতিলৈ প্ৰেৰণ কৰিব পাৰে। কমিটীয়ে বিশেষাধিকাৰৰ প্ৰশ্নটো পৰীক্ষা কৰি সদনলৈ প্ৰতিবেদন প্ৰেৰণ কৰে, কমিটীয়ে নিজৰ প্ৰতিবেদনত বিশেষাধিকাৰ ভংগ কৰা হৈছে নে নাই সেই কথা উল্লেখ কৰে। যদি বিশেষাধিকাৰ ভংগ কৰা হৈছে, তেতিয়া ই যিকোনো কাৰ্য ব্যৱস্থাৰ পৰামৰ্শ দিব পাৰে।

**সদনক অৱজ্ঞা :** ইয়াৰ অৰ্থ হ'ল যিকোনো কাম বা বাদ দিয়া কাৰ্য, যিয়ে সদনৰ কাম-কাজত বাধাৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিয়ে কমিটীত উপস্থিত থকাৰ নিৰ্দেশ অমান্য কৰে, তেতিয়া সদনক অৱজ্ঞা কৰাৰ বাবে তেওঁক শাস্তি দিয়াৰ সম্ভাৱনা আছে। সদনক অৱমাননা কৰা ব্যক্তিজনে ক্ষমা খুজিব পাৰে আৰু সেয়া গ্ৰহণ কৰি তেওঁক এৰি দিয়াটো সদনৰ ওপৰত নিৰ্ভৰশীল। যদি সদনে তেওঁক শাস্তি দিয়াৰ সিদ্ধান্ত লয়, তেতিয়া এটা প্ৰস্তাৱ উত্থাপন কৰিব লাগিব আৰু প্ৰস্তাৱটোত কাৰাদণ্ডৰ সময়সীমা আৰু অৱজ্ঞাকাৰীক ৰখা ঠাই বা জেলৰ

কথা উল্লেখ কৰিব লাগিব। যদি অপৰাধটো গুৰুতৰ নহয়, তেতিয়া সংশ্লিষ্ট ব্যক্তিজনক সদনৰ বাৰলৈ মাতিব পাৰিব। তেতিয়া তেওঁক অধ্যক্ষই ধমক বা উপদেশ দিব পাৰে।

সদনৰ অৱজ্ঞাক বিশেষাধিকাৰ ভংগৰ পৰা পৃথক কৰিব পাৰি। বিশেষাধিকাৰ ভংগ হৈছে সংসদৰ কোনো নিৰ্দিষ্ট বিশেষাধিকাৰৰ বিৰুদ্ধে এক অপৰাধ। ইয়াৰ বিপৰীতে সদনৰ অৱমাননা হৈছে সদনৰ কাম-কাজত বাধাৰ সৃষ্টি কৰা অপৰাধ। সকলো বিশেষাধিকাৰ ভংগ হৈছে সদনৰ প্ৰতি অৱজ্ঞা। এইটো সম্ভৱ যে কোনো ব্যক্তি সদনক কৰা অৱজ্ঞাৰ বাবে দোষী হ'ব পাৰে, কিন্তু তেওঁ সদস্যসকলৰ কোনো নিৰ্দিষ্ট বিশেষাধিকাৰ উলংঘা কৰা নাই।

**মজিয়া পাৰ হোৱা :** সদনক সম্বোধন কৰা সদস্যজন (সদনৰ দখলত থকা) আৰু অধ্যক্ষৰ মাজত যেতিয়া কোনো সদস্য পাৰ হৈ যায়, তেতিয়া তেওঁক মজিয়া পাৰ হৈ যোৱা বুলি কোৱা হয়। সদস্য আৰু অধ্যক্ষৰ মাজত পাৰ হোৱাৰ এই কাৰ্য্য নিষিদ্ধ, কাৰণ মজিয়া পাৰ হোৱাটো সংসদীয় শিষ্টাচাৰ ভংগ বুলি ধৰা হয়।

'মজিয়া পাৰ হোৱা' মানে নিজৰ ৰাজনৈতিক আনুগত্য সলনি কৰা, অৰ্থাৎ এটা ৰাজনৈতিক দলৰ পৰা আন এটা দললৈ আনুগত্য সলনি হোৱাকে বুজায়।

**বিভাজন :** যিকোনো বিষয়ৰ ওপৰত মৌখিক ভোট লোৱাৰ পিছত অধ্যক্ষই কয়, "মই ভাবো যে আয়ছ (বা ন'ই)ৰ হাতত আছে।" যদি তেওঁৰ মতামতক সংখ্যালঘু ভোটে প্ৰত্যাহ্বান জনায়, তেতিয়া তেওঁ বিভাজনৰ নিৰ্দেশ দিয়ে যাতে মতামতৰ সঠিক ভাৰসাম্য নিৰ্ণয় কৰিব পৰা যায়। অধ্যক্ষই নিৰ্দেশ দিয়ে যে হয় স্বয়ংক্ৰিয় ভোট ৰেকৰ্ডাৰ চলাই, নহয় সদনত 'আয়ে' আৰু 'নাই' স্লিপৰ মামলা কৰি বা লবীলৈ যোৱা সদস্যসকলৰ দ্বাৰা ভোট ৰেকৰ্ডিং কৰিব লাগে। যদিহে লবীলৈ যোৱা সদস্যসকলৰ দ্বাৰা ভোট ৰেকৰ্ড কৰিব লাগে, তেতিয়া 'হয়'ৰ বাবে সদস্যসকল সোঁফালৰ লবীলৈ আৰু 'নাই'ৰ সদস্যসকল বাওঁফালৰ লবীলৈ যায়। লবীত ভোট ৰেকৰ্ড কৰা হয় আৰু তাৰ পিছত অধ্যক্ষই ফলাফল ঘোষণা কৰে। এইদৰে বিভাজন হৈছে কোনো প্ৰশ্নৰ পক্ষত বা বিপক্ষত ভোট লিপিবদ্ধ কৰি সিদ্ধান্ত লোৱাৰ এক ধৰণ।

বাদ দিয়া কাৰ্য(Expunction): ইয়াৰ অৰ্থ হ'ল অধ্যক্ষই সদনৰ কাৰ্য্যবিধিৰ পৰা শব্দ বা অভিব্যক্তি বাদ দিয়া কাৰ্য। যিবোৰ অভিব্যক্তি অশ্লীল বা অসংসদীয় বুলি গণ্য কৰা হয়, সেইবোৰক ৰেকৰ্ডৰ পৰা মচি পেলোৱাৰ নিৰ্দেশ দিয়া হয়।

**বিত্ত সম্পৰ্কীয় বিধেয়ক :** ইয়াৰ অৰ্থ হ'ল চৰকাৰৰ বিত্তীয় প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ প্ৰতি বছৰে উত্থাপন কৰা বিধেয়ক। ই হ'ল কৰ আৰোপ বা পৰিৱৰ্তন কৰাৰ বিধেয়ক।

**বিত্তীয় বিধেয়ক :** বিত্তীয় বিধেয়ক দুটা শ্ৰেণীৰ। অৰ্থ সম্পৰ্কীয় বিধেয়ক প্ৰথম শ্ৰেণীত পৰে। ইয়াক লোকসভাতহে প্ৰৱৰ্তন কৰিব পাৰিব।

দ্বিতীয় শ্ৰেণীৰ বিধেয়কবোৰ অৰ্থ সম্পৰ্কীয় বিধেয়কৰ পৰা পৃথক। ইয়াত ভাৰতৰ একত্ৰিত পুঁজিৰ পৰা হোৱা আকস্মিক ব্যয়ৰ সৈতে জড়িত প্ৰস্তাৱ সন্নিবিষ্ট কৰা হৈছে। যিকোনো এখন সদনত এই বিধেয়ক উত্থাপন হ'ব পাৰে। এনে বিধেয়কৰ উদাহৰণ হ'ল- সৰ্বভাৰতীয় খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ বিধেয়ক, ১৯৫৫, বৈদেশিক মুদ্ৰা বিনিময় নিয়ন্ত্ৰণ (সংশোধনী) বিধেয়ক, ১৯৫৭।

**ৰাজপত্ৰ :** চৰকাৰী নিযুক্তিৰ তালিকা, আইনী জাননী, বিভাগীয় প্ৰতিবেদন আৰু ঘোষণা আদি থকা এখন চৰকাৰী বাতৰি কাকত।

**গিলোটিন :** ইয়াৰ অৰ্থ হ'ল এনে কাৰ্যক্ৰমণিকাৰ আলোচনাৰ বাবে নিৰ্ধাৰিত সময়ৰ ম্যাদ উকলি যোৱাৰ লগে লগে অধ্যক্ষই হাতত থকা কাৰ্যক্ৰমণিকাৰ সৈতে জড়িত সকলো বাকী থকা প্ৰশ্ন সদনৰ ভোটত ৰখা। গিলোটিন হৈছে বন্ধ কৰাৰ এটা প্ৰকাৰ, কিন্তু বন্ধ কৰাৰ দৰে নহয়, ইয়াক অধ্যক্ষই কোনো ধৰণৰ প্ৰস্তাৱ অবিহনে পোনপটীয়াকৈ প্ৰয়োগ কৰিব পাৰে।

**আধা ঘণ্টাৰ আলোচনা :** অধ্যক্ষই যথেষ্ট ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় এটাৰ ওপৰত আলোচনাৰ অনুমতি দিব পাৰে যিটো শেহতীয়া এটা প্ৰশ্নৰ বিষয়বস্তু হৈ আহিছে আৰু যাৰ উত্তৰত এটা তথ্যৰ বিষয়ে স্পষ্ট কৰাৰ প্ৰয়োজনীয়তা আছে। এনে আলোচনা এখন বৈঠকৰ শেষৰ ত্ৰিশ মিনিটত অনুষ্ঠিত কৰা হয়।

**শুনক, শুনক :** ই এটা বাখ্যা। বিতৰ্কৰ সময়ত সদস্যসকলক শুনক, শুনক বুলি উচ্চাৰণ কৰিবলৈ অনুমতি দিয়া হয় কিন্তু ইয়াক পৰিমিতভাৱে ব্যৱহাৰ কৰা হ'ব লাগে।

**যুটীয়া বৈঠক :** যেতিয়াই লোকসভা আৰু ৰাজ্যসভাৰ মাজত অৰ্থ সম্পৰ্কীয় বিধেয়কৰ বাহিৰে আন কোনো বিধেয়কৰ সহমত হয়, তেতিয়াই ৰাষ্ট্ৰপতিয়ে তেওঁলোকক যুটীয়া বৈঠকত মিলিত হ'বলৈ মাতিব পাৰে। অধ্যক্ষই এই যুটীয়া বৈঠকত সভাপতিত্ব কৰে।

**বিচাৰ ব্যৱস্থা :** বিচাৰ ব্যৱস্থা হ'ল কোনো আইনত দিয়া নিয়মৰ এটা গোট যিটোৰ ৰূপত বিধেয়ক দুয়োখন সদনে যথাযথভাৱে গৃহীত কৰে আৰু ৰাষ্ট্ৰপতিয়ে সন্মতি দিয়ে। ই প্ৰতিজন নাগৰিকৰ বাবে বাধ্যতামূলক আৰু আদালতে ইয়াক প্ৰয়োগ কৰাটো বাধ্যতামূলক। বিচাৰ ব্যৱস্থা (Law) শব্দটোৱে কোনো অধীনস্থ কৰ্তৃপক্ষই তেওঁক প্ৰদান কৰা ক্ষমতাৰ অধীনত কৰা যিকোনো নিয়ম, বিধি, উপ-বিধি বা উপ-নিয়মক সামৰি লয়।

**সদনৰ নেতা :** তেখেত এজন গুৰুত্বপূৰ্ণ কাৰ্যকৰ্তা আৰু সদনৰ কাম-কাজৰ সময়ত তেখেতে প্ৰত্যক্ষ প্ৰভাৱ পেলায়। প্ৰধানমন্ত্ৰী যিগৰাকী লোকসভাত সংখ্যাগৰিষ্ঠ দলৰ নেতা, তেখেতে সাধাৰণতে লোকসভাত সদনৰ নেতা হিচাপে কাম কৰে।

**বিৰোধী নেতা :** সাধাৰণতে সদনত কমেও দহভাগৰ এভাগ সদস্য থকা বৃহত্তম স্বীকৃতিপ্ৰাপ্ত বিৰোধী দলৰ নেতাক বিৰোধীৰ নেতা হিচাপে স্বীকৃতি দিয়া হয়। বিৰোধী দলৰ নেতাগৰাকী সদনত বিৰোধীৰ চৰকাৰী মুখপাত্ৰ হিচাপে কাম কৰে। ভাৰতত তেওঁক কেবিনেট মন্ত্ৰীৰ দৰেই সমমৰ্যাদা প্ৰদান কৰা হয়।

**লবী :** ই হ'ল সদনৰ ঠিক কাষতে থকা কাভাৰ্ড কৰিডৰ। লোকসভাত দুটা লবী আছে, এটা হ'ল ইনাৰ লবী যাক ডিভিজন লবী বুলিও কোৱা হয় আৰু আনটো আউটাৰ লবী। আউটাৰ লবী সংসদৰ সদস্যসকল, সদস্য আৰু অনানুষ্ঠানিক আলোচনা আৰু মত বিনিময়ৰ বাবে সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলৰ অৰ্থে ব্যৱহাৰৰ উদ্দেশ্য কৰা হৈছে।

**লোকসভা :** হাউচ অব্ পিপলক লোকসভা বুলি কোৱা হয় কাৰণ ইয়াক পোনপটীয়াকৈ জনসাধাৰণে নিৰ্বাচন কৰে।

**বাৰ্তা :** ভাৰতীয় সংবিধানৰ বিধান অনুসৰি ৰাষ্ট্ৰপতিয়ে সংসদৰ যিকোনো এখন সদনলৈ সংবাদ প্ৰেৰণ কৰিব পাৰে। এনে সংবাদক 'বাৰ্তা' বুলি জনা যায়। অধ্যক্ষৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে লোকসভালৈ বাৰ্তা প্ৰেৰণ কৰে। অধ্যক্ষই সদনত বাৰ্তাটো পঢ়ি শুনায় আৰু তাৰ পিছত সদনে বাৰ্তাত উল্লেখ কৰা বিষয়টো বিবেচনাৰ বাবে গ্ৰহণ কৰে।

**অৰ্থ সম্বন্ধীয় বিধেয়ক :** অৰ্থ সম্বন্ধীয় বিধেয়কত ভাৰতৰ সংবিধানত নিৰ্দিষ্ট কৰা সকলো বা যিকোনো বিষয়ৰ সৈতে জড়িত বিধান থাকে। ইয়াৰে কিছুমান বিষয় হ'ল যিকোনো কৰ আৰোপ কৰা বা বিলুপ্ত কৰা, আৰু ভাৰতৰ একত্ৰিত পুঁজিৰ পৰা ধন দিয়া বা ধন উলিওৱা। ৰাজ্যসভাত অৰ্থ সম্বন্ধীয় বিধেয়ক উত্থাপন কৰিব নোৱাৰি।

উদাহৰণস্বৰূপে, ১৯৫৯ চনৰ যৌতুক নিষেধাজ্ঞা বিধেয়কৰ সৈতে জড়িত, এটা বিষয়ৰ ওপৰত দুয়োটা সদনৰ যুটীয়া বৈঠক আহ্বান কৰাৰ উদ্দেশ্যৰ বিষয়ে অৱগত কৰি ১৯৬১ চনত ৰাষ্ট্ৰপতিৰ পৰা এটা বাৰ্তা প্ৰেৰণ কৰা হৈছিল।

**প্ৰস্তাৱ :** ইয়াৰ অৰ্থ হ'ল সদনৰ বিবেচনা আৰু সিদ্ধান্তৰ বাবে সদনত দাখিল কৰা এটা প্ৰস্তাৱ। সদনে যেতিয়া কোনো প্ৰস্তাৱত ভোট দিয়ে তেতিয়া সেই প্ৰস্তাৱটো গোটেই সদনৰ মতামত বা ইচ্ছা হিচাপে পৰিগণিত হয়।

প্ৰস্তাৱ তিনিটা ভাগত ভাগ কৰিব পাৰি : (i)প্ৰধান প্ৰস্তাৱ; (ii) বিকল্প প্ৰস্তাৱ, আৰু (iii) সহায়ক প্ৰস্তাৱ।

(i) প্ৰধান প্ৰস্তাৱ হ'ল সদনৰ অনুমোদনৰ বাবে দাখিল কৰা স্বয়ংসম্পূৰ্ণ প্ৰস্তাৱ। ইয়াৰ খচৰা এনেদৰে প্ৰস্তুত কৰা হয় যাতে সদনে নিজৰ সিদ্ধান্ত প্ৰকাশ কৰিব পাৰে। সদনত ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ, অনাস্থা প্ৰস্তাৱ আৰু ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় এটাৰ ওপৰত স্থগিতকৰণৰ প্ৰস্তাৱ আদি প্ৰধান প্ৰস্তাৱৰ কিছুমান উদাহৰণ।

(ii) এটা বিকল্প প্ৰস্তাৱ মূল প্ৰস্তাৱৰ বিকল্প হিচাপে উত্থাপন কৰা হয়। মূল প্ৰস্তাৱৰ পৰা বিকল্প প্ৰস্তাৱৰ সৃষ্টি হোৱাৰ লগে লগে মূল প্ৰস্তাৱটোৰ ওপৰত আলোচনা আৰম্ভ হোৱাৰ আগতেই ইয়াক উত্থাপন কৰিব লাগে।

(iii) সহায়ক প্ৰস্তাৱ অন্য প্ৰস্তাৱৰ সৈতে জড়িত বা ই সদনৰ কিছুমান কাৰ্য্যবিধিৰ পৰা উদ্ভৱ হয়।

ইয়াক আনুষংগিক প্ৰস্তাৱ, অতিৰিক্ত প্ৰস্তাৱ আৰু সংশোধনীলৈ অধিক উপবিভক্ত কৰা হৈছে। বিধেয়কৰ বিভিন্ন পৰ্যায়ৰ সৈতে জড়িত প্ৰস্তাৱক আনুষংগিক প্ৰস্তাৱ বোলা হয়। উদাহৰণস্বৰূপে, "বিধেয়কখন নিৰ্বাচিত সমিতিলৈ প্ৰেৰণ কৰা হওক", ই এটা আনুষংগিক প্ৰস্তাৱ। বিতৰ্কৰ কালছোৱাত অতিৰিক্ত প্ৰস্তাৱ উত্থাপন কৰা হয়। এইসমূহে অধিক মতামত আহৰণৰ বাবে এখন বিধেয়কৰ ৰিচাৰ্কুলেশ্যন বিচাৰিব পাৰে। সংশোধনী হৈছে তৃতীয় প্ৰকাৰৰ সহায়ক প্ৰস্তাৱ। এক সংশোধনী এখন বিধেয়ক বা এক প্ৰস্তাৱ বা আনকি সংশোধনীৰ হ'ব পাৰে।

মন্ত্ৰী পৰিষদৰ ওপৰত আস্থাৰ অভাৱ প্ৰকাশৰ বাবে সদনত উত্থাপন কৰা প্ৰস্তাৱ হৈছে অনাস্থা প্ৰস্তাৱ।

দাবীৰ পৰিমাণ হ্ৰাস কৰিবলৈ অনুদানৰ দাবীৰ ওপৰত আলোচনাৰ সময়ত সদনত উত্থাপন কৰা প্ৰস্তাৱ হৈছে কৰ্তন প্ৰস্তাৱ। কৰ্তন প্ৰস্তাৱ কেৱল বিৰোধীৰ সদস্যইহে উত্থাপন কৰে।

**এম.পি. :** ইয়াৰ অৰ্থ হৈছে সংসদৰ সদস্য। সংসদৰ সদস্যসকলে তেওঁলোকৰ নামৰ পিছত 'এম.পি.' সংক্ষিপ্ত ৰূপ ব্যৱহাৰ কৰিব পাৰে।

**অৰ্ডাৰ অৰ্ডাৰ :** অধ্যক্ষই এই শব্দবোৰ ব্যৱহাৰ কৰি সদনক আদেশ দিবলৈ বা সদনক অধ্যক্ষ বা সদনত থকা কোনো সদস্যৰ কথা শুনিবলৈ কয়।

**অধ্যাদেশ :** যেতিয়া সংসদৰ অধিৱেশন নহয় তেতিয়া সংবিধানৰ ১২৩ নং অনুচ্ছেদৰ দ্বাৰা তেওঁক দিয়া ক্ষমতা প্ৰয়োগ কৰি ৰাষ্ট্ৰপতিয়ে অধ্যাদেশ জাৰি কৰিব পাৰে । এনে অধ্যাদেশৰ ক্ষমতা আৰু প্ৰভাৱ সংসদৰ আইনৰ দৰেই হয়।

**টেবুলত ৰখা কাগজপত্ৰ :** ইয়াৰ অৰ্থ হ'ল সদনৰ ৰেকৰ্ডত অনাৰ উদ্দেশ্যে সদনৰ টেবুলত ৰখা কাগজ বা নথি-পত্ৰ। কাগজ-পত্ৰ টেবুলত কোনো মন্ত্ৰীয়ে বা ব্যক্তিগত সদস্যই বা অধ্যক্ষৰ অনুমতি সাপেক্ষে সচিব প্ৰধানে ৰাখিব পাৰে।

**সংসদীয় বিশেষাধিকাৰ :** ইয়াৰ অৰ্থ হ'ল বিধানসভাৰ ব্যতিৰেকে দুয়োখন সদন আৰু ইয়াৰ সদস্য সকলে লাভ কৰা ক্ষমতা। এই বিশেষাধিকাৰ অবিহনে সদস্যসকলে নিজৰ কাৰ্য্য সম্পাদন কৰিব নোৱাৰে। যেনে- বাক স্বাধীনতা আৰু অধিবেশনৰ সময়ত গ্ৰেপ্তাৰৰ পৰা মুক্তি।

**পইণ্ট অৱ অৰ্ডাৰ :** ইয়াৰ অৰ্থ হ'ল সদনৰ কাম-কাজ নিয়ন্ত্ৰণ কৰা পদ্ধতি বা ভাৰতীয় সংবিধানৰ এনে অনুচ্ছেদৰ ব্যাখ্যা বা বলবৎকৰণৰ সৈতে জড়িত এটা বিষয় অধ্যক্ষৰ মনোযোগ আৰু সিদ্ধান্তৰ বাবে সদনত এটা পইণ্ট অৱ অৰ্ডাৰ উত্থাপন কৰা হয়। সদনৰ শালীনতা আৰু শিষ্টাচাৰ বজাই ৰখাৰ ক্ষেত্ৰত জড়িত বিষয় এটাৰ ওপৰতো ইয়াক উত্থাপন কৰিব পাৰি।

**ৰাষ্ট্ৰপতিৰ ভাষণ :** ভাৰতৰ ৰাষ্ট্ৰপতিয়ে লোকসভাৰ প্ৰতিটো সাধাৰণ নিৰ্বাচনৰ পিছত প্ৰথম অধিৱেশনৰ আৰম্ভণিতে আৰু লগতে প্ৰতি বছৰৰ প্ৰথম অধিৱেশনৰ আৰম্ভণিতে দুয়োখন

সদনৰ যুটীয়া বৈঠকত ভাষণ দিয়ে। তেওঁৰ ভাষণ চৰকাৰৰ নীতিৰ এক বিবৃতি আৰু সেয়েহে সদনত ইয়াৰ বিষয়ে আলোচনা কৰা হয়।

**অধিৱেশন ভংগকৰণ :** ইয়াৰ অৰ্থ হ'ল ৰাষ্ট্ৰপতিৰ এক আদেশৰ দ্বাৰা সদনৰ অধিৱেশন সমাপ্ত কৰা।

**প্ৰশ্ন :** সংসদীয় প্ৰশ্ন হৈছে এক ফলপ্ৰসূ কৌশল যাৰ দ্বাৰা এজন সদস্যই চৰকাৰৰ কাৰ্যসূচী, নীতি আৰু কাম-কাজৰ বিষয়ে প্ৰকৃত আৰু নিৰ্ভৰযোগ্য তথ্য আহৰণ কৰিব পাৰে।

**প্ৰশ্ন কাল :** প্ৰতিদিনে সদনৰ প্ৰথম ঘণ্টাটো হৈছে প্ৰশ্ন কাল যিটো সময়ত সদস্যসকলে প্ৰশ্ন কৰিব পাৰে আৰু মন্ত্ৰীসকলে উত্তৰ দিয়ে। লোকসভাত প্ৰশ্নকাল পুৱা ১১ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ হয়।

**তাৰকাযুক্ত প্ৰশ্ন :** সদনৰ মজিয়াত নিজৰ প্ৰশ্নৰ মৌখিক উত্তৰ বিচৰা সদস্য এগৰাকীয়ে ইয়াক তাৰকা চিহ্নৰে পৃথক কৰিব লাগিব আৰু সেয়েহে এনে প্ৰশ্নক তাৰকাযুক্ত প্ৰশ্ন বুলি জনা যায়।

**তাৰকাবিহীন প্ৰশ্ন :** ই এনেকুৱা প্ৰশ্ন যিটোত মৌখিক উত্তৰৰ প্ৰয়োজন নহয়। লিখিত উত্তৰৰ বাবে তাৰকাহীন প্ৰশ্নসমূহ তালিকাভুক্ত কৰা হয় যিবোৰ সদনৰ টেবুলত ৰখা হয়।

**পৰিপূৰক প্ৰশ্ন :** এজন সদস্যই মূল প্ৰশ্নৰ পৰা উদ্ভৱ হোৱা পৰিপূৰক প্ৰশ্ন সুধি উত্তৰ বিচাৰিব পাৰে। যিকোনো তথ্যৰ ওপৰত অধিক স্পষ্টীকৰণ বিচৰাৰ উদ্দেশ্যে পৰিপূৰক প্ৰশ্ন সোধা হয়।

**চমু জাননীৰ প্ৰশ্ন :** সাধাৰণতে যিকোনো প্ৰশ্নৰ উত্তৰ দিবলৈ দহ দিনৰ জাননীৰ প্ৰয়োজন হয়। কিন্তু জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ সৈতে জড়িত এটা প্ৰশ্ন চমু জাননীৰে মৌখিক উত্তৰৰ বাবে সোধা হ'ব পাৰে, এনে প্ৰশ্ন কৰা সদস্যজনে চমু জাননী দিয়াৰ কাৰণ উল্লেখ কৰিব লাগিব।

**কোৰাম :** ইয়াৰ অৰ্থ হ'ল সদনৰ বৈঠকত উপস্থিত থাকিবলৈ প্ৰয়োজনীয় নূন্যতম সংখ্যক সদস্য। লোকসভাৰ বৈঠক অনুষ্ঠিত কৰিবলৈ কোৰাম হ'ল সদনৰ মুঠ সদস্যৰ এক দশমাংশ।

**ৰিডিংছ :** এই ক্ষেত্ৰত তিনিটা ৰিডিং বা পৰ্যায় আছে যাৰ মাজেৰে এখন বিধেয়ক গৃহীত হয়। প্ৰথম ৰিডিং মানে হ'ল বিধেয়ক উত্থাপন কৰিবলৈ অনুমতিৰ প্ৰস্তাৱ। দ্বিতীয় ৰিডিং হ'ল বিধেয়কখনৰ নীতিসমূহৰ বিষয়ে আলোচনা আৰু লগতে ইয়াৰ দফা অনুসৰি বিবেচনা কৰা। তৃতীয় ৰিডিং মানে বিধেয়কখন গৃহীত হোৱাৰ প্ৰস্তাৱৰ ওপৰত আলোচনা।

**সচিব প্ৰধান :** লোকসভাৰ সচিব প্ৰধান সদনৰ সচিবালয়ৰ এজন স্থায়ী বিষয়া। তেওঁক অধ্যক্ষই নিযুক্তি দিয়ে। তেওঁ সংসদীয় আৰু প্ৰশাসনিক কাম-কাজ সম্পাদন কৰে। তেওঁ অধ্যক্ষক বিভিন্ন সংসদীয় বিষয় আৰু পদ্ধতিৰ ওপৰত পৰামৰ্শ আগবঢ়ায়।

**অধিবেশন :** সংসদে প্ৰথমখন বৈঠক আৰম্ভ কৰাৰ দিনৰ পৰা সংসদ স্থগিত ৰখাৰ দিনলৈকে সময়সীমাই হ'ল অধিৱেশন।

**অধীনস্থ আইন :** ইয়াৰ অৰ্থ হ'ল আইনী ক্ষমতা থকা নিয়ম বা বিধি। সংসদে অধীনস্থ কৰ্তৃপক্ষক প্ৰদান কৰা ক্ষমতা অনুসৰি তেওঁলোকে এইসমূহ যুগুত কৰে।

**চমন :** ৰাষ্ট্ৰপতিৰ নিৰ্দেশৰ অধীনত লোকসভাৰ সচিব প্ৰধানে লোকসভাৰ সদস্যসকলক সদনৰ অধিৱেশন আৰম্ভ হোৱাৰ স্থান, তাৰিখ আৰু সময়ৰ বিষয়ে অৱগত কৰা এক আনুষ্ঠানিক যোগাযোগ।

**অসংসদীয় শব্দ :** যিবোৰ শব্দ বা অভিব্যক্তি বিতৰ্কত ব্যৱহাৰ কৰা উচিত নহয়, সেইবোৰক অসংসদীয় শব্দ বুলি জনা যায়। এনে শব্দ বা অভিব্যক্তি ব্যৱহাৰ কৰাটো হ'ল শৃংখলা

ভংগ কৰা আৰু এনে শব্দ ব্যৱহাৰ কৰা সদস্যক সদনৰ পৰা আঁতৰি থাকিবলৈ বা 'নামকৰ্তন' কৰিবলৈ আহ্বান কৰিব পাৰে। যেতিয়া অধ্যক্ষই সদনৰ সদস্যসকলৰ নাম উল্লেখ কৰে, তেতিয়া তৎক্ষণাৎ সদনৰ নেতাগৰাকীয়ে প্ৰস্তাৱ কৰে যে 'শ্ৰী/শ্ৰীমতী ............... (সদস্যৰ নাম)ক সদনৰ সেৱাৰ পৰা নিলম্বিত কৰা হওক"। এই প্ৰস্তাৱৰ ওপৰত প্ৰশ্নটো কোনো বিতৰ্ক নোহোৱাকৈ ৰখা হয়।

**লেখানুদান :** ইয়াৰ অৰ্থ হ'ল অনুদানৰ দাবীৰ ভোটদান আৰু সাধাৰণ বিনিয়োজন বিধেয়ক গৃহীত নোহোৱালৈকে চৰকাৰক কাম-কাজ আগবঢ়াই নিয়াত সক্ষম কৰিবলৈ সদনে আগতীয়াকৈ দিয়া অনুদান।

**হুইপ :** চৰকাৰৰ সংসদীয় ৰূপত এটা দলৰ সংসদৰ ভিতৰত হুইপ নামেৰে জনাজাত কেইবাজনো বিষয়া থাকে। হুইপসকলৰ মূল কৰ্তব্য হ'ল গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ সময়ত সদস্যসকলৰ উপস্থিতি নিশ্চিত কৰা। হুইপসকলে শীৰ্ষ নেতৃত্ব আৰু সাধাৰণ সদস্যৰ মাজত এক যোগসূত্ৰ স্থাপন কৰে।

**শূন্য কাল :** ইয়াৰ উৎপত্তি শেহতীয়াকৈ হৈছে। ই প্ৰশ্নকালৰ ঠিক পিছতে আৰম্ভ হয়। শূন্য কালৰ সময়ত সদনৰ কাৰ্যক্ৰমণিকাত তালিকাভুক্ত নোহোৱা যিকোনো বিষয়, এগৰাকী সদস্যই উত্থাপন কৰিব পাৰে। অধ্যক্ষৰ নিৰ্দেশনাৰ ওপৰত নিৰ্ভৰ কৰি শূন্য কাল যিকোনো সময়লৈকে বৃদ্ধি হ'ব পাৰে। শূন্য কালত উত্থাপিত কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ চৰকাৰ বাধ্য নহয়।

# পৰিশিষ্ট ॥

কিছুমান শব্দ আৰু অভিব্যক্তিক অসংসদীয় বুলি ঘোষণা কৰা হৈছে

১। ব্লেক মেইলিং

২। ৰক্তাক্ত

৩। অৱজ্ঞেয়

৪। নীচতা

৫। অপৰাধী

৬। ডাম্-মিছা (Damn-lie)

৭। নিশ্চিত অসত্য

৮। ইচ্ছাকৃতভাৱে মিছা কোৱা

৯। ইচ্ছাকৃতভাৱে ভুল বৰ্ণনা

১০। লজ্জাজনক

১১। অসাধু

১২। ডাবল ডিলিং

১৩। মিছা

১৪। প্ৰৱঞ্চনাকাৰী

১৫। মূৰ্খ

১৬। ভণ্ডামিপূৰ্ণ

১৭। অভদ্ৰ

১৮। অশালীন

১৯। আন্তৰিকতাহীন

২০। বক্ৰোক্তি

২১। অপমান

২২। ইচ্ছাকৃতভাৱে বিভ্ৰান্তি কৰা

২৩। অপকাৰী

২৪। আজে বাজে কথা

২৫। ভদ্ৰলোক নোহোৱা

২৬। সঁচা বা মিছা নহয়

২৭। আক্ৰমণাত্মক

২৮। হাস্যকৰ

২৯। গোকাট মিছা

৩০। মৰ্যদা হানিকাৰক

৩১। অসত্য

৩২। সদনৰ অযোগ্য

**এজন সদস্যক তলত দিয়া ধৰণে মাতিলে**

১। বৰ্বৰ

২। ব্লেকগাৰ্ড

৩। ব্লেক-মেইলাৰ

৪। গুণ্ডা

৫। প্ৰতাৰক

৬। দুৰ্নীতিগ্ৰস্ত

৭। কাপুৰুষ

৮। অসাধু

৯। প্ৰৱঞ্চক

১০। গুণ্ডা

১১। ভণ্ড

১২। হুলিগান

১৩। ইডিয়ট

১৪। মিছলীয়া

১৫। বান্দৰ

১৬। দানৱ

১৭। হত্যাকাৰী

১৮। আজে বাজে কথা (ননচেঞ্চ)

১৯। নিগনি

২০। অসাধুলোক

২১। অভদ্ৰ

**পৰামৰ্শ দিয়া হৈছে যে আন এজন সদস্য**

১। ডাবল ডিলিং হৈছে

২। বুদ্ধিমত্তাৰ অভাৱ হৈছে

৩। নিষ্ঠাবান নহয়

৪। উদ্দেশ্য আছে

৫। মহিলাৰ প্ৰতি কোনো সন্মান নাই

৬। দেশপ্ৰেমৰ কোনো জ্ঞান নাই

৭। অভদ্ৰ পদ্ধতি ব্যৱহাৰ কৰিছে

৮। বেয়া আচৰণ প্ৰদৰ্শন কৰি আছিল

৯। গেং আপ কৰি আছিল

১০। তেওঁৰ সমষ্টিৰ পৰা বাহিৰ কৰি দিয়া হৈছিল

১১। এজন ভদ্ৰলোক নাছিল

১২। বুদ্ধিমত্তাৰ অভাৱ আছিল

**অধ্যক্ষ বা সদনৰ সৈতে জড়িত**

১। পিছফালৰ দুৱাৰৰ পদ্ধতি

২। প্ৰিয় অধ্যক্ষ

৩। মূৰ্খ (সদন)

৪। সদনৰ দায়িত্বহীন শ্ৰেণী

৫। বিতৰ্ক সমিতি (সদন)

৬। বান্দৰ সদন

৭। পক্ষপাতিত্ব (অধ্যক্ষ)

৮। অন্যায়

**পৰিশিষ্ট III**

**ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচী**

**ভাষাসমূহ**

১। অসমীয়া

২। বাংলা

৩। গুজৰাটী

৪। হিন্দী

৫। কানাড়া ভাষা

৬। কাশ্মীৰী

৭। কংকনী

৮। মণিপুৰী

৯। মালয়ালম

১০। মাৰাঠী

১১। নেপালী

১২। ওড়িয়া

১৩। পাঞ্জাবী

১৪। সংস্কৃত

১৫। সিন্ধী

১৬। তামিল

১৭। তেলেগু

১৮। উৰ্দু

১৯। বড়ো

২০। ডগৰি

২১। সন্তালী

২২। মৈথিলী